শিশু আলোচনী

# শিশু-মঞ্জৰী

অষ্টম সংখ্যা

৫৬১ শঙ্কৰাব্দ ঃ অক্টোবৰ ২০০৯ চন


সম্পাদক

গোবিন্দ চন্দ্ৰ ডেকা



**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

২০০৯ খ্ৰীষ্টাব্দ

**SISU MANJARI** : *A as Children Magazine of Srimanta Sankaradeva Sangha, published by Sahitya Sakha Samittee for and behalf of Srimanta Sankardeva Sangha : October : 2009*

*Editor : Sri Gobinda Chandra Deka* *Price Rs : 20.00*

© **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

আহিন ঃ ৫৬১ শঙ্কৰাব্দ ঃ অক্টোবৰ'২০০৯

**প্ৰকাশক** ঃ

সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**সাহিত্য শাখা সমিতি** ঃ

সভাপতি ঃ শ্ৰীকৈলাস দাস
সম্পাদক ঃ শ্ৰীজীৱকান্ত নাথ
সদস্যবৃন্দ ঃ শ্ৰীগোবিন্দ চন্দ্ৰ ডেকা, সম্পাদক ঃ **'শিশু-মঞ্জৰী'**
ড° সুৰেশ চন্দ্ৰ বৰা, সম্পাদক ঃ 'মহাপুৰুষ জ্যোতি'
শ্ৰীকমলা কান্ত বৰা, সম্পাদক ঃ 'ডেকাগিৰী'
শ্ৰীহেমপ্ৰসাদ বৰা, সম্পাদক ঃ 'প্ৰাচীৰ পত্ৰিকা'
শ্ৰীভৱেন দুৱৰী
শ্ৰীনাৰায়ণ গগৈ
ড° জগত কলিতা

**মূল্য** ঃ ২০.০০ (বিশ) টকা
ছপা সংখ্যা ঃ ১,৫০০

**প্ৰাপ্তিস্থান** ঃ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস** ঃ

সত্যসন্ধা প্ৰেছ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ** ঃ

মাতৃ অফ্‌ছেট প্ৰেছ,
হেদায়েৎপুৰ, গুৱাহাটী ঃ ৭৮১০০৩

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ পদাধিকাৰৰ একলম

জয় গুৰু শঙ্কৰ

মৰমৰ শিশু
ল'বা মৰম
দিব্য তোমাৰ
দেহ আৰু মন
দুষ্টৰ সঙ্গ
কৰা বৰ্জন
সুচৰিত্ৰ কৰা গঠন
উজ্বল ভৱিষ্যত
কৰা নিৰ্মাণ
মাতৃ-পিতৃ তোমাৰ
মহাহিতকাৰী
তাতোকৈ নাই
কোনো উপকাৰী
মানি চলা
শুনা উপদেশ
কৰা বহুমান
তুমিয়েই মাতৃ-পিতৃৰ
নয়নৰ মণি
অমূল্য ৰতন
তোমাৰ বাবেই
ক'ত যে
কৰে কষ্ট
গঢ়িবলৈ তোমাৰ জীৱন
শিক্ষা গুৰুৱে
দিয়ে তোমাক
জীৱন গঢ়াৰ
মহা উপাদান
পৱিত্ৰ শিক্ষাদান
সযত্নে একান্ত মনে
কৰা গ্ৰহণ
কৰা জ্ঞানাৰ্জন
আছে তোমাৰ
অনন্ত প্ৰতিভা
যত্ন কৰা মাথো
কৰিবলৈ বিকাশ সাধন

## শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰধান সম্পাদকৰ একাষাৰ

জয় গুৰু শঙ্কৰ

মৰমৰ মইনাহঁত! তোমালোকলৈ মোৰ হৃদয়ৰ পৰা অকৃত্ৰিমভাৱে একাঁজলি মৰম যাঁচিলো। লগতে তোমালোকৰ মা-দেউতা তথা অভিভাৱক সকলোলৈকে সশ্ৰদ্ধ প্ৰণাম জনালোঁ।

এতিয়া পৱিত্ৰ ভাদ মাহ। তোমালোকে হয়তো জানা যে, আমাৰ একমাত্ৰ উপাস্য দেৱতা ভগৱান কৃষ্ণই এই মাহৰ ৰোহিনী নক্ষত্ৰ তিথিৰ দিনা বসুদেৱ-দৈৱকীৰ পুত্ৰ হিচাপে আৱিৰ্ভাৱ হৈছিল। সেই দিনটো এতিয়া আমি জন্মাষ্টমী হিচাপে পালন কৰাৰ উপৰি **'শিশু কল্যাণ দিৱস'** হিচাপে পালন কৰিছোঁ। এইটো শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সিদ্ধান্ত। তোমালোক সকলোৱে এই কথাটো ভালদৰে উপলব্ধি কৰি শিশু কৃষ্ণৰ জীৱনৰ লীলা কথা জানিলে পিছলৈ ডাঙৰ হৈ এই সকলো কথা জানিবলৈ পাবা আৰু কৃষ্ণ-ভক্তিপ্ৰাণা হৈ জীৱন ধন্য কৰিব পাৰিবা বুলি আশা কৰিলোঁ।

এই ভাদ মাহৰ পিছতেই আহিল আহিন মাহ। এই মাহত শুক্লা দশমী তিথিৰ দিনা ভগৱান কৃষ্ণৰে অংশ হিচাপে অৱতাৰ হৈ পুনৰ এই পৃথিৱীত সত্য ধৰ্ম প্ৰৱৰ্তন কৰি আমাৰ সকলোকে এটি সাংস্কৃতিক জীৱন গঢ়িবলৈ পথ নিৰ্দেশনা দিলেহি শ্ৰীমন্ত শঙ্কৰদেৱে। এইজনাই আমাৰ পৰম গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ। তাৰাসকল পৰম পুৰুষ মহাপুৰুষৰ গুণানুকীৰ্তনেৰে মুখৰিত হৈ তাৰাসকলে দেখুৱাই যোৱা আদৰ্শ অনুশীলন কৰি তোমালোকৰ জীৱনবোৰ ধন্য কৰিবা বুলি আমি প্ৰৱীণসকলে তোমালোকলৈ আশীৰ্বাদ জনালোঁ।

নতুন প্ৰজন্মৰ শিশুসকললৈ পুনৰ আগবঢ়ালো তোমালোকৰ মৰমৰ **'শিশু-মঞ্জৰী'**খন। এইখন শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ শিশু আলোচনীৰ অষ্টম সংখ্যা। তোমালোকে অতি আদৰেৰে হাতত তুলি পঢ়িবা আৰু মা-দেউতা তথা জ্যেষ্ঠজনৰ সহায়ত কথাবোৰ বুজিবলৈ যত্ন কৰিবা। তোমালোকলৈ পুনৰ মৰম যাঁচি সামৰিলোঁ।

সদৌ শেষত অষ্টম সংখ্যা **'শিশু-মঞ্জৰী'**লৈ যিসকল লেখক-লেখিকাই প্ৰবন্ধ, কবিতা আৰু অন্যান্য সমল আগবঢ়ালে তাৰ বাবে কৃতজ্ঞতা জনালোঁ। সম্পাদক প্ৰমুখ্যে সাহিত্য শাখা সমিতিলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

নগাঁও মূল কাৰ্যালয়
৪/৯/২০০৯

সেৱাৰে--
শ্ৰীহৰিপ্ৰসাদ হাজৰিকা
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

জয় গুৰু শঙ্কৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# সম্পাদকীয়

জয় গুৰু শঙ্কৰ

সাম্প্ৰতিক সময়ত প্ৰতি গৰাকী পিতৃ-মাতৃয়ে শিশুৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ কথা চিন্তা কৰে যদিও পৰৱৰ্তী সময়ত আশা কৰা ধৰণেৰে কৃতকাৰ্য হ'ব নোৱাৰে। অৱশ্যে ইয়াৰ অন্তৰালত কেইবাটাও কাৰণ নিহিত আছে। ইয়াৰ ভিতৰত পৰিৱেশৰ কথা উল্লেখ কৰিব পাৰি। বহু সময়ত দেখা যায় যে, শিশুৰ ঘৰুৱা পৰিৱেশ উন্নত হ'লেও যদি সামাজিক পৰিৱেশ উন্নত নহয় তেনেহ'লে কেতিয়াও শিশুৰ বিকাশ সম্ভৱ নহয়। সেয়েহে সামাজিক পৰিৱেশে যাতে শিশুৰ ওপৰত কোনো ধৰণৰ ঋণাত্মক প্ৰভাৱ পেলাব নোৱাৰে, তাৰ বাবে সময়ে সময়ে সমজুৱাসকলে পৰিৱেশ সজাগতা সম্পৰ্কীয় সভা পাতি চিন্তা-চৰ্চা কৰা উচিত আৰু সেইটো কৰিব পাৰিলেহে প্ৰকৃতাৰ্থত শিশুৰ শাৰীৰিক, মানসিক বিকাশ সম্ভৱ হ'ব। তদুপৰি খেলনৰ সামগ্ৰী পুতলা পিষ্টল, বন্দুক আদি মৰণাস্ত্ৰসমূহে বহু সময়ত শিশুৰ কোমলীয়া মনত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰা দেখা যায় আৰু এনে কাৰ্যই শিশু মনত হত্যাৰ প্ৰৱণতা সৃষ্টি কৰে। ফলস্বৰূপে পৰৱৰ্তী সময়ত শিশুৰ অপৰাধ প্ৰৱণ হৈ পৰে। সেইদৰে আজি-কালি আমাৰ সমাজত মানুহে মানুহক হাত-ভৰি আদিৰে গোৰ মৰা (কুংফু বা ক্যাৰাটে) খেলৰো প্ৰচলন হৈছে। বহু সময়ত বহু পিতৃ-মাতৃয়ে এনে শিক্ষা শিশুক দি নিজকে ধন্য হোৱাও দেখা গৈছে। কিন্তু এনে খেলৰ শিক্ষাই শিশুৰ মনত বীৰত্বৰ ভাৱ সৃষ্টি কৰে আৰু সমনীয়া লগত হাই-কাজিয়া কৰাত ইন্ধন যোগায়। গতিকে যিবোৰ কাম বা শিক্ষনে শিশুৰ মনত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰে; তেনে কাৰ্যৰ পৰা সদায় বিৰত থকা বাঞ্ছনীয়। শিশুৰ সুস্থ শাৰীৰিক-মানসিক বিকাশৰ বাবে সৰুৰে পৰা আধ্যাত্মিক শিক্ষা দিয়াটো প্ৰয়োজন। আধ্যাত্মিক শিক্ষাই শিশুৰ মনত এক শান্ত পৰিৱেশ সৃষ্টি কৰে আৰু এনে পৰিৱেশে শিশুৰ সুস্থ দেহ, মানসিক বিকাশত সহায়ক হয়। এইক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনাদৰ্শ সকলোলোকৰ বাবে এক আদৰ্শ হওক। অৱেশ্য এইটো পৰিতাপৰ বিষয় যে, আজিকালি আমাৰ শিক্ষিত সমাজে মহাপুৰুষ গুৰুজনাৰ নামত নানা ধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠান, জন্মদিনৰ উৎসৱ আদি পালন কৰে যদিও বাস্তৱত তেওঁৰ বাণী আৰু আদৰ্শসমূহ অনুশীলন কৰা পৰিলক্ষিত নহয়। যিটো সমগ্ৰ অসমীয়া জাতিৰ বাবে দুৰ্ভাগ্যজনক। এই ক্ষেত্ৰত আজি সমগ্ৰ অসমীয়া জাতি

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# সম্পাদকীয়

জয় গুৰু শঙ্কৰ

সজাগ হ'বৰ হ'ল। অন্যথা অসমীয়া জাতিৰ অতীত গৌৰৱ ম্লান পৰাটো নিশ্চিত। কাৰণ মহাপুৰুষ গুৰুজনাৰ নামত অনুষ্ঠান-প্ৰতিষ্ঠান পাতিলে বা জন্ম উৎসৱ পালন কৰিলেই তেওঁৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্য শেষ হৈ নাযায়, যদি মহাপুৰুষ গুৰুজনাৰ নীতি আৰু আদৰ্শসমূহ বাস্তৱ ৰূপায়ন কৰিব পৰা নাযায়।

**কৃতজ্ঞতা স্বীকাৰ ঃ** যিসকল লেখক-লেখিকাৰ লিখনিৰ দ্বাৰা এই সংখ্যাৰ 'শিশু-মঞ্জৰী' সমৃদ্ধি সাধন কৰা হ'ল তেওঁলোকলৈ আমাৰ অন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ পৰম শ্ৰদ্ধাৰ শ্ৰীযুত কৰুণাকান্ত কলিতা বাপ আৰু প্ৰধান সম্পাদক শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা বাপে সততে 'শিশু-মঞ্জৰী' আলোচনীখনৰ অগ্ৰগতিৰ খবৰ লোৱাৰ লগতে নানা ধৰণৰ পৰামৰ্শ দি আমাক কৃতাৰ্থ কৰাৰ বাবে আমি তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সাহিত্য শাখা সমিতিৰ সভাপতি শ্ৰীযুত কৈলাস দাসবাপ আৰু সম্পাদক শ্ৰীযুত জীৱকান্ত নাথবাপলৈও আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। শেষত শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, সত্যাসন্ধা প্ৰেছৰ কৰ্মী শ্ৰীৰমেন মেধি আৰু মাতৃ আফছেট প্ৰেছৰ স্বত্বাধিকাৰ শ্ৰীযুত কমলাকান্ত বৰা বাপে অক্ষৰ বিন্যাস আৰু ছপা-বন্ধা কামখিনি যথা সময়ত সম্পূৰ্ণ কৰি দিয়াৰ বাবে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জনালোঁ।

'শিশু-মঞ্জৰী' আলোচনীখনৰ সম্পাদনাৰ ক্ষেত্ৰত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুলৰ বাবে লেখক-লেখিকা আৰু পাঠকসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনালোঁ।

সেৱাৰে--

গোবিন্দ চন্দ্ৰ ডেকা

সম্পাদক

# 'শিশু-মঞ্জৰী'ৰ পাতে পাতে..

প্ৰবন্ধ শিতান ঃ–


- আদিম যুগৰ কথা ঃ গোবিন্দ চন্দ্ৰ ডেকা/১
- শিশুৰ অপৰাধ প্ৰৱণতা ঃ এটি আলোচনা ঃ হেমন্ত মুগ্ধ বৰুৱা/৩
- দিল্লীত এভূমুকি ঃ জীৱকান্ত নাথ/৭
- শিশুৰ শিক্ষা ঃ শশী বৰা/১২
- ভাৰতৰ প্ৰথম অভিযান ঃ চন্দ্ৰযান-১ ঃ ভৃগু কুমাৰ ৰাজবংশী/১৪
- শিশুৰ জীৱন গঢ় দিয়াত আধ্যাত্মিকতা আৰু সু-শিক্ষাৰ প্ৰয়োজন ঃ ৰামচন্দ্ৰ ডেকা/১৮
- মহামিলনৰ প্ৰতীক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ঃ পাপুলি বৰা/২০


শিশু চ'ৰা ঃ–


- সাগৰীয় বন্ধু 'ডলফিন' দেখাৰ অভিজ্ঞতা ঃ বৰদা শইকীয়া/২২
- বাৰ্মুডা ত্ৰিভুজৰ ৰহস্যৰ আঁৰত.... ঃ প্ৰণবিকা ডেকা/২৩
- চিলা ভকতৰ কাহিনী ঃ কিৰণ শইকীয়া বৰা/২৬
- নকৰিবা বঞ্চিত দিবা কিঞ্চিত ঃ মণি চেতিয়া/২৮
- জটায়ুৰ আত্ম-ত্যাগ ঃ বোধেশ্বৰ কাকতি/৩০
- আমাৰ পৰিৱেশ আৰু সজাগতা ঃ ভৱেন দুৱৰী/৩২
- হৰি নামৰ মহিমা ঃ মামণি চলিহা/৩৪
- মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বাল্যকাল ঃ মনুকৃষ্ণ কছাৰী/৩৫
- জীৱনৰ আদিকালতে প্ৰতিপালন কৰক ঃ অনুবাদ - বিহুৰাম কলিতা/৩৬
- এটি হুমুনিয়াহ ঃ মিছ আয়েছা ছিদ্দিকা/৩৭
- মানৱতাবাদী শিশু আৰু এজন ৰিক্সাৱালা ঃ পদ্মৰাম মহন্ত/৩৮
- অৰ্জুনৰ ধনুৰ্বিদ্যা পৰীক্ষা ঃ অভিজিত বৰা/৪০
- হাতী ঃ নিকুমণি ডেকা/৪১
- বড়ো ভাষা শিকোঁ আহা ঃ মহিমাময়ী কছাৰী/৪২


কবিতা কানন ঃ–


- সমানে সমানে কৰিবা কাজ.... ঃ বন্দনা দেৱী/৪৪
- মইনাৰ ধৰণী ঃ উষাৰাণী দত্ত মজুমদাৰ/৪৫
- পুৱা ঃ নিহাৰ জ্যোতি চহৰীয়া/৪৬
- হে গুৰু তোমাক প্ৰণাম ঃ অংশুমান বৰা/৪৬
- গুৰু শঙ্কৰদেৱ ঃ লীজাৰাণী শইকীয়া/৪৭
- শঙ্কৰে স্বৰূপ হৰি ঃ ডাঃ পুনিৰাম পাতৰ/৪৭
- নাৰদৰ শিশুকাল ঃ জয়ন্তী ডেকা/৪৮
- সৌৰজগত ঃ নীলমণি বৰুৱা/৪৯
- সত্য সনাতন ঃ অৰুণা কলিতা শইকীয়া/৪৯
- কেং বুঢ়া ঃ বাবুমণি হীৰা/৫০
- প্ৰাণৰ প্ৰিয়তম ঃ ইলাৱতী ডেকা/৫০


স্বাস্থ্য শিতান ঃ–


- শিশুৰ অপুষ্টি আৰু সংক্ৰামক ৰোগ ঃ ডাঃ জীৱন চন্দ্ৰ ডেকা/৫১
- বিজ্ঞানৰ দৃষ্টিৰে শঙ্কৰী আদৰ্শত খাদ্য সংস্কৃতি ঃ অজয় বৰুৱা/৫৫

# আদিম যুগৰ কথা

**গোবিন্দ চন্দ্ৰ ডেকা**

**আদিম যুগৰ মানুহ ঃ** আজিৰ যুগৰ মানুহৰ লগত আদিম যুগৰ মানুহৰ বহুত পাৰ্থক্য আছিল। তেওঁলোক দেখাত বিশাল বান্দৰৰ দৰে আছিল। তেওঁলোকৰ কঁপালৰ হাড় চাপৰ আৰু অলপ হেলনীয়া আছিল। অৱশ্যে বান্দৰৰ তুলনাত তেওঁলোকৰ মগজু বহুত বেছি আছিল যদিও বৰ্তমান যুগৰ মানুহতকৈ কম আছিল। সেই যুগৰ মানুহে আগলৈ হালি অভঁজা ধৰণেৰে খোজ কাঢ়িছিল। হাত দুখন বৰ দীঘল আছিল আৰু তললৈ ওলমি পৰিছিল। সেইদৰে আঙুলিবোৰ তেনেই দুৰ্বল আছিল। ইচ্ছা মতে লৰচৰ কৰিব নোৱাৰিছিল; মাথোন সহজ ধৰণৰ কামবোৰহে কৰিব পাৰিছিল। তদুপৰি আদিম যুগৰ মানুহে ইটো-সিটো ধ্বনি উচ্চাৰণ কৰিব পাৰিছিল আৰু ইয়াৰ জৰিয়তে তেওঁলোকে ভয়, খং, আদি আৱেগসমূহ প্ৰকাশ কৰিছিল। এয়ে আছিল আদিম যুগৰ মানুহৰ আদিম অৱস্থা।

**আদিম যুগৰ মানুহৰ দৈনন্দিন কাৰ্যকলাপ ঃ** আদিম যুগৰ মানুহৰ দৈনন্দিন কাৰ্যকলাপ অতি সাধাৰণ আছিল। হাবিত পোৱা নানা ধৰণৰ গছৰ ফলমূল, চৰাইৰ কণী, আলু আদি সংগ্ৰহ কৰি তেওঁলোকে খাইছিল। তদুপৰি লাঠি, জোঙা শিলৰ অস্ত্ৰ আদি লৈ দলে-বলে চিকাৰ কৰিছিল। সাধাৰণতে তেওঁলোকে বেমাৰত দুৰ্বল হোৱা নাইবা জাকৰ পৰা ফালৰি কাটি অহা ডাঙৰ ডাঙৰ জীৱজন্তুবোৰহে চিকাৰ কৰিছিল।

**দলবদ্ধ মানুহ ঃ** আদিম যুগৰ মানুহৰ জীৱন-ধাৰণ পদ্ধতি অতি কষ্টকৰ আছিল। তেওঁলোকে প্ৰায়ে খাদ্য আৰু বাসস্থানৰ বাবে ভ্ৰমি ফুৰিবলগীয়া হৈছিল। এইদৰে এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ যাওঁতে বহু সময়ত অন্য দলৰ লগত যুঁজ-বাগৰ হৈছিল, হিংস্ৰ জীৱ-জন্তুৰ আক্ৰমণতো তেওঁলোকৰ প্ৰাণ গৈছিল। বেমাৰ আজাৰ আৰু ভোক পিয়াহতো তেওঁলোকৰ মৃত্যু হৈছিল। সেয়েহে আদিম মানুহৰ পক্ষে অকলশৰে বসবাস কৰাতো কেতিয়াও সম্ভৱ নাছিল আৰু এনেবোৰ কাৰণতে আদিম যুগৰ মানুহে দলবদ্ধভাৱে বাস কৰিছিল।

**প্ৰকৃতিৰ ওপৰত দুৰ্বলতা আৰু ভয় ঃ** আদিম মানুহ অতি নিৰ্বোধ আছিল। তেওঁলোকে বজ্ৰপাত, বানপানী, মাৰাত্মক ৰোগ-ব্যাধি আদি ধ্বংসাত্মক কাৰ্যবোৰৰ ওপৰত সদায় অসহায় বোধ কৰিছিল। তেওঁলোকে প্ৰকৃতি জগতৰ কোনো ঘটনাৰ কোনো ৰহস্য বুজিব পৰা নাছিল। সেয়েহে প্ৰকৃতি জগতৰ প্ৰতিটো ঘটনাই তেওঁলোকৰ মনত ভয় সৃষ্টি কৰিছিল আৰু এই ভয়ৰ পৰাই ধৰ্মীয় ভাৱৰ উদয় হৈছিল আৰু পৰৱৰ্তী কালত এচাম ন্যস্তস্বাৰ্থৰ লোকে ধৰ্মক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিছিল।

**ধৰ্মীয় বিশ্বাসৰ উদ্ভৱ ঃ** আদিম মানুহে প্ৰকৃতি জগতৰ ঘটনাবোৰৰ কাৰ্য-কাৰণ বুজিব পৰা নাছিল। আকাশত জোন, বেলি ওলায় আৰু মাৰ যায়, ডাৱৰীয়া বতৰত বিজুলী ঢেৰেকণি মাৰে, হঠাতে পৃথিৱীখন কঁপি উঠে ইত্যাদি। কিন্তু তেওঁলোকে ইয়াৰ কাৰণ কোনো দিনে জনা নাছিল। আনকি তেওঁলোকে মানুহৰ জন্ম-মৃত্যু, টোপনি আদিৰ কাৰণো জনা নাছিল। এনে স্থলত তেওঁলোকে বিশ্বাস কৰিছিল যে প্ৰকৃতি জগতত মানুহতকৈ শক্তিশালী কিছুমান অদৃশ্য 'ভূত' আছে। এইবোৰে বজ্ৰপাত, ধুমুহা, বানপানী, বেমাৰ-আজাৰ আদি সৃষ্টি কৰে, চিকাৰত মানুহক সহায় কিম্বা বিঘিনী ঘটায় ইত্যাদি। সেয়েহে আদিম মানুহে এই অদেহী 'ভূত'বোৰক সন্তুষ্ট কৰিবৰ বাবে কেতিয়াবা পূজা সেৱা কৰিছিল আৰু কেতিয়াবা লাঠি-টাঙোন ঘূৰাই ভয় দেখুৱাইছিল। তেওঁলোকে অসুস্থ লোকৰ

দেহৰ পৰা 'ভূত' খেদিবৰ বাবে বেমাৰীৰ চাৰিওফালে আগুৰি চিএঞৰ-বাখৰ কৰিছিল। টাঙোন ঘূৰাই ভয় দেখুৱাইছিল আৰু কেউপিনে যাগ দি ধুৱলি-কুঁৱলি কৰিছিল। তেওঁলোকে নিদ্ৰা আৰু মৃত্যুৰ দৰে স্বাভাৱিক ঘটনাৰ কোনো কাৰণ বুজিব নোৱাৰি অদৃশ্য আত্মাক বিশ্বাস কৰিছিল। টোপনিৰ সময়ত সেই আত্মা দেহৰ পৰা ওলাই গৈ পৃথিৱীত ঘূৰি ফুৰে আৰু অন্য মানুহৰ আত্মাৰ লগত দেখা সাক্ষাৎ কৰে। আকৌ যেতিয়া এই আত্মা দেহৰ পৰা ওলাই একেবাৰে গুচি যায়, তেতিয়া মানুহৰ মৃত্যু হয়। তেওঁলোকে ভাবিছিল যে, এই অলৌকিক শক্তিবোৰে প্ৰকৃতি আৰু মানুহক পৰিচালনা কৰে; সেয়েহে তেওঁলোকে অদৃশ্য এই অলৌকিক শক্তিবোৰক বৰকৈ ভয় কৰিছিল। গতিকে এই অদৃশ্য অলৌকিক শক্তিবোৰক সন্তুষ্ট কৰিব বিচৰা নাইবা সেইবোৰক ভীতি প্ৰদৰ্শনেৰে বশ কৰিব বিচৰা ধ্যান-ধাৰণৰ পৰাই ধৰ্মীয় ব্যৱস্থাৰ বিকাশ হৈছিল।

**ধৰ্মক ব্যক্তি স্বাৰ্থত ব্যৱহাৰ ঃ** আদিম যুগৰ মানুহে যাযাৱৰী জীৱন এৰি কৃষি কৰ্ম কৰাৰ পৰাই শোষণৰ ইতিহাস আৰম্ভ হৈছিল। যেতিয়াৰ পৰা মানুহে কৃষি কৰ্ম কৰি স্থায়ীভাৱে থাকিব লৈছিল, তেতিয়াৰ পৰাই মানুহৰ মনত সঞ্চয়ৰ অভ্যাস গঢ় লৈ উঠিছিল। মানুহে খাদ্য বস্তু ভৱিষ্যতৰ বাবে সঞ্চয় কৰিছিল আৰু এই সঞ্চয়ৰ অভ্যাসে মানুহৰ মাজত ধনী-দুখীয়াৰ পাৰ্থক্য সৃষ্টি কৰিছিল। যেতিয়াই সমাজত ধনী-দুখীয়াৰ পাৰ্থক্য সৃষ্টি হ'ল, তেতিয়াই আনৰ সম্পদ আত্মসাৎ কৰিব বিচৰা এটা শ্ৰেণী সৃষ্টি হ'ল আৰু নিজকে ঈশ্বৰ প্ৰেৰিত দূত বুলি পৰিচয় দিলে। সেইদৰে তেওঁলোকে নিজৰ স্বাৰ্থৰ অনুকূলে নানা শাস্ত্ৰ লিখি তাকে ধৰ্ম বুলি প্ৰচাৰ কৰিলে। অৰ্থাৎ এই বুদ্ধিয়ক শ্ৰেণীটোৱে সৃষ্টি কৰা ৰীতি-নীতি আৰু শাস্ত্ৰীয় বিধান মানি চলাটোৱে তেতিয়াৰ সমাজৰ বাবে ধৰ্ম আছিল। কিন্তু এই ধৰ্মীয় ব্যৱস্থাৰ পৰা কাৰ কেনেদৰে লাভ হৈছিল সেই কথা কোনেও ভবা নাছিল। গতিকে এই বুদ্ধিয়ক শ্ৰেণীটোৱে আনৰ হৈ ঈশ্বৰৰ ওচৰত পূজা সেৱা কৰিছিল। কৃষকসকলৰ সঞ্চিত সম্পদ ঈশ্বৰৰ ওচৰত অৰ্পণ কৰিছিল আৰু পিছত সেই অৰ্পিত সম্পদ তেওঁলোকে লৈ গৈছিল। এয়ে তেতিয়াৰ সমাজৰ বাবে ধৰ্ম আৰু ধৰ্মীয় ব্যৱস্থা আছিল।

**প্ৰাচীন মিচৰত ধৰ্ম ঃ** প্ৰাচীন মিচৰৰ পুৰোহিতসকল অতি চহকী দাস মালিক আছিল। সেই সময়ত মিচৰবাসীয়ে দেৱ-দেৱীসকলৰ উদ্দেশ্যে বহুত কিবাকিবি উৰ্ছগা কৰিছিল। কৃষকসকল নিজে ভোকাতুৰ আছিল কিন্তু তেওঁলোকে মন্দিৰলৈ থৈলা ভৰাই শস্য, পাচি ভৰাই শাক-পাচলি আনিছিল। সেইদৰে ফেৰ' (ৰজা)সকলে মাৰুৱা মাটি দান কৰিছিল। এইদৰে মন্দিৰবোৰ বিপুল সম্পদৰ মালিক হৈছিল। 'সকলো মন্দিৰতেই আছিল দেৱ-দেৱীৰ উপাসক পুৰোহিতসকল। ধাৰণা কৰা হৈছিল যে পুৰোহিতসকলে দেৱ-দেৱীক সেৱা কৰে, খাবলৈ দিয়ে, তেওঁলোকে দেৱ-দেৱীৰ মূৰ্তিৰ আগত থোৱা বস্তু ৰাখি থয়। মিচৰবাসীয়ে বিশ্বাস কৰিছিল যে, পুৰোহিতসকলে স্বয়ং দেৱ-দেৱীৰ সাক্ষাৎ লাভ কৰে, তেওঁলোকে অকল উছৰ্গিত বস্তুকেই দেৱতাসকলৰ ওচৰত আগবঢ়াই দিয়ে এনে নহয়; লগতে মানুহৰ প্ৰাৰ্থনাও নিবেদন কৰে আৰু দেৱতাসকলেও পুৰোহিতসকলৰ যোগে জনসাধাৰণক তেওঁলোকৰ নিৰ্দেশ প্ৰদান কৰিব পাৰে। পুৰোহিতসকলৰ কথা দেৱতাসকলৰ বাণী বুলিয়েই গণ্য কৰা হৈছিল। মন্দিৰৰ ধন-সম্পত্তিৰ তত্বাৱধনাৰ দায়িত্ব পোৱাত পুৰোহিতসকল দাস-দাসী, মাটি-বাৰী আৰু সোণ আদিৰ মালিক হৈ সবাতোকৈ চহকী লোক হৈ পৰিল আৰু তেওঁলোকে দাস আৰু ধৰুৱাবোৰক নিৰ্মমভাৱে শোষণ কৰিবলৈ ধৰিলে।' (দ্ৰষ্টব্য ঃ প্ৰাচীন জগতৰ ইতিহাস ফিওদৰ কৰোভকিন, প্ৰগতি প্ৰকাশন, মস্কো)

সম্প্ৰতি ধৰ্মৰ বিষয়ে বহু চিন্তা-চৰ্চা হৈছে আৰু নতুন প্ৰজন্মই ধৰ্মক এক নতুন দৃষ্টিভংগীৰে চাবলৈ আৰম্ভ কৰিছে। যিটো সকলোৰে বাবে মঙ্গলজনক।■

# শিশুৰ অপৰাধ প্ৰৱণতা ঃ এটি আলোচনা

**হেমন্ত মুগ্ধ বৰুৱা**

প্ৰয়োজন, আগ্ৰহ, অনুভূতি-প্ৰৱণতা, আৱেগিক প্ৰতিক্ৰিয়া ইত্যাদি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি সেইমতে শিক্ষা-দীক্ষা আৰু অন্যান্য প্ৰয়োজন পূৰণত গুৰুত্ব দিয়া নহয়, তেতিয়াই তেওঁলোকৰ মনলৈ আহে বিদ্বেষ আৰু হতাশবোধ। এই হতাশবোধৰ বাবেই শিশুসকল পাৰিবাৰিক আৰু প্ৰচলিত সামাজিক বান্ধোনৰ প্ৰতি বীতশ্ৰদ্ধ হয় আৰু ক্ৰমান্বয়ে সেইবোৰৰ পৰা বিচ্ছিন্ন হ'বলৈ আৰম্ভ কৰে। এই বিচ্ছিন্নতা আৰু সামাজিক প্ৰমূল্যৰ প্ৰতি বাঢ়ি অহা অৱজ্ঞাৰ বাবে স্ব-নিৰ্দেশিত পথেৰে অগ্ৰসৰ হয়। শিশুৰ এই মানসিক অৱক্ষয়ৰ উন্মুক্ত প্ৰকাশেই হ'ল অপৰাধ আৰু তেনেবোৰ কাৰ্যকলাপৰ প্ৰতি গভীৰভাৱে আসক্ত হৈ নিজৰ বিদ্ৰোহী স্থিতিক কাৰ্যত প্ৰতিফলিত কৰিবলৈ অহৰহ অনুভৱ কৰা তাড়নাকেই সাধাৰণতে অপৰাধ প্ৰৱণতা বুলি আখ্যা দিয়া হয়। আনুষ্ঠানিক নীতি-নিয়ম উলংঘন ঠগ-প্ৰৱঞ্চনা, চুৰি-ডকাইতি, সম্পত্তি-ধ্বংস, জুৱাখেল, অপহৰণ, সমনীয়াৰ স'তে মাৰপিট, নিচাযুক্ত দ্ৰব্য সেৱন, অশালীন আৰু অমাৰ্জনীয় আচৰণ ইত্যাদি কাৰ্যৰ মাধ্যমত শিশু অপৰাধীসকলৰ অপৰাধ প্ৰৱণতা প্ৰতিফলিত হোৱা দেখা যায়। এনে উশৃংখল শিশুৱে আনকি হত্যাকাণ্ডৰ দৰে নৃশংস কাৰ্য সংঘটিত কৰাৰ উদাহৰণো নোহোৱা নহয়। শিশুৰ দ্বাৰা সংঘটিত তেনেবোৰ দানৱীয় কৰ্ম-কাণ্ডৰ বিষয়ে শুনিলে এক ভয়াবহ ভৱিষ্যতৰ আশংকাত গা-শিয়ৰি আহে। ভাব হয়, আমাৰ ভৱিষ্যত পুৰুষসকল কোনদিশে ধাৱিত হৈছে? সামগ্ৰিক অৱক্ষয়ী মূল্যবোধৰ ফচল শিশুৰ এই অপৰাধ প্ৰৱণতা এক মানৱীয় সংকট, সামাজিক প্ৰমূল্যৰ প্ৰতি এক ভাবুকি আৰু একবিংশ শতিকাৰ সভ্যতা-সংস্কৃতিৰ প্ৰতি চূড়ান্ত ভেঙুচালি।

কোনো শিশুৱেই অপৰাধীৰূপে জন্মগ্ৰহণ নকৰে অথবা অপৰাধ-প্ৰৱণতা বংশগত বৈশিষ্ট্যৰ প্ৰতিফলন নহয় বুলি চিকিৎসাবিজ্ঞানী আৰু সমাজমনোবিজ্ঞানীসকলে দৃঢ় মত পোষণ কৰিছে। অপৰাধ-প্ৰৱণ শিশুবোৰ কোনো বিশেষ শ্ৰেণীৰ মানৰ প্ৰতিনিধি নহয় বা শাৰীৰিক, মানসিক তথা আৱেগিকভাৱেও তেওঁলোক ব্যতিক্ৰমী বৈশিষ্ট্যৰ অধিকাৰী নহয়। স্বাভাৱিক আশা-আকাংক্ষাৰে তেওঁলোকেও বিচাৰে মৰম-চেনেহ পাবলৈ আৰু দিবলৈ; বিচাৰে নিৰাপত্তাবোধ আৰু স্বীকৃতি। এনেবোৰ মৌলিক প্ৰয়োজন বা দাবী ক্ষেত্ৰত অনাদৃত, অৱহেলিত হলেই তেওঁলোক হৈ পৰে বিদ্বেষী আৰু বিশৃংখল । তেনে দুৰৱস্থাত ভোগা শিশুৱে সামাজিক শৃংখলতাৰ পৰিপন্থী কাৰ্যকলাপত জড়িত হ'বলৈ কুণ্ঠাবোধ নকৰে।

বিশৃংখল আৰু অশান্ত পাৰিবাৰিক তথা সামাজিক পৰিৱেশত শিশুৰ স্বাভাৱিক মানসিক বিকাশ সম্ভৱ নহয়। প্ৰাচীন ভাৰতীয় মনীষীসকলে কৈ গৈছে—সন্তান গৰ্ভত থকা সময়তো যদি পিতৃ-মাতৃয়ে দোষ কৰে, সেই দোষে সন্তানকো পায়। অৰ্থাৎ সুসন্তান লাভ কৰিবলৈ হ'লে পিতৃ-মাতৃয়ে সন্তান গৰ্ভস্থ হোৱাৰ পৰাই কঠোৰ সাধনা অব্যাহত ৰাখিব লাগিব।

শিশুৰ সৰ্বাঙ্গীন বিকাশত তিনিটা কাৰকে মুখ্য ভূমিকা পালন কৰে; ঘৰখন, নিকট পৰিৱেশ আৰু বিদ্যালয়। এই তিনিটা সামাজিক অনুষ্ঠানৰ ত্ৰুটিপূৰ্ণ পৰিৱেশেই আকৌ অপৰাধ প্ৰৱণতাৰো কাৰক হোৱা দেখা যায়। ঘৰখনেই শিক্ষাৰ কঠীয়াতলী বোলা হয়

যদিও অসুস্থ ঘৰুৱা পৰিবেশে শিশু মনত বিৰূপ প্ৰভাৱ পেলায়। পিতৃ-মাতৃৰ মাজত গঢ় লৈ উঠা অবিশ্বাস আৰু আস্থাহীনতাৰ ফলত সংঘটিত হোৱা মনোমালিন্য, বিবাহ-বিচ্ছেদ, পৃথক-আবাস আদিৰ দৰে বিক্ষিপ্ত অৱস্থা, গ্ৰামাঞ্চলৰ যৌথ পৰিয়ালত সততে চলি থকা বিভিন্ন পাৰিবাৰিক বিবাদ আৰু উত্তেজনা ইত্যাদি শিশুৰ মনৰ বাবে ক্ষতিকাৰক। সেইদৰে আৰ্থিক দুৰৱস্থাৰ বাবে অভিভাৱকসকল শিশুৰ মৌলিক প্ৰয়োজন পূৰণত ব্যৰ্থ হ'লে, জীৱিকাজনিত ব্যস্ততাৰ বাবে প্ৰয়োজনীয় সঙ্গ আৰু সময়দিব নোৱাৰিলে শিশুসকল একাকীত্বৰ বলি হ'বলগীয়া হয়। সেইদৰে অৱস্থাসম্পন্ন পিতৃ-মাতৃয়ে সন্তানক আবাসিক বিদ্যালয়ত ৰখাৰ ব্যৱস্থা কৰে, যাৰ ফলত পিতৃ-মাতৃৰ প্ৰত্যক্ষ সাহচাৰ্যৰ পৰা শিশু বঞ্চিত হয় আৰু তেনে বিচ্ছিন্নতাত ভোগা শিশুসকল অপৰাধ প্ৰৱণ হ'লে আচৰিত হ'বলগীয়া একো নাই। বহুতো পিতৃ-মাতৃয়ে শিশুসন্তানক শাসন কৰাৰ নামত কঠোৰ ব্যৱহাৰ কৰা দেখা যায়। দমনমূলক নীতিৰে যিসকল শিশুৰ স্বতঃস্ফূৰ্ত আৰু স্বাভাৱিক স্বতন্ত্ৰতা উপেক্ষা কৰা হয় তেওঁলোক ক্ৰমান্বয়ে মূলসুঁতিৰ পৰা বিচ্ছিন্ন হ'বলৈ ধৰে।

ঘৰখনৰ দৰে নিকট (চুবুৰীয়া) পৰিবেশেও শিশু মনক যথেষ্ট প্ৰভাৱিত কৰে। ৰুগ্ন সামাজিক পৰিবেশে শিশুক বিপথে পৰিচালিত কৰা দেখা যায়। চৌপাশে ক্ৰমশঃ বাঢ়ি অহা (পৰস্পৰ) অসূয়া-অপ্ৰীতি, হিংস্ৰ আচৰণ, ঈৰ্ষাজনিত আচৰণৰ মুক্ত প্ৰকাশ, কাজিয়া-পেচাল ইত্যাদি অহৰহ স্বচক্ষে প্ৰত্যক্ষ কৰিও শিশুসকলে তাক অনুসৰণ কৰা দেখা যায়। বিভিন্ন প্ৰচাৰ মাধ্যমতো (যেনে বাতৰি কাকত, দূৰদৰ্শন, কথাছবি ইত্যাদি) আজিকালি মুক্ত যৌনতাৰ পয়োভৰ। সেইবোৰৰ জৰিয়তে প্ৰকাশিত আৰু প্ৰদৰ্শিত যৌন উৎপীড়ন, ধৰ্ষণ আদিৰ দৰে বিকৃত ৰুচিদায়ক সংবাদ আৰু দৃশ্যসমূহে শিশুসকলৰ মনত কেনে মাৰাত্মক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে সেয়া সহজেই অনুমেয়। অৱস্থাসম্পন্ন অভিভাৱকসকলে নিজৰ আভিজাত্য জাহিৰ কৰিবলৈ শিশু সন্তানসকলৰ হাতত তুলি দিয়া বিভিন্ন ইলেক্ট্ৰনিক আহিলাসমূহৰ (ম'বাইল ফোন, ইণ্টাৰণেট সংলগ্ন কম্পিউটাৰ ইত্যাদি) জৰিয়তে এচাম কুমলীয়া ছাত্ৰ-ছাত্ৰী কেনেকুৱা বিকৃত কাৰ্যকলাপত ব্যস্ত থাকে সেই খবৰে বাতৰি কাকতৰ শিৰোনামা প্ৰায়েই দখল কৰে। তাৰোপৰি জন্মদিন বা আন উৎসৱ-পাৰ্বণত বহু অভিভাৱক আৰু আত্মীয় স্বজনে খেলনা-সামগ্ৰী হিচাপে শিশুসকলৰ হাতত বন্দুক-পিষ্টল আদি তুলি দিয়া দেখা যায়। ইতিমধ্যে বাতৰি-কাকত, দূৰদৰ্শন, কথাছবি আদিৰ অনুগ্ৰহত বন্দুক-বাৰুদৰ ব্যৱহাৰৰ সতে পৰিচিত শিশুসকলে তেনেবোৰ সামগ্ৰী হাতত পৰিলে 'প্ৰেক্টিকেল' কৰি চাব বিচৰাটো স্বাভাৱিক। অতি সম্প্ৰতি বিভিন্ন জাতি জনগোষ্ঠীসমূহে আত্মনিয়ন্ত্ৰণ, আত্মপৰিচয় আদিৰ সন্ধানত যিবিলাক অগণতান্ত্ৰিক আৰু হিংসাত্মক কাৰ্যকলাপ সংঘটিত কৰি আহিছে সেইবোৰ দেখি শুনিও অনেক শিশু বিপথে গমন কৰা দেখা যায়। লগতে হিংসা আৰু সন্ত্ৰাসৰ বলি হোৱা বা স্বচক্ষে তেনে হিংস্ৰতা প্ৰত্যক্ষ কৰা শিশুসকলৰ মনত অপৰাধ-প্ৰৱণতা স্বয়ংক্ৰিয়ভাৱে গঢ় লৈ উঠে।

শিশুৰ ব্যক্তিত্ব বিকাশত আনুষ্ঠানিক শিক্ষাব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পঢ়াশালিৰ সামগ্ৰিক পৰিবেশে শিশুৰ ব্যক্তিত্বত ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশতে প্ৰভাৱ পেলায়। একঘেয়ামী আৰু বাস্তৱ-বিবৰ্জিত আকৰ্ষণবিহীন পাঠ্যক্ৰম, বিদ্যালয় কৰ্তৃপক্ষৰ শিথিল নীতি-নিয়ম আৰু অনুশাসনহীনতা, শিক্ষকসকলৰ দমনমূলক নীতি, অৱজ্ঞা, ৰূঢ় আৰু বৈষম্যমূলক আচৰণ ইত্যাদিয়েও শিশু-শিক্ষাৰ্থীসকলক বিদ্ৰোহী কৰি তোলে। বিভিন্ন পৰিবেশৰ পৰা অহা সতীৰ্থসকলৰ মাজত গা-কৰি উঠা মতবিৰোধ, শিক্ষকসকলৰ আদৰ্শহীনতা, পাঠ্যক্ৰমত নৈতিক শিক্ষাৰ (পাঠৰ) অনুপস্থিতি এনেবোৰ দুৰ্বলতাৰ বাবে

যদি আনুষ্ঠানিক শিক্ষাব্যৱস্থা শিশু শিক্ষাৰ্থীৰ প্ৰয়োজন পূৰণত ব্যৰ্থ হয় সেই অতৃপ্তি আৰু অপ্ৰাপ্তিয়েও শিশুক ক্ৰমান্বয়ে গোটেই ব্যৱস্থাটোৰ প্ৰতি আনুগত্যবিহীন কৰি তোলে। এই অশ্ৰদ্ধাবোধৰ পৰাই অপৰাধ প্ৰৱণতাৰ জন্ম হয়।

অভিভাৱকৰ অনুপস্থিতিও ক্ৰমবৰ্দ্ধিত শিশুৰ অপৰাধ প্ৰৱণতাৰ অন্যতম কাৰণ। এনে এটা সময় আছিল যেতিয়া কোনো শিশু বা ছাত্ৰ-ছাত্ৰীয়ে বাটে-পথে বা অনুষ্ঠান-প্ৰতিষ্ঠানত কিবা অশালীন আচৰণ প্ৰদৰ্শন কৰিলে বয়োজ্যেষ্ঠ এচাম লোকে (কাৰ ল'ৰা-ছোৱালী সেইটোলৈ গুৰুত্ব নিদি) তাক আঙুলিয়াই দিছিল বা সংশোধন কৰিবলৈ বাধ্য কৰিছিল। কিছুসংখ্যক তেনে উমৈহতীয়া অভিভাৱকে তেওঁলোকৰ দৃষ্টিগোচৰ হোৱা শিশুসকলৰ ভাল-বেয়া সকলো দিশ সম্পৰ্কে নিজ নিজ পৰিয়ালক জনাইছিল। সময় সলনি হৈছে। আজিৰ আত্মকেন্দ্ৰিক সমাজত আনৰ ল'ৰা-ছোৱালীক লৈ কোনেও মূৰ নঘমায়। কোনোবাই কিবা আঙুলিয়াই দিলেও বেয়া পায়—নিজৰ ল'ৰা-ছোৱালীকেইটা আনতকৈ ভাল বুলিয়েই আজিৰ অভিভাৱকৰ ধাৰণা। তেনে ধৰণৰ সদ্ভাৱ-সহযোগিতা নথকা বাবেও বহুতো শিশু পিতৃ-মাতৃৰ অগোচৰে বিপথে গমন কৰে।

অপৰাধ প্ৰৱণ মানসিকতাৰ পৰা শিশুসকলক সুৰক্ষিত কৰিবলৈ হ'লে অভিভাৱক, শিক্ষক, সচেতন নাগৰিক আৰু স্বেচ্ছাসেৱী সংগঠনসমূহে যৌথ প্ৰচেষ্টা হাতত ল'ব লাগিব। এই ক্ষেত্ৰত অভিভাৱকৰ ভূমিকা হ'ব অপৰিসীম। তেওঁলোক শিশুৰ মনঃস্তত্ত্ব সম্পৰ্কে সচেতন হ'ব লাগিব। অৰ্থাৎ শিশুৰ চাল-চলন, আচৰণ, প্ৰয়োজন ইত্যাদি দিশত গুৰুত্ব দিয়াৰ উপৰিও আৱেগিক নিৰাপত্তা প্ৰদান কৰিব লাগিব। মানসিকভাৱে সুস্থ সবল কৰি তুলিবলৈ শিশুসকলক সৎ আদৰ্শ আৰু সু-ৰুচিৰ প্ৰতি আকৃষ্ট কৰিব লাগিব। এই সাৱধানতাখিনি লবৰ বাবে বহুতো টকা-পইচা , সা-সম্পদৰ প্ৰয়োজন নাই। মাত্ৰ অভিভাৱকসকল পাৰ্যমানে নিজে সৎ হ'ব লাগিব আৰু তেওঁলোকৰ স্বভাৱসুলভ দুৰ্বলতাসমূহ শিশুৰ দৃষ্টিৰ পৰা দূৰত ৰাখিব লাগিব। সেইদৰে বিদ্যালয়ৰ সামগ্ৰিক পৰিবেশো উন্নত কৰাৰ প্ৰচেষ্টা হাতত ল'ব লাগিব। শিক্ষাগুৰুসকল সকলো শিশুৰ বাবেই আদৰ্শ ব্যক্তি । এনে ক্ষেত্ৰত শিক্ষাগুৰুসকল সকলোৰে প্ৰতি সমভাৱাপন্ন হোৱাৰ উপৰিও বয়স, অভিজ্ঞতা, আগ্ৰহ, পাৰিবাৰিক পৰিৱেশ আৰু সামাজিক পটভূমি অনুসৰি শিশুসকলক সেইমতে গঢ় দিয়াৰ প্ৰচেষ্টাত ব্ৰতী হ'ব লাগিব। মৰম-চেনেহেৰে শিশু-অন্তৰ জয় কৰিব পাৰিলেহে গুৰুসকলৰ প্ৰতিও তেওঁলোকৰ শ্ৰদ্ধা অটুট থাকিব, কাৰণ শ্ৰদ্ধাবিহীন শিক্ষা অসম্পূৰ্ণ। সেইদৰে বিদ্যালয়ৰ পাঠ্যক্ৰমো বাস্তৱমুখী হোৱা প্ৰয়োজন যাতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আকৰ্ষণীয় হয়। শিক্ষণ ব্যৱস্থাও আগ্ৰহ উদ্ৰেককাৰী হোৱা উচিত। শৈক্ষিক আৰু সহঃ শৈক্ষিক সকলো ক্ষেত্ৰতে শিক্ষাৰ্থীসকলক সমদৃষ্টিৰে চালে শিশু-শিক্ষাৰ্থীৰ মনলৈ নিসঙ্গতা আৰু বিচ্ছিন্নতাবাদী ভাব নাহিব বুলি অনুমান কৰিব পাৰি। যদিওবা এতিয়ালৈকে পাঠ্যক্ৰমত প্ৰৱৰ্তন কৰা হোৱা নাই, তথাপি (সুপৰিকল্পিতভাৱে) সুৰুচিপূৰ্ণ যৌন শিক্ষা প্ৰদানৰ জৰিয়তেও শিশুসকলক বিকৃত যৌনচেতনা আৰু তেনে অপৰাধ প্ৰৱণ মানসিকতাৰ পৰা মুক্ত কৰিব পৰা যাব। বয়সৰ স্তৰ অনুসৰি প্ৰণালীবদ্ধভাৱে নৈতিক শিক্ষা প্ৰদান কৰা ব্যৱস্থাটো কাৰ্যকৰী কৰাৰ প্ৰয়োজন হৈছে। শৈশৱ কালছোৱা যথেষ্ট স্পৰ্শকাতৰ আৰু এই বয়সত স্মৃতি শক্তিও তীক্ষ্ণ হৈ থাকে। গতিকে এনে সময়ত কোনো মহৎ আদৰ্শৰ প্ৰতি আকৃষ্ট কৰিব পাৰিলে, যুগজয়ী পুৰুষসকলৰ প্ৰজ্ঞা আৰু সাধনাৰ বিষয়ে অৱগত কৰাব পাৰিলে তেওঁলোক সক্ৰিয়ভাৱে উজ্জ্বল পথৰ সন্ধানত অগ্ৰসৰ হ'ব।

শিশুৰ অপৰাধ প্ৰৱণতাৰ সকলো দিশ বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হয় যে ইয়াৰ বাবে সমগ্ৰ সমাজ ব্যৱস্থাটোৱেই জগৰীয়া। দুৰ্নীতিগ্ৰস্ত-ৰুগ্ন

সমাজৰ পটভূমিত শিশুৰ স্বাভাৱিক মানসিক বিকাশ সম্ভৱ নহয়। অলপতে বাতৰি-কাকতত পঢ়িবলৈ পালো ছোমালিয়াৰ ৰাজপথত উদ্যত মাৰণাস্ত্ৰ লৈ দহ-বাৰ বছৰীয়া কিশোৰে যাত্ৰীবাহী বাছ ৰখাই যাত্ৰীসকলক অত্যাচাৰ কৰা কাহিনী। ভাৰতকে ধৰি দক্ষিণপূব এছিয়াৰ প্ৰায়বোৰ দেশতে আজি যি আভ্যন্তৰিণ সংকটে দেখা দিছে তাৰ প্ৰথম বলি হ'বলগীয়া হৈছে শিশুসকল। ৰাষ্ট্ৰীয় আন্তৰাষ্ট্ৰীয় পৰ্যায়ত শিশু-শ্ৰমিক নিয়োগৰ বিপক্ষে যথেষ্ট কঠোৰ আইন-কানুন বলবৎ কৰা স্বত্বেও দৰিদ্ৰতাৰ বাবে বহুতো পিতৃ-মাতৃয়ে আঠ-ন বছৰীয়া কিশোৰ-কিশোৰীক বিক্ৰী কৰিছে বা বন্ধকত হৈছে। কল্যাণকামী ৰাষ্ট্ৰ বুলি ঢাক-ঢোল বজাই থকা দেশতো শিশু শ্ৰমিকৰ সংখ্যাই বিপদসীমা অতিক্ৰম কৰিছে। বুজন সংখ্যক শিশুৱে যেতিয়া তাৰ চৌদিশে অনৱৰতে অন্যায়-অনীতি প্ৰত্যক্ষ কৰে আৰু ক্ষমতাহীন উত্তপ্ত সময়কুণ্ডৰ মাজেৰে পদচাৰণ কৰিবলগীয়া হয় তেতিয়া প্ৰচলিত বিশ্বাস-বান্ধোনৰ প্ৰতি আস্থা হেৰুৱাবলৈ লয়। ফলত অপৰাধী কাৰ্যকলাপৰ প্ৰতি আসক্ত হয়।

সম্প্ৰতি শিশুৰ অপৰাধ ৰোধ কৰাৰ অৰ্থে বিভিন্ন আইনী ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। কিন্তু সামাজিক পৰিৱেশ সুস্থ নহলে, নিজৰ নিজৰ দোষখিনি প্ৰত্যেকেই ঢাকি ৰখাৰ অপচেষ্টাত ব্ৰতী হ'লে এই মহাব্যাধিয়ে হয়তো অদূৰ ভৱিষ্যতে কালান্তক ৰূপ ধাৰণ কৰিব। ভাৰতৰ দৰে দেশৰ কথা আৰু সুকীয়া ; য'ত শান্তি আৰু সুৰক্ষাৰ নামত ৰাষ্ট্ৰই নিজে সন্ত্ৰাসৰ পোহাৰ মেলে, চন্দ্ৰাৰোহণৰ স্বপ্ন আৰু ভাষা-ধৰ্মৰ সংঘাত য'ত সমান্তৰালভাৱে চলে, য'ত প্ৰতিখন আইনৰ পিছদুৱাৰ থাকে, প্ৰতিখন উন্নয়নমূলক আঁচনিয়ে য'ত সমাজৰ 'মাখন তৰপ' টোকহে উপকৃত কৰে—তেনে এখন দেশত খাদ্যবিহীন আৰু বস্ত্ৰবিহীন শিশুৰ বিননি অৰণ্যৰোদনত পৰিণত হোৱাটো স্বাভাৱিক। অসমৰ পৰিস্থিতিটো আৰু পুতৌজনক। এনে ক্ষেত্ৰত সৰ্বসাধাৰণ লোকেহে মুখ্য ভূমিকা ল'ব লাগিব। প্ৰতিখন ঘৰ, প্ৰতিটো চুবুৰী তথা প্ৰতিটো অঞ্চল শিশুৰ সৰ্বাঙ্গীন বিকাশৰ উপযোগীকৈ গঢ় দিবলৈ হ'লে আমি সকলোৱেই স্বাভিমান ত্যাগ কৰি উমৈহতীয়া প্ৰচেষ্টা চলাব লাগিব। “আজিৰ শিশু ভৱিষ্যতৰ সূৰ্য” বুলি উদাত্ত শ্লো'গানেৰে কেৱল শিশুদিৱসৰ দিনা শিশুৰ উন্নতি কৰা সম্ভৱ নহয়। দয়া, ক্ষমা, সহিষ্ণুতা, সত্যবাদিতা, পৰোপকাৰ, সমমৰ্মিতা, শ্ৰদ্ধাবোধৰ দৰে মানৱীয় প্ৰমূল্যৰ সময় সাপেক্ষ দীক্ষা-শিক্ষাৰে শিশুৰ মন-আকাশ বিকশিত কৰিবলৈ দৃঢ় পদক্ষেপ নললে অদূৰ ভৱিষ্যতে এক ক্ষয়িষ্ণু সমাজৰ নীৰৱ প্ৰত্যক্ষদৰ্শী হেৰাৰ বাহিৰে গত্যন্তৰ নাথাকিব আমাৰ।■

## গ্যেটেৰ এ'পিগ্ৰাম

- **তুমি যদি অনন্তৰ অভিমুখে আগবাঢ়িব খোজা, তেন্তে চৌদিশে সান্তৰ সন্ধান কৰা**
- **যি মানুহে জীৱনটোক লৈ খেল কৰে; তেওঁৰ দ্বাৰা কোনো কাম কৰা নহ'ব। যি মানুহে নিজকে শাসন কৰিব নোৱাৰে, তেওঁ চিৰকাল দাস হৈ ৰ'ব।**
- **যি মানুহে ভালপোৱাৰ আৰু ভুল কৰাৰ শক্তি হেৰুৱাই পেলাইছে, তেনে মানুহ তুৰন্তে মৰি যোৱাই ভাল।**
- **মানুহৰ প্ৰতিভা বিকাশ হয় নিৰ্জনতাত, কিন্তু চৰিত্ৰ গঠন হয় জনতাৰ হেঁচা-ঠেলাৰ মাজত।**
- **তিৰোতাৰ লগত সামাজিক সম্পৰ্কই হ'ল সদাচাৰৰ মূলমন্ত্ৰ।**

জিজ্ঞাসা ঃ হোমেন বৰগোহাঞি

# দিল্লীত এভূমুকি

**জীৱকান্ত নাথ**

ভগৱান কৃষ্ণৰ জীৱনৰ অমৃতময় কাহিনীৰে বিজড়িত যমুনা নৈ। এইখন যমুনা নৈৰ দক্ষিণ পাৰতেই অৱস্থিত বৰ্তমান ভাৰতৰ ৰাজধানী মনোৰম দিল্লী মহানগৰী। দিল্লী মহানগৰীৰ মহাভাৰতৰ যুগৰ নাম আছিল হস্তিনাপুৰ। হস্তিনাপুৰ বৰ্তমান দিল্লীৰ উত্তৰ-পূব ফালে অৱস্থিত আৰু দিল্লীৰ পৰা ৫৭ মাইল নিলগত। হস্তিনাপুৰ কৌৰৱসকলৰ ৰাজধানী আছিল। হস্তিনাপুৰৰ পৰা আঁতৰত আন এখন নগৰ আছিল আৰু ইয়াৰ নাম ইন্দ্ৰপ্ৰস্থ। এই ইন্দ্ৰপ্ৰস্থকেই বৰ্তমান পুৰণি দিল্লী (Old Delhi) বুলি জনা যায়। ইন্দ্ৰপ্ৰস্থখনআছিল পাণ্ডৱসকলৰ নগৰ। ধৃতৰাষ্ট্ৰই পাণ্ডৱক অৰ্দ্ধৰাজ্য দি খাণ্ডৱপ্ৰস্তত অৰ্থাৎ খাণ্ডৱ অৰণ্যত বাস কৰিবলৈ অনুমতি দিছিল। এই নগৰ পাণ্ডৱসকলে প্ৰতিষ্ঠা কৰিছিল। জনবিশ্বাস মতে ইয়াত ইন্দ্ৰই বিষ্ণুপূজা কৰিছিল কাৰণে ইন্দ্ৰপ্ৰস্থ নামটো খ্যাত হয়। ইয়াত মৃত্যু হ'লে বিষ্ণুতুল্য হয় বুলি লোকবিশ্বাস আছে।

পুৰণি কালত দিল্লী ৰাজধানী থকাৰ পিছত মধ্যযুগৰ ভাৰতবৰ্ষতো দিল্লী ভাৰতৰ ৰাজধানী আছিল। ভাৰত বুৰঞ্জীৰ মধ্য যুগ বুলি ক'লে ভাৰতত তুৰ্কী চুলতানসকলৰ শাসনৰ পৰা মোগল সাম্ৰাজ্যৰ পতনলৈকে এই কালছোৱাকে বুজায়। ১২০৬ খৃষ্টাব্দত কুতুবুদ্দিন আইবাক নামৰ এজন শাসকে দিল্লীত তুৰ্কী মুছলমান শাসন প্ৰতিষ্ঠা কৰিছিল। মধ্যযুগত চুলতানী আমোলত দিল্লীত পাঁচটা ৰাজবংশই শাসন চলাইছিল। তেওঁলোক হ'ল ক্ৰমে (১) দাস বংশ (১২০৫--১২৯০), (২) খিল্‌জী বংশ (১২৯০--১৩২০), (৩) টোগলক বংশ (১৩২০--১৪১৩), (৪) ছৈয়দ বংশ (১৪১৩--১৫২৬) আৰু (৫) লোডী বংশ (১৪১৩--১৫২৬)। ১৫২৬ খ্ৰষ্টাব্দত আক্ৰমণকাৰী বাবৰে লোডী বংশৰ শেষৰজন শাসক ইব্ৰাহিমলোডীক পাণিপথৰ প্ৰথম যুদ্ধত পৰাস্ত কৰি ভাৰতত মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰে। বৃটিছসকলৰ আগমনৰ লগে লগে ভাৰতত মোগল সাম্ৰাজ্যৰ অৱসান ঘটে আৰু এটি নতুন শানৰ সূচনা হয়।

মহাভাৰতৰ যুগৰ পৰা বৰ্তমানলৈকে দিল্লীক ভাৰতৰ ৰাজধানী হিচাপে নিৰ্বাচন কৰাৰো কাৰণ নোহোৱা নহয়। দিল্লীক শাসকবৰ্গই ৰাজধানীৰ স্থান হিচাপে বাছি লোৱাৰ গুৰিতেই আছিল ইয়াৰ ভৌগোলিক অৱস্থিতি। যুদ্ধৰ ৰণ কৌশল প্ৰস্তুত কৰিবৰ বাবে তথা শত্ৰু পক্ষক বাধা দিবৰ বাবে ভৌগোলিকভাৱে দিল্লী আছিল অতি সুসংৰক্ষিত স্থান। অৱশ্যে ইয়াৰ প্ৰাকৃতিক দৃশ্যৰাজিয়েও নিশ্চয় শাসকবৰ্গক আকৰ্ষণ কৰিছিল। এইখিনিতেই এটা কথা উল্লেখযোগ্য যে আধুনিক কালত বৃটিছসকলে কিন্তু প্ৰথমে কলিকতাকহে ভাৰতৰ ৰাজধানী ৰূপে স্বীকৃতি দি তাৰ পৰাই দেশৰ প্ৰশাসনৰ কাম-কাজ চলাই আছিল। ১৯১১ চনতহে দিল্লীক ভাৰতৰ ৰাজধানীৰূপ নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত লৈছিল আৰু কলিকতাৰ পৰা দিল্লীলৈ ভাৰতৰ ৰাজধানী স্থানান্তৰ কৰিছিল।

দিল্লী মহানগৰীৰ সৰ্বমুঠ মাটিৰ কালি ১৪৮৩ বৰ্গ কিলোমিটাৰ। ১৯৯৪ চনৰ লোকপিয়ল মতে দিল্লীৰ জনসংখ্যা ১০ নিযুত। বৰ্তমান ইয়াৰ কেইবা গুণো বৃদ্ধি পাই দিল্লী মহানগৰী জনাৰণ্যত পৰিণত হৈছে। ভৌগোলিকভাৱে ২৮.৩৬ উত্তৰ দ্ৰাঘিমাংশ আৰু ৭৭.১৩ পূব দ্ৰাঘিমাংশত দিল্লী মহানগৰী অৱস্থিত। দিল্লী পূৰ্বতে কেন্দ্ৰীয় শাসিত ৰাজ্যহে আছিল। বৰ্তমান সাতখন জিলাৰে গঠিত এখন ৰাজ্য হিচাপে দিল্লীৰ শাসন কাৰ্য পৰিচালিত হয়। দিল্লী ভাৰতৰো ৰাজধানী হোৱাৰ বাবে দিল্লী ৰাজ্যখনৰ

গুৰুত্ব আন ৰাজ্যতকৈ অধিক।

হস্তশিল্প আৰু আধুনিক যুগৰ বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰে নিৰ্মিত বিভিন্ন উদ্যোগৰ বাবে দিল্লী বিখ্যাত। সোণ আৰু ৰূপৰ আ-অলংকাৰৰ বাবে দিল্লী বিশ্বতেই জনাজাত। পুৰণি দিল্লীৰ চান্দ্‌নী চৌকৰ চিলভাৰ ষ্ট্ৰীটত সোণ-ৰূপৰ চালে চকুৰোৱা ডাঙৰ ডাঙৰ দোকানবোৰ ভ্ৰমণকাৰীৰো আকৰ্ষণৰ কেন্দ্ৰবিন্দু।

দিল্লীৰ যাতায়ত ব্যৱস্থা অতি সুচল। দিল্লীৰ পৰা ভাৰতৰ প্ৰায় সকলো ঠাইলৈকে ৰেলসেৱা, বাছসেৱা আৰু বায়ুসেৱাৰ ব্যৱস্থা আছে। দিল্লীৰ ৰেলসেৱা ভাৰতৰ ভিতৰতে অন্যতম। ভাৰতৰ সকলো ঠাইলৈকে দিল্লীৰ পৰা ৰেলেৰে ভ্ৰমণ কৰাৰ ব্যৱস্থা আছে। দিল্লী ভাৰতীয় ৰেলসেৱাৰ উত্তৰ মণ্ডল। ভাৰতৰ বিভিন্ন স্থানলৈ আৰু বিশ্বৰ গুৰুত্বপূৰ্ণ স্থানসমূহলৈ যাবলৈ দিল্লীত দুটা বিমান বন্দৰ আছে; ইয়াৰে এটাৰ নাম পালাম আৰু আনটোৰ নাম চফডৰজং বিমান বন্দৰ। আন্তৰ্জাতিক ৰাজনৈতিক কেন্দ্ৰৰূপে দিল্লীৰ স্থান বিশ্বদৰবাৰত অতি গুৰুত্বপূৰ্ণ। বিশ্বৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্ত (High Commisioner) সকলৰ কাৰ্যালয়সমূহ দিল্লী মহানগৰীতেই অৱস্থিত।

মাটিৰ তলেৰে চলা ৰেল (Metro Train) ৰ বাবেও দিল্লী জনাজাত। অৱশ্যে এনে ৰেলপথ দিল্লীতকৈ কলিকতাত আগতেই নিৰ্মাণ কৰা হৈছিল। দিল্লীৰ মাটিৰ তলৰ ৰেলপথ বৰ্তমান এটাহে আছে। কেন্দ্ৰীয় সচিবালয় (Central Secretariate)ৰ পৰা দিল্লী বিশ্ববিদ্যালয়লৈকে সৰ্বমুঠ এঘাৰটা ষ্টেচনেৰে এই ৰেলপথ। মাটিৰ তলৰ ৰেলপথটো আৰু ৰেলখন এয়াৰ কনডিচনড্। মাটিৰ ওপৰেদি চলা মেট্ৰ' ট্ৰেইনবোৰো বৰ সুন্দৰ। বৰ্তমান দিল্লীত মাটিৰ তলেৰে চলিবলগীয়া ৰেলপথৰ সম্প্ৰসাৰণ যুদ্ধকালীন ক্ষিপ্ৰতাৰে কৰি আছে। দিল্লী মহানগৰীৰ বাসিন্দাসকলৰ বাবে মেট্ৰ' টেইন এক সুচল আৰু কম খৰছী যাতায়তী ব্যৱস্থা। সেয়েহে ইয়াৰ ছাত্ৰ-ছাত্ৰী আৰু বাসিন্দাসকলে মেট্ৰ' ট্ৰেইনৰ যোগেদি স্কুল-কলেজ, কাৰ্যালয়, বজাৰ-সমাৰকে আদি কৰি সকলো স্থানলৈকে যাতায়ত কৰিব পাৰে। মেট্ৰ' টেইনৰ সমানে সমানে ফেৰ মাৰি মহানগৰীৰ চিটি বাছবোৰেও যাত্ৰীসকলৰ সুবিধাৰ্থে অহৰহ সেৱা আগবঢ়াই আহিছে। চিটিবাছবোৰ ওখ ওখ আৰু আহল-বহল। বাছবোৰত থকা নম্বৰবোৰেহে কোনখন বাছ ক'লৈ যায় তাৰ নিৰ্ণয় কৰে। গন্তব্য স্থানৰ সাধাৰণতে নাম লিখা নাথাকে। সেয়েহে নতুন যাত্ৰীৰ বাবে কিছু অসুবিধা হয়। যাতায়তীৰ বাবে ইয়াৰ বাহিৰেও হাজাৰ হাজাৰ অট'ৰিক্সা আৰু ৰিক্সাই সেৱা আগবঢ়াই আছে।

দিল্লী বৰ্তমান ভাৰতৰ প্ৰধান শিক্ষাকেন্দ্ৰৰূপে পৰিগণিত হৈছে। দেশ-বিদেশৰ হাজাৰ-বিজাৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতি বছৰে দিল্লীত বিভিন্ন বিষয়ৰ অধ্যয়ন কৰিবলৈ আহে। দিল্লী বিশ্ববিদ্যালয়, জৱহৰলাল নেহৰু বিশ্ববিদ্যালয়, জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয় আৰু ইন্দ্ৰপ্ৰস্থ বিশ্ববিদ্যালয় নামে চাৰিখন বিশ্ববিদ্যালয় আছে। ইয়াৰ ভিতৰত দিল্লী বিশ্ববিদ্যালয় আৰু জৱহৰলাল নেহৰু বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকল অধিক আগ্ৰহী। জৱহৰলাল নেহৰু বিশ্ববিদ্যালয়ত কেৱল স্নাতকোত্তৰ শ্ৰেণীহে আছে আৰু গৱেষণাৰ কৰ্ম সম্পাদিত হয়। দিল্লী বিশ্ববিদ্যালয়ৰ অধীনত কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ প্ৰায় ৭২খন মহাবিদ্যালয় আছে। ইয়াত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰু এম. ফিল., পিএইছ.ডি. আদি ডিগ্ৰীৰ বাবে গৱেষণা কৰাৰ সুবিধা আছে। অভিযান্ত্ৰিক মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আদি বিবিধ বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ শিক্ষানুষ্ঠানসমূহৰ বাবেও অধ্যয়ন কেন্দ্ৰ ৰূপে দেশৰ ভিতৰতে জনাজাত।

বুৰঞ্জী প্ৰসিদ্ধ প্ৰাচীন কীৰ্তিচিহ্নসমূহে দিল্লী মহানগৰীক এক বিশেষ মৰ্যাদা আৰু ঐতিহ্য প্ৰদান কৰি আহিছে। মোগলৰ ৰাজত্ব কালত আৰু তাৰ পূৰ্বে আৰু আধুনিক যুগতো বহুতো কীৰ্তিস্তম্ভ নিৰ্মাণ কৰা হৈছে। এইবিলাকৰ ভিতৰত লালকিল্লা, কুতুবমিনাৰ, জামা মজজিদ, ইণ্ডিয়া গেট, হুমায়ুন টম্ব, ৰাষ্ট্ৰপতি ভৱন, সফদৰজংগ টম্ব, ৰাজঘাট, ফিৰোজশ্বাহ কোটলা, লটাছ টেম্প'ল, জন্তৰ-মন্তৰ, সংসদ ভৱন, তিন মূৰ্তি ভৱন, লৌহ স্তম্ভ, মৌতি মজজিদ আদিয়েই প্ৰধান।

**লালকিল্লা** (Red Fort) ১৬৩৯ খৃষ্টাব্দত সম্ৰাট ছাহজাহানে নিৰ্মাণ কৰিছিল। আগ্ৰাৰ পৰা দিল্লীলৈ ৰাজধানী স্থানান্তৰিত কৰা কালতেই এই দুৰ্গ ছাহজাহানে নিৰ্মাণ কৰিছিল। মোগলৰ ৰাজত্ব কালত নিৰ্মাণ কৰা লালকিল্লাৰ এক বৃহৎ আৰু বিখ্যাত প্ৰাসাদ। ছাহজাহানে নিৰ্মাণ কৰি যোৱাৰ পৰৱৰ্তী



কালত ইয়াৰ আকৃতি-প্ৰকৃতিৰ বহুত পৰিৱৰ্তন সাধন কৰা হৈছে। সম্ৰাট ঔৰংগজেব আৰু তেওঁৰ পিছৰ ৰজাসকলৰ দিনৰ পৰা ১৮৫৭ চনৰ প্ৰথম স্বাধীনতা আন্দোলনৰ সময়লৈকে লালকিল্লাৰ বহু আকৃতিগত পৰিৱৰ্তন ঘটিছে। ইয়াৰ নাম লালকিল্লা এই কাৰণেই যে 'লাল' মানে 'ৰঙা' আৰু 'কিল্লা' শব্দটোৰ অৰ্থ হ'ল 'দুৰ্গ' অৰ্থাৎ ৰঙা দুৰ্গ। এই দুৰ্গ ৰঙা মাৰ্বল পাথৰেৰে নিৰ্মিত। অসামান্য অষ্ট্ৰকোণীয় আকৃতিৰে যমুনা নৈৰ লগতে দুই কিলোমিটাৰ জোৰা ক্ষেত্ৰত ইয়াক নিৰ্মাণ কৰা হৈছে। ২.৪ কিলোমিটাৰ দীঘলীয়া পকা দেৱালে ইয়াৰ চাৰিও দিশ আগুৰি আছে। লালকিল্লাত প্ৰৱেশ কৰিবৰ বাবে দুখন প্ৰধান প্ৰৱেশ পথ আছে-- এখন 'দিল্লী গেট' আৰু আনখন 'লাহোৰ গেট'। ইয়াৰ বাহিৰেও 'হাথী গেট' নামৰ আৰু এখন দুৱাৰ আছে। ৰভাঘৰ (Pavilion), চলা ফুৰা কৰা ঠেক পথ (Track), দোকান-পোহাৰ, দুটা সংগ্ৰাহলয়, মাৰ্বলেৰে তৈয়াৰী মৌতি মজজিদ আৰু যুদ্ধৰ স্মাৰক আদি সংযোজনেৰে ইয়াক বৰ্তমানেও নৱ নৱ ৰূপ দি থকা হৈছে। লালকিল্লাৰ ভিতৰ চ'ৰাত নৌবতখানা, দেৱান-ই-আম, দেৱান-ই-খাস, ৰং মহল, খাস মহল আদি অন্যান্য প্ৰসাদ নিৰ্মাণ কৰা হৈছে। ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা দিৱসত ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী জৱহৰলাল নেহৰুয়ে জাতীয় পতাকা উত্তোলন কৰা দিনৰে পৰা আজিলৈকে ভাৰতৰ প্ৰত্যেকজন প্ৰধান মন্ত্ৰীয়েই পৰম্পৰা ৰক্ষা কৰি ইয়াত উক্ত পৱিত্ৰ দিনটোত জাতীয় পতাকা উত্তোলন কৰি আহিছে। দৰ্শনাৰ্থীৰ বাবে লালকিল্লা পুৱা ১০ বজাৰ পৰা সন্ধ্যা ৮ বজালৈকে খোলা থাকে।

দিল্লীৰ প্ৰসিদ্ধ কীৰ্তিচিহ্নসমূহৰ ভিতৰত **কুতুবমিনাৰ** অন্যতম। কুতুবমিনাৰৰ উচ্চতা হ'ল ৯২.৫ মিটাৰ। ভূমিভাগত ইয়াৰ ব্যাসাৰ্দ্ধ হ'ল ১৪.৪ মিটাৰ আৰু একেবাৰে ওপৰত ২.৪ মিটাৰ। পাঁচ খলপা থকা মিনাৰটো তিনিমহল ৰঙা পাথৰেৰে নিৰ্মিত আৰু দুটা মহল মাৰ্বল আৰু ৰঙা পাথৰেৰে নিৰ্মিত। কুতুবমিনাৰটো একেজন ৰজাৰ শাসন কালতে সম্পূৰ্ণৰূপে নিৰ্মিত হোৱা নাছিল। ইয়াৰ প্ৰথম খণ্ডটো নিৰ্মাণ কৰিছিল মহাৰাজ পৃথ্বীৰাজ চৌহানে। দ্বিতীয়টো খণ্ড নিৰ্মাণ কৰিছিল ১১৯৩ চনত দাস বংশৰ প্ৰতিষ্ঠিতা কুতুবুদ্দিনে। কুতুবুদ্দিনে নিৰ্মাণ কৰাৰ বাবে তেওঁৰ জীৱিত কালতেই ইয়াৰ নাম ৰখা হৈছিল কুতুবমিনাৰ। কুতুবুদ্দিনৰ মৃত্যুৰ পিছত তেওঁৰ উত্তৰাধিকাৰী শমশুদ্দিন ইল্টুতমিশে ইয়াৰ বাকী খণ্ডকেইটা নিৰ্মাণ কৰি সম্পূৰ্ণ কৰি তোলে। মিনাৰৰ গাত দেৱনাগৰী লিপিত লিখা মতে ১৩২৬ চনত মিনাৰটোৰ কিছু ক্ষতিসাধন হৈছিল। অৱশ্যে পিছত মহম্মদ বিন টোগলকে ক্ষতিগ্ৰস্ত অংশবিলাকৰ পুনৰ্নিৰ্মাণৰ কাম কৰি ইয়াক সংৰক্ষিত কৰে। ইয়াৰ পিছতো ১৩৬৮ চনত ফিৰোজশ্বাহে ওপৰৰ কিছু অংশ নিৰ্মাণ কৰিছিল। যি নহওক, ইছলামীয় স্থাপত্য শিল্পৰ ই এক অপূৰ্ব নিদৰ্শন।



ৰঙা পাথৰেৰে তৈয়াৰী **জামা মজজিদ** মোগল ৰাজত্ব কালৰ এক বিশেষ মজজিদ। এইটো মজ্‌জিদ ভাৰতবৰ্ষৰ ভিতৰতেই প্ৰসিদ্ধ। ১৬৪৪ চনত ছাহজাহানে এই মজ্‌জিদ আৰম্ভ কৰিছিল। ইয়াৰ কাম সম্পূৰ্ণ কৰিবলৈ পাঁচ হাজাৰ কৰ্মীক প্ৰায় ছবছৰৰ



প্ৰয়োজন হৈছিল। মজজিদৰ কাষত দুটা মিনাৰো আছে। মিনাৰৰ উচ্চতা ১৬০ ফুট। ইয়াৰ তিনিটা পথ আছে। পূবৰ পথটো বৰ বিশাল। যিটোক বাদশ্বাহী পথ বোলা হয়। মজ্‌জিদৰ সমুখত থকা এক বৃহৎ পুখুৰীৰে ইয়াৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰিছে।

১৯৩১ চনত প্ৰথম বিশ্বযুদ্ধত শ্বহীদ হোৱা ভাৰতৰ সেনানী বীৰসকলৰ স্মৃতি যুগমীয়া কৰাৰ অৰ্থে **'ইণ্ডিয়া গেট'** নিৰ্মাণ কৰা হৈছিল। ১৩৫১৬ জন শ্বহীদ জোৱানৰ নাম ইয়াত খুদিত কৰা আছে। ৪২ মিটাৰ ওখ এই স্মৃতিসৌধ তোৰণৰ আৰ্হিৰে নিৰ্মাণ কৰা হৈছে। ১৯৭১ চনত ইয়াত 'জোৱান জ্যোতি' প্ৰজ্বলিত কৰা হয়, যিগছি



বন্তি একেৰাহে এতিয়ালৈকে জ্বলাই ৰখা হৈছে। ইয়াত কৌশল খটুৱাই লগোৱা লাইটৰ বাবে ৰাতি ইয়াৰ সৌন্দৰ্য অদ্ভুতভাৱে পৰিদৃশ্যমান হয়।

কাষত দেখা ছবিখন হ'ল **ৰাষ্ট্ৰপতি ভৱন**। এই অদ্ভুত আৰু বিশাল ভৱনটি ৰায়সিনা পাহাৰত অৱস্থিত। ভাৰতৰ ৰাষ্ট্ৰপতি ভৱনটি বিশ্বৰ বিশাল ঘৰসমূহৰ ভিতৰতেই অন্যতম। ৩৩০ একৰ মাটিত নিৰ্মিত এই বিশাল ভৱনটিৰ ডিজাইন প্ৰস্তুত কৰিছিল চাৰ এডবিন ল্যুটন্সয়ে। এই ভৱনটিৰ ভিতৰত আছে ৩৪০টা কোঠা, ৭৪ খন বাৰান্দা, ৩৭টা সভাগৃহ। ভৱনটিৰ পৰা চাৰিওদিশে এক কিলোমিটাৰ খালী ঠাই, ১৮টা পথ, ২২৭টা খুটা আৰু ৩৭ টা পানীৰ ফোৰাৰা। ৰাষ্ট্ৰপতি ভৱনৰ পিছফালে এখন বিশাল



ফুলৰ বাগিচা, যিখন ফেব্ৰুৱাৰী মাহৰ পৰা জনতাৰ বাবে খুলি দিয়া হয়। ৰাষ্ট্ৰপতিৰ সকলো ৰাজকীয় কাম-কাজ এই ভৱনটিতে অনুষ্ঠিত কৰা হয়।

দিল্লীত ভ্ৰমণ কৰিবলগীয়া বিশেষ স্থানসমূহৰ ভিতৰত আন এখনি উল্লেখযোগ্য স্থান হ'ল **ৰাজঘাট**। ৰাজঘাট হ'ল জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধি স্থল। ইয়াতেই ১৯৪৮ চনৰ ৩১ জানুৱাৰী তাৰিখে গান্ধীজীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হৈছিল। এই সমাধিস্থলৰ চাৰিওফালে এখনি মনোৰম উপবনৰ সৃষ্টি কৰা হৈছে। ৰাজঘাটত প্ৰতি শুক্ৰবাৰতেই এখনি প্ৰাৰ্থনা সভা অনুষ্ঠিত কৰা হয়। ৰাজঘাটৰ সমীপতে 'গান্ধী সংগ্ৰাহলয়' প্ৰতিষ্ঠা কৰা হৈছে, য'ত জাতিৰ পিতাজনে ব্যৱহাৰ কৰা সামগ্ৰীসমূহ সংৰক্ষণ কৰা হৈছে। তেওঁৰ জীৱনৰ বিভিন্ন স্মৃতিলেখাসমূহো ইয়াত সংৰক্ষণ কৰা হৈছে।

দিল্লী দৰ্শনাৰ্থীৰ বাবে এক আকৰ্ষণীয় স্থান হ'ল **'লটাছ টেম্প'ল (Lotus Temple)**। পদুম ফুলৰ আৰ্হিৰে নিৰ্মিত এই মন্দিৰটি কালকাজী পথত অৱস্থিত। বগা মাৰ্বল পাথৰেৰে নিৰ্মিত এই মন্দিৰটি নিৰ্মাণ কৰোঁতে ৫ কোটি ৯ লাখ টকা ব্যয় হৈছিল।



ইয়াক 'আধুনিক ভাৰতবৰ্ষৰ তাজমহল' বুলি কোৱা হয়। মন্দিৰটি ৪০ মিটাৰ ওখ। ইয়াত মুখ্য প্ৰাৰ্থনা কক্ষ, স্বাগত কক্ষ, প্ৰবন্ধ কক্ষ আদি অতি সুন্দৰ। এই মন্দিৰটি ঈশ্বৰ, ধৰ্ম আৰু ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰা হৈছে, য'ত সকলো ধৰ্মৰ লোকেই প্ৰাৰ্থনা কৰাৰ অধিকাৰ আছে।

**'যন্ত্ৰৰ-মন্ত্ৰৰ'** দিল্লীৰ অন্য এটি প্ৰধানভাৱে চাবলগীয়া সম্পদ। ১৭১৯ চনত জয়পুৰৰ দ্বিতীয় জয়সিংহ মহাৰাজে এই ভৱনটি নিৰ্মাণ কৰিছিল। ইয়াত মহাকাশত থকা তাৰকামণ্ডলৰ গতি-বিধি অধ্যয়ন কৰা হয়। ইয়াত ছটা যন্ত্ৰ আছে। ডাঙৰ যন্ত্ৰটোৰ



নাম 'সম্ৰাট যন্ত্ৰ'। ইয়াৰ প্ৰধান কাম হ'ল সূৰ্যৰ গতিৰ গণনা কৰা। অন্যান্য পাঁচটা যন্ত্ৰই বাকীবোৰ গ্ৰহ-নক্ষত্ৰৰ গণনা কৰে। ইয়াৰ চাৰিওকাষে ফুৰিবৰ বাবে সুন্দৰ মনোৰঞ্জক পৰিৱেশ বিৰাজমান। এইবিলাকৰ বাহিৰেও দিল্লীত বহু ঐতিহাসিক যুগৰ আৰু আধুনিক কালৰ বিবিধ সম্পদ ভৰি আছে, যিবোৰ চাই অসীম জ্ঞান আৰু মনোৰঞ্জন লাভ কৰিব পাৰি।■

## গ্যেটেৰ এ'পিগ্ৰাম

- ধন-সম্পত্তি হেৰুৱালে কিবা আলপ হানি হয়, সন্মান হেৰুৱালে যথেষ্ট হানি হয়, কিন্তু সাহস হেৰুৱালে জীৱনত আৰু একোৱেই বাকী নাথাকে। সাহসৰ অবিহনে জীয়াই থকাতকৈ জন্মগ্ৰহণ নকৰাই বেছি ভাল।
- আচৰণ হ'ল এখন দাপোণ, তাত মানুহৰ ৰূপটো প্ৰতিবিম্বিত হৈ উঠে।
- অল্প বুদ্ধি লোকসকলৰ আটাইতকৈ ডাঙৰ সান্তনা এয়ে  যে প্ৰতিভাশালী লোকসকল অমৰ নহয়।
- হাজাৰখন কিতাপত তুমি যিমানেই সত্যৰ সন্ধান নোপোৱাকিয়, প্ৰেমে সেইবোৰক মালাৰ দৰে গাঁঠি নাৰাখিলে সি অৰ্থহীন বেবেৰিবাঙৰ বাহিৰে আন একো নহ'ব।
- কোনোবা মানুহ যেতিয়া আমাৰ অলহী হৈ আহে, আমি তেওঁক ভালকৈ জানিব নোৱাৰোঁ; তেওঁৰ আচল স্বৰূপটো জানিবলৈ হ'লে আমি তেওঁৰ ওচৰলৈ যাব লাগিব।

জিজ্ঞাসা ঃ হোমেন বৰগোহাঞি

# শিশুৰ শিক্ষা

**শশী বৰা**

শিশুৰ শিক্ষা বুলিলে শাৰীৰিক, মানসিক, আধ্যাত্মিক সকলো ফালৰ শিক্ষা সামৰি লোৱা হয়। শিশু জন্ম হোৱাৰ পিছত সিহঁতৰ কোনো শিক্ষাৰ ধাৰণা নাথাকে। পানীৰ আকাৰ নথকাৰ দৰেই। পানী যি পাত্ৰতে থোৱা হয় তাৰে আকাৰ লয়। এটা সদ্যজাত শিশু অলপ বুজা হোৱাৰ পৰা যি পৰিবেশত ডাঙৰ হয় তাৰেই শিক্ষা লয়। শিশুৰ ঘৰখনেই হ'ল প্ৰথম শিক্ষাৰ ঠাই। এই ক্ষেত্ৰত মাক-দেউতাকৰ কৰণীয় বহুত থাকে। সৰুৰে পৰাই ল'ৰা-ছোৱালীক পৰিষ্কাৰ-পৰিচ্ছন্নতা, পৰিপাটিতা, গুৰুৰ প্ৰতি ভক্তি, মাক-দেউতাৰ প্ৰতি শ্ৰদ্ধা আদি সকলো শিকাব লাগে। ডাঙৰৰ লগত কেনেকৈ কথা পাতিব লাগে, সৰুবিলাকক মৰম কৰাকে আদি কৰি সকলো শিক্ষাই ল'ৰা-ছোৱালীয়ে প্ৰথমে মাক-বাপেকৰ পৰাই শিকে।

যিখন ঘৰত এই সকলোবোৰ শৃঙ্খলিত হৈ থাকে সিহঁতে তাকে শিকে। যিখিনি শিকিব নোৱাৰে বা নিশিকে সেইখিনি মাক-দেউতাকে বা ডাঙৰে আঙুলিয়াই শিকাব লাগে। এজন শিশুক উপযুক্ত কৰি গঢ়িবলৈ হ'লে সিহঁতৰ সকলো দিশতে চকু ৰাখিব লাগিব।

যিখন ঘৰত ল'ৰা-ছোৱালীয়ে নিজৰ খোৱা খাদ্যখিনিয়েই নাপায়, পিন্ধিবলৈ কাপোৰ এটুকুৰা নাপায়, মাক-বাপেকৰ আদৰ-যত্ন নাপায় সেই শিশুৰ পৰা আমি কি ভাল আশা কৰিব পাৰো? যিটো পৰিবেশত সিহঁত ডাঙৰ-দীঘল হয় সেই পৰিবেশৰ ছাঁ সিহঁতৰ ওপৰত পৰে। অৱশ্যে দুই-এজন ইয়াৰ ব্যতিক্ৰমো নোহোৱা নহয়। কিছুমান ল'ৰা-ছোৱালী আছে যি নিজৰ ঘৰখনৰ দুৰৱস্থা, হাই-উৰুমিৰ পৰিবেশ, মাক-দেউতাক বা ওচৰ চুবুৰীয়াৰ কাজিয়া-পেচাল, অসভ্য আচৰণ, মুঠতে শিক্ষাৰ ভাল পৰিবেশেই তাত নাই। তৎসত্বেও তেনেকুৱা পৰিবেশৰ পৰাও দুই-এজন ভাল শিক্ষিত ল'ৰা-ছোৱালী ওলাই আহে। এইটো এটা ব্যতিক্ৰম বুলিব পাৰি।

মাক-বাপেকৰ বিচ্ছেদ, কাজিয়া আদিয়েও শিশুৰ মনত আঘাত দিয়ে। ভাল হবলৈ কোনো পৰিবেশ নোপোৱা, যিবিলাক ল'ৰা-ছোৱালীয়ে সকলো সহ্য কৰি আগুৱাই যায়, জীৱনত উন্নতি কৰে, তেওঁলোক ধন্যবাদৰ পাত্ৰ।

সৰুতেই ল'ৰা-ছোৱালীয়ে যিবোৰ শিকনি পায় সেইবোৰ ডাঙৰ হোৱালৈও থাকি যায়। আমি ভাবো ডাঙৰ হ'লে, দেখি শুনি শিকিব কিন্তু কম সংখ্যক ল'ৰা-ছোৱালীয়েহে ডাঙৰ হ'লে, দেখি-শুনি শিকে। যেনে নিজৰ কাপোৰ-কানি, কিতাপ-পত্ৰ পৰিপাটিকৈ ৰখা, নিজৰ পোছাকযোৰ স্কুলৰ পৰা আহিয়েই হওঁক বা অন্য ক'ৰবাৰ পৰা আহিয়েই হওঁক সুন্দৰকৈ খুলি পৰিপাটিকৈ থোৱা, নিজৰ জোতা-মোজা পলিচ কৰি সুন্দৰকৈ ৰখা, স্কুলৰ পৰা আহিয়েই সেইবোৰ য'ৰ বস্তু তাতেই থোৱা, কিতাপ-ফলিবোৰ স্কুলৰ পৰা আহিয়েই বেগৰ পৰা উলিয়াই পঢ়া টেবুলত যতনাই থোৱা আদি কামবোৰ সৰুৰে পৰাই শিকিলেহে ডাঙৰ হ'লেও সেইবোৰ অভ্যাস থাকি যায়। কিছুমান ল'ৰা-ছোৱালী আছে স্কুলৰ পৰা আহি বেগ এঠাইত পেলাই

থব, ইউনিৰ্ফম এঠাইত দলিয়াই দিব, জোতা এঠাইত, মোজা এঠাইত পেলাই দৌৰি গৈ ভৰি-হাত নোধোৱাকৈয়ে ভাতৰ পাতত বহিব নাইবা খেলিবলৈ দৌৰ মাৰিব। এই অভ্যাস ডাঙৰ হোৱালৈকে থাকি যায়। কেতিয়াও পৰিপাটি হ'বলৈ নিশিকে। সেয়েহে সৰুতেই মাক-দেউতাক বা অভিভাৱকে এইবোৰ অভ্যাস কৰাব লাগে। সৰুৰে পৰা শিকিলে সেই শিকনিটো ডাঙৰলৈ থাকি যায়। অৱশ্যে এইটো কোনো নতুন কথা নহয়, সকলোৱেই জানে তথাপি আমি কিছুমান কথা সোঁৰৰাই থকা ভাল বুলি ভাবো।

আজিকালি কিছুমান ল'ৰা-ছোৱালীয়ে মানুহক কেনেকুৱা ব্যৱহাৰ কৰিব লাগে নাজানে। অৱশ্যে সেইটো ল'ৰা-ছোৱালীৰ দোষ নহয়। ডাঙৰ মানুহক কেনেকৈ সম্বোধন কৰিব লাগে, কেনেকুৱা ব্যৱহাৰ কৰিব লাগে আদিও সৰুৰে পৰা শিকাই অভ্যাস কৰাব লাগে। সদাচাৰী, সত্যবাদী হবলৈ শিকাব লাগে। মহৎ লোকৰ বাণীবোৰ তেওঁলোকক শুনাব লাগে লগতে অভ্যাস কৰাব লাগে। যাতে সৰুৰে পৰাই পৰোপকাৰী, সত্যবাদী, সদালাপী, সদাচাৰী হ'ব পাৰে তালৈ চকু দিব লাগে। পঢ়া-শুনাত প্ৰথম হৈও যদি সদাচাৰী, সদালাপী, সত্যবাদী নহয়, তেতিয়াহলে সেই ল'ৰা-ছোৱালীক কোনেও ভাল পাব নোৱাৰে। আচাৰ-ব্যৱহাৰহে আচল শিক্ষা। সেইবাবে আচাৰ-ব্যৱহাৰৰ শিক্ষাও সৰুৰে পৰাই শিকাব লাগে। ল'ৰা-ছোৱালীৰ আগত কেতিয়াও আনক হুটা ব্যৱহাৰ কৰিব নালাগে আৰু মিছা কথা ক'ব নালাগে। মাক-দেউতাকে যদি দুৰ্নীতি কৰি টকা ঘটে, মিছা কথা কয় আনক হুটা ব্যৱহাৰ কৰে, ল'ৰা-ছোৱালীয়ে সেইবোৰ নিশিকোৱাকৈয়ে শিকিব।

ল'ৰা-ছোৱালীৰ আগত কেতিয়াও আনক বা ওচৰ-চুবুৰীয়াৰ সমালোচনা কৰিব নালাগে, বদনাম গাব নালাগে। সেইবোৰ ল'ৰা-ছোৱালীয়ে অতি সোনকালে আয়ত্ব কৰে। ধনী-দুখীয়া, উচ্চ-নীচ আদিৰ পাৰ্থক্যও সিহঁতক দেখুৱাব নালাগে। দুখীয়া হ'লেও সৎ চৰিত্ৰৰ হ'লে আদৰ পাবই। যদি ধনী হৈ অসৎ চৰিত্ৰৰ হয়, মিছলীয়া হয় তাক কোনেও ভাল নাপায়। ভাল পোৱাৰ অভিনয় কৰি অৱশ্যে কিছুমান তেনে প্ৰকৃতিৰ মানুহে নিজৰ স্বাৰ্থ সিদ্ধি কৰে।

গতিকে হে আই মাতৃসকল, আপোনালোকে কেতিয়াও ল'ৰা-ছোৱালীৰ আগত দুমুখীয়া নীতি নল'ব। উদাহৰণ স্বৰূপে আপোনাৰ সন্তানটিক শিকাইছে মিছা কথা নক'বলৈ, সৎ হ'বলৈ, পৰৰ অপকাৰ নকৰিবলৈ, সদাচাৰী হ'বলৈ কিন্তু আপোনালোকে যদি তাৰ ওলোটা কৰে ল'ৰা-ছোৱালীয়ে দেখি শুনি কি শিকিব? সিহঁতে যি দেখিব তাকেহে শিকিব।

আজি অসম তথা ভাৰত দুৰ্নীতিত পোটা গৈছে। দুৰ্নীতিয়েই নীতিত পৰিণত হৈছে। কিন্তু আমি যদি অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহদেৱৰ কাৰ্যাৱলী বিশ্লেষণ কৰি চাওঁ শ্ৰদ্ধাত আমাৰ মূৰ দোঁ খাই যাব। সেইদৰে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুৰাভাই নিজৰ ত্যাগ কৰিও আমাক চহকী কৰি গৈছে। এয়া মাত্ৰ দুটা উদাহৰণহে, এনে উদাহৰণ অনেক আছে। এই বৰেণ্য ব্যক্তিসকলক সুঁৱৰিলে আমি পুণ্য অৰ্জা যেন লাগে।

গতিকে হে আইসকল, আপোনালোকেও তেনেকুৱা এজন পুত্ৰৰ জননী হৈ দেশ গৌৰৱান্বিত কৰি দেশ চহকী কৰক। এয়েই মোৰ আপোনাসৱৰ ওচৰত বিনম্ৰ অনুৰোধ। ত্যাগতে আনন্দ আছে, ভোগত নহয়। ইয়াকে সাৰোগত কৰি দেশ তথা জাতি ৰক্ষাৰ বাবে আগবাঢ়ি আহক। সু-সন্তান গঢ়ি তুলি নিজেও গৌৰৱান্বিত হওক আমাকো গৌৰৱান্বিত কৰক।■

# ভাৰতৰ প্ৰথম অভিযান ঃ চন্দ্ৰযান-১

**ভৃগু কুমাৰ ৰাজবংশী**

প্ৰাচীন কালৰে পৰা মানুহে আকাশৰ জোন, বেলি, তৰা আদিৰ বিষয়ে চিন্তা-চৰ্চা কৰি আহিছে আৰু এইবোৰৰ বিষয়ে বহু তথ্যও লাভ কৰিছে। সম্প্ৰতি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ দ্বাৰা তেনে অভিলাস আৰু ক্ষীপ্ৰ কৰি তোলা হৈছে। এইক্ষেত্ৰত ভাৰতৰ বৈজ্ঞানিকসকলো পিছপৰি থকা নাই।

সূৰ্য সৌৰজগতৰ এটা নক্ষত্ৰ। এই সূৰ্যৰ চাৰিওফালে নটা গ্ৰহ ঘূৰে আৰু এই গ্ৰহকেইটাৰ চাৰিওফালে কিছুমান উপগ্ৰহ ঘূৰে। মঙ্গলৰ ফ'বচ আৰু ডিমচ, শনিৰ ট্ৰাইটান ইত্যাদিৰ উপৰিও নীলাগ্ৰহ পৃথিৱীৰ একমাত্ৰ উপগ্ৰহ চন্দ্ৰ। এই চন্দ্ৰই পৃথিৱীক কেন্দ্ৰ কৰি সূৰ্যৰ চাৰিওফালে আৱৰ্তন কৰে। এইক্ষেত্ৰত আমি চন্দ্ৰ সম্পৰ্কে জনাটো ভাল হ'ব।




আমাৰ আলোচ্য বিষয় চন্দ্ৰৰ ব্যাস ৩৪৭৬ কিলোমিটাৰ আৰু চন্দ্ৰই নিজ কক্ষপথত পৃথিৱীৰ চাৰিওফালে এপাক ঘূৰিবলৈ সময় লাগে ২৯ দিন ৭ ঘণ্টা ৪৩ মিনিট ১১.৪৭ ছেকেণ্ড। পৃথিৱীৰ পৰা গড় দূৰত্ব ৩,৮৪,৪০০ কিলোমিটাৰ। চন্দ্ৰৰ পৰা অহা পোহৰ পৃথিৱী পাবলৈ সময় লাগে ১.৩ ছেকেণ্ড। চন্দ্ৰত বায়ু নাই। ইয়াৰ উপৰি ইয়াৰ মাধ্যাকৰ্ষণ শক্তি পৃথিৱীৰ তুলনাত ১ সাপেক্ষে ০.১৬৫ হ'ব। গতিকে ইয়াত আমি গ'লেও বায়ু অবিহনে থাকিব নোৱাৰিম। চন্দ্ৰৰ উপৰিভাগ বহুতো খলা-বমা, জ্বালামুখ, বৃহৎ সমতলভূমি ইত্যাদি আছে। পোন প্ৰথমে গেলিলিঅ'ই চন্দ্ৰত দেখিবলৈ পোৱা ক'লা দাগবোৰক মেৰিয়া অৰ্থাৎ সাগৰ নাম দিয়া হৈছিল। কিন্তু বিভিন্ন পৰীক্ষাৰ পিছত গম পোৱা গ'ল যে এইবোৰ সাগৰ নহয়, লাভাৰ দ্বাৰা গঠিত দ অঞ্চল।

পোন প্ৰথমে ১৯৫৭ চনৰ ৪ অক্টোবৰৰ দিনা ছোভিয়েট ৰাছিয়াই মহাকাশলৈ কৃত্ৰিম উপগ্ৰহ পঠাইছিল। এই উপগ্ৰহটো আছিল ০.৬ মিটাৰ

ব্যাসৰ এটা এলুনিয়ামৰ গোলক আৰু ই এটা ৰেডিঅ' প্ৰেৰক যন্ত্ৰও কঢ়িয়ায় নিছিল। ই কক্ষপথত ৯২ দিন আছিল। তাৰ পিছত পুটনিক-২ত লাইকা নামৰ কুকুৰ এটাও মহাকাশলৈ পঠিয়াইছিল। যদিও যাত্ৰাপথতেই লাইকাৰ মৃত্যু হৈছিল। ১৯৫৯ চনৰ ২ জানুৱাৰীত লুনা-১ নামৰ যানখন চন্দ্ৰ অভিমুখে পঠিওৱা হয় যদিও তাৰ পৰিৱৰ্তে ই সূৰ্য অভিমুখেহে যায়। সূৰ্যক এক নিৰ্দিষ্ট কক্ষপথেৰে প্ৰদক্ষিণ কৰে। তাৰ পিছত লুনা-২, লুনা-৩ ইত্যাদি যান চন্দ্ৰ অভিমুখে প্ৰেৰণ কৰে। তাৰ পিছত ১৯৬১ চনৰ ১২ এপ্ৰিল তাৰিখে ভষ্টক-১ত উঠি ৩২১ কিলোমিটাৰ উচ্চতাৰ (পৃথিৱীৰ পৰা) কক্ষপথত ২৮,৯৭০ কিলোমিটাৰ প্ৰতি ঘণ্টা গতিবেগত গাগৰিনে পৃথিৱীৰ চাৰিওফালে এপাক ঘূৰে। তাৰ পিছত আমেৰিকাৰ এলান শ্বেপাৰ্ড, জনগ্লেন আৰু ১৯৬৩ চন ১৬ জুনত প্ৰথম মহিলা মহাকাশচাৰী ভেলেণ্টিনা টেৰেস্কভাই ভষ্টক-২ত উঠি ৪৮ বাৰ পৃথিৱীৰ প্ৰদক্ষিণ কৰে অৰ্থাৎ ৩ দিন মহাকাশত আছিল। এনে সময়তে ৰেঞ্জাৰ-১ৰ পৰা ৰেঞ্জাৰ-৫ পৰ্যন্ত আটাইকেইখন মহাকাশযান যান্ত্ৰিক বিজুতি ঘটি বিফল হয়। (আমেৰিকা)। অৱশ্যে ৰেঞ্জাৰ-৭ আৰু ৰেঞ্জাৰ-৯ সফল হয়। আমেৰিকাৰ আন এটা গুৰুত্বপূৰ্ণ অভিযান আছিল এপ'ল' অভিযান। এই অভিযান অধিক ব্যয়বহুল আছিল। এপ'ল'-৭, এপ'ল'-৮, এপ'ল'-৯, এপ'ল'-১০, এপ'ল'-১১ আদি মহাকাশযানে চন্দ্ৰক প্ৰদক্ষিণ কৰিছিল যদিও তাৰ পৃষ্ঠত কোনো বিজ্ঞানীয়ে অৱতৰণ কৰা নাছিল। ১৯৬৯ চনত এপ'ল'-১১ত নীল আৰ্মষ্ট্ৰং, এডুইন এলড্ৰিন, মাইকেল কলিন্সে ১৬ জুলাই তাৰিখে চন্দ্ৰ অভিমুখে যাত্ৰা কৰে আৰু ২০ জুলাই তাৰিখে চন্দ্ৰপৃষ্ঠত নীল আৰ্মষ্ট্ৰং আৰু এডুইন এলড্ৰিনে ঈগল নামৰ চন্দ্ৰতৰীৰ সহায়ত অৱতৰণ কৰিছিল। মাইকেল কলিন্সে মূলযানখন পৰিচালনা কৰি আছিল। আৰ্মষ্ট্ৰঙে চন্দ্ৰত অৱতৰণ কৰাৰ লগে লগেই কৈছিল-- 'That's small step for a man; one going leap for mankind' অৰ্থাৎ এজন মানুহৰ ই এটা সৰু খোজ মাথোন, কিন্তু সমগ্ৰ মানৱ জাতিৰ বাবে ই এটা বৃহৎ পদক্ষেপ। তেওঁলোকে বিভিন্ন পৰীক্ষা নীৰিক্ষা কৰি ২৪ জুলাই তাৰিখে প্ৰশান্ত মহাসাগৰত নিৰাপদে অৱতৰণ কৰে। তাৰ পিছত ক্ৰমে এপ'ল'-১২, এপ'ল'-১৩, এপ'ল'-১৫, এপ'ল'-১৬, এপ'ল'-১৭ আদি অভিযান চলোৱা হয়। ১৯৭০ চনৰ ১১ এপ্ৰিলৰ দিনা তিনিযাত্ৰী জেমা লভেল, জন ছুইগাৰ্ট আৰু ফ্ৰেড হেইছক লৈ চন্দ্ৰ অভিমুখে উৰা মাৰিছিল এপ'ল'-১৩। কিন্তু দুৰ্ভাগ্যক্ৰমে ২,৮৯,৬২০ কিলোমিটাৰ ওপৰত তেওঁলোকৰ যানশন এটা অক্সিজেন ছিলিণ্ডাৰ বিস্ফোৰণ ঘটি অক্সিজেন আৰু বিদ্যুৎ সৰবৰাহ হঠাৎ বন্ধ হোৱাত তেওঁলোকে অক্সিজেনৰ অভাৱত চটফটাবলৈ লয় যদিও প্ৰবল আত্মবিশ্বাসেৰে কাম কৰি চন্দ্ৰতৰীত থকা অক্সিজেনৰ সহায়ত জীৱন ৰক্ষা কৰিছিল আৰু লগতে যানখন নিৰাপদে পৃথিৱীলৈ ঘূৰাই আনিছিল। চন্দ্ৰত অৱতৰণ কৰা অন্তিম মহাকাশচাৰী আছিল ইউজিন কাৰনান, হেৰিছন স্মিট। অৱশ্যে এই ক্ষেত্ৰত ৰুছিয়াই ৰবট ব্যৱহাৰ কৰিছিল। এইক্ষেত্ৰত ভাৰতো পিছপৰি থকা নাই। ভাৰতেও নিজৰ পাৰদৰ্শিতা বিশ্ববাসীৰ আগত স্থাপন কৰিলে। হয়! সেই পলকটোৰ কথাকে কৈছোঁ-- যিটো সময়ত ২২ অক্টোবৰ ২০০৮ চনৰ পুৱা ৬ বাজি ২২ মিনিটত PSLV (Polar Satllite Lanuch Vehicle) ৰ চাৰিখলপীয়া PSLV-C-11 (৪৪.৪মি. ওখ) নামৰ এক উন্নত মানৰ ৰকেটৰ যোগেদি মহাকাশৰ বুকুলৈ উৰা

মাৰিছিল চন্দ্ৰযান-১ Srittorikota ৰ Satish Dhawan Space Center ৰ পৰা। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ISRO ৰ এইটো প্ৰথম চন্দ্ৰ অভিযান। ই মানৱ বিহীন অভিযান।

**চন্দ্ৰযান-১ৰ উদ্দেশ্য ঃ**

১। সম্পূৰ্ণ চন্দ্ৰটোৰ ত্ৰিমাত্ৰিক মেপ লোৱা।

২। চন্দ্ৰৰ মেৰু অঞ্চলত পানীৰ অৱস্থিতিৰ বিষয়ে সন্ধান কৰা।

৩। চন্দ্ৰৰ ৰাসায়নিক পদাৰ্থসমূহ, খনিজ পদাৰ্থসমূহৰ বিষয়ে অধ্যয়ন কৰা।

৪। চন্দ্ৰত MIP (Moon Impact Probe) erash landing হৈছিল অৰ্থাৎ ওপৰৰ এটা বস্তা পেলাই দিয়াৰ দৰে হৈছিল। ভৱিষ্যতে পঠাবলগীয়া ৰোডাৰ জাতীয় গাড়ীৰ ১০টা landing ৰ বিষয়ে চিন্তা চৰ্চা কৰা।

৫। বৈজ্ঞানিক আৰু প্ৰযুক্তিগত দক্ষতা আগবঢ়াই নিয়াতো ইয়াৰ প্ৰধান লক্ষ্য আছিল।

২২ অক্টোবৰ তাৰিখে উৰামৰাৰ পিছত চন্দ্ৰযান-১য়ে কেইবাটাও কক্ষপথৰ অন্তত ২১ দিনৰ মূৰত চন্দ্ৰৰ কক্ষপথত স্থাপন কৰা হৈছিল। উৎক্ষেপনৰ সময়ত ইয়াৰ ভৰ ১৩৮০ কিলোগ্ৰাম আৰু চন্দ্ৰৰ কক্ষপথত ৬৭৫ কিলোগ্ৰাম আচিল। চন্দ্ৰযান-১য়ে পৃথিৱীত মুঠ ৫টা আৰু চন্দ্ৰত তিনিটা কক্ষপথ অতিক্ৰম কৰি চতুৰ্থ কক্ষপথৰেহে ইয়াৰ মূল কক্ষপথ পাইছিল।

পৃথিৱীৰ প্ৰথমটো কক্ষপথ ২৩ অক্টোবৰ তাৰিখে পৃথিৱীৰ পৰা ৩৭৯০০ কিলোমিটাৰ পৰা ৩০৫ কিলোমিটাৰ যানখনৰ ৪৪০ নিউটন জুলীয়া ইঞ্জিনটো ১৮ মিনিটৰ বাবে চলোৱা হৈছিল। ই পৃথিৱীৰ চাৰিওফালে একপাক ঘূৰিবলৈ সময় লাগিছিল ১১ ঘণ্টা।

দ্বিতীয়টো কক্ষপথ ২৫ অক্টোবৰ তাৰিখে ৭৪৭১৫ কিলোমিটাৰ পৰা ৩৩৬ কিলোমিটাৰত জুলীয়া ইঞ্জিনটো ১৬ মিনিটৰ বাবে চালু কৰা হয়। ই পৃথিৱীৰ চাৰিওফালে এপাক ঘূৰিবলৈ সময় লাগে ২৫.৫ ঘণ্টা।

তৃতীয়টো কক্ষপথ ২৬ অক্টোবৰ তাৰিখে পৃথিৱীৰ পৰা ১,৬৪,৬০০ কিলোমিটাৰৰ পৰা ৪৪৮ কিলোমিটাৰত আছিল। ই পৃথিৱীক প্ৰদক্ষিণ কৰিবলৈ সময় লয় ৭৩ ঘণ্টা আৰু ইয়াৰ ইঞ্জিনটো ৯.৩০ মিনিটৰ বাবে চালু কৰা হয়।

চতুৰ্থটো কক্ষপথ ২৯ অক্টোবৰ তাৰিখে ২৬৭০০০ কিলোমিটাৰৰ পৰা ৪৬৫ কিলোমিটাৰ, ইয়াৰ ইঞ্জিনটো ৩ মিনিটৰ বাবে চালু কৰা হয়। ইয়াৰ প্ৰদক্ষিণ কাল আছিল ৬ দিন।

পঞ্চমটো কক্ষপথ ৪ নৱেম্বৰ তাৰিখে পৃথিৱীৰ পৰা ৩,৮০,০০০ কিলোমিটাৰ দূৰত্বত আছিল। ইয়াৰ ইঞ্জিনটো ২.৩০ মিনিটৰ বাবে চালু কৰা হয়।

ইয়াৰ পিছত ৮ নৱেম্বৰ তাৰিখে জুলীয়া ইঞ্জিনটো ১৭ চেকেণ্ডৰ বাবে চালু কৰি যানখনক পৃথিৱীৰ কক্ষপথৰ পৰা চন্দ্ৰৰ কক্ষপথলৈ লৈ যোৱা হয়। চন্দ্ৰত মুঠ ৪টা কক্ষপথ আছিল।

১ম কক্ষপথ ৯ নৱেম্বৰত। ৭৫০২ কিলোমিটাৰৰ পৰা ৫০৪ বা ২০০ কিলোমিটাৰত আছিল। যানখনৰ জুলীয়া ইঞ্চিনটো ৫৭ চেকেণ্ডৰ কাৰণে চলোৱা হয়। ই চন্দ্ৰক এপাক ঘূৰিবলৈ সময় লাগে ১০.৩০ ঘণ্টা।

২য় কক্ষপথ ১০ নৱেম্বৰত। ৭৫০২ কিলোমিটাৰৰ পৰা ২০০/১৮৭ কিলোমিটাৰত। ইয়াৰ জুলীয়া ইঞ্চিনটো ৮৬৬ চেকেণ্ডৰ কাৰণে চলোৱা হয়। ই চন্দ্ৰক এপাক ঘূৰিবলৈ সময় লাগে ২ ঘণ্টা ১৬ মিনিট।

৩য় কক্ষপথ ১১ নৱেম্বৰত। ২৫৫

কিলোমিটাৰৰ পৰা ১৮৭বা ১০১ কিলোমিটাৰত আছিল। ইয়াৰ জুলীয়া ইঞ্চিনটো ৩১ চেকেণ্ডৰ কাৰণে চলোৱা হয়। চন্দ্ৰক এপাক ঘূৰিবলৈ সময় লাগে ২ ঘণ্টা ৯ মিনিট।

৪ৰ্থ কক্ষপথ ১২ নৱেম্বৰত। ইয়াৰ ১০০ কিলোমিটাৰৰ দূৰত্ব মূল কক্ষপথত অনা হয় যদিও তাক আকৌ ২০০ কিলোমিটাৰ কক্ষলৈ নিয়া হৈছিল। ১০০ কিলোমিটাৰ কক্ষত ই চন্দ্ৰক প্ৰদক্ষিণ কৰিবলৈ সময় লাগে ২ ঘণ্টা।

চন্দ্ৰযান-১য়ে মুঠ এঘাৰবিধ সঁজুলি কঢ়িয়ায় নিছিল। তাৰে ছয়বিধ দেশীয় আৰু পাঁচবিধ বিদেশী (NASA, ESA Europian Space Agency, Bulgarlan Aerospace Agency)ৰ। এই ছয়বিধ দেশীয় সঁজুলি হ'ল--

[i] TMC - Tarrain Mapping Camera
[ii] HyS1- Hyper Spectral Imager.
[iii] LLRI - Lmar Laser, Ranging Iustrumut.
[iv] HEX - High Energy X-ray/ Gamma ray spaectrometer.
[v] CIXS - X-ray flouresecence Spectrometer.
[vi] MIP - Moon Impact Proke.

বিদেশী সঁজুলিকেইবিধ -

[i] SARA- Subkev After Reflecting Analyser from ESA.
[ii] $M^3$ - Moon Mineralogy Maooer (NASA)
[iii] SIR-2 -- From ESA
[iv] miniSAR - Synthefic Aperture Padar from NASA
[v] RADOM-7 -- Radiation Dose Monifor Euperiment from Balgarlan Academy of Science.

MIP-14 নৱেম্বৰ তাৰিখে ২৯ কিলোগ্ৰামৰ ওজনৰ মূলযানৰ পৰা বিচ্ছিন্ন হৈ যোৱা (Moon Ipact Probe)য়ে চন্দ্ৰপৃষ্ঠত ভাৰতৰ অধিকাৰ বা অস্তিত্ব সাব্যস্ত কৰে। ইয়াৰ বেৰত অঁকা আছিল ভাৰতীয় ত্ৰিৰংগ জাতীয় পতাকা। আনহাতে ই মুঠ তিনিটা সজুঁলি উচ্চতা মাপক যন্ত্ৰ, ভিডিঅ' কেমেৰা আৰু স্পেক্টমিটাৰ আছিল। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, বিজ্ঞানী, এ.পি.জে. আব্দুল কালামেই পোনপ্ৰথমে ইয়াক চন্দ্ৰযান-১ৰ লগত সংযোগ কৰাৰ ইচ্ছা কৰিছিল।

এই মহান ব্যক্তিসকলৰ ভিতৰত অসমৰ প্ৰতিভাও নথকা নহয়। তেওঁ হ'ল জিতেন্দ্ৰ নাথ গোস্বামী। তেওঁ যোৰহাটৰ বাসিন্দা। তেওঁ অসমৰ উঠি অহা প্ৰজন্মৰ বাবে উৎসাহৰ উৎস স্বৰূপ।

এই সফলতাত ভাৰতে বিদেশৰ পৰা প্ৰশংসা লাভ কৰিছে। তাৰ উপৰিও যিসকল মহান বিজ্ঞানীৰ সফলতা তেওলোকৰ ধৈৰ্য, কষ্টই প্ৰমাণ কৰিলে যে, ভাৰতীয় প্ৰযুক্তি অন্যান্য উন্নত দেশৰ বিজ্ঞানীসকলৰ সৈতে সমান। কিন্তু এই যানখনে দুবছৰৰ বাবে চন্দ্ৰৰ কক্ষপথত থাকিব যদিও ইয়াৰ সংযোগ বিচ্ছিন্ন হয় ISROৰ সৈতে ২৯/০৮/০৯ তাৰিখে। যদিও ISRO অধ্যক্ষই জানিব দিয়া মতে চন্দ্ৰযানৰ-১য়ে ইয়াৰ বেছিভাগ কামেই সম্পন্ন কৰিলে। এই সফলতাৰ বাবে কিছুমানৰ মাজত সমালোচনা হৈছে যে ৩৮৬ কোটি টকা খৰচ কৰাতকৈ ভাৰতৰ দৰিদ্ৰতা আঁতৰোৱাত এই টকা খটুৱালে হয়তো দেশৰ উন্নতি হ'লহেঁতেন। কিন্তু আনৰ সমালোচনা নেওচি আমি ক'ব বিচাৰো যে, এই অভিযানে ভাৰতৰ বিজ্ঞানীসকলক ভৱিষ্যতৰ কাৰ্য-কলাপলৈ আগবাঢ়ি যাবলৈ উৎসাহ যোগাইছে। ইয়াৰ উপৰিও ISROয়ে ২০১৫ চনৰ ভিতৰত মানৰ পঠিওৱাৰ পৰিকল্পনা কৰিছে। গতিকে আমি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাওঁ যে এই ভৱিষ্যৎ পৰিকল্পনাও সফল হয়।■

# শিশুৰ জীৱন গঢ় দিয়াত আধ্যাত্মিকতা আৰু সু-শিক্ষাৰ প্ৰয়োজন

**ৰামচন্দ্ৰ ডেকা**

শিশু শিক্ষাৰ প্ৰথম কঠিয়াতলী নিজৰ ঘৰখন আৰু জীৱনৰ প্ৰথম শিক্ষাগুৰু হ'ল নিজ পিতৃ-মাতৃ। সেই বাবেই প্ৰতিজন পিতৃ-মাতৃ তথা অভিভাৱকে শিশুৰ সু-চৰিত্ৰ গঠনৰ বাবে সু-শিক্ষা, নৈতিকতা আৰু আধ্যাত্মিক শিক্ষাৰ প্ৰতি গুৰুত্ব দিব লাগে। ৰামায়ণ, মহাভাৰত আৰু কীৰ্ত্তনৰ সুন্দৰ সুন্দৰ কাহিনীবোৰ শিশুক সাধুকথাৰ চলেৰে শিকাব লাগে। আজিৰ পৰা কিছু বছৰ আগতে ঘৰত আইতাসকলে নাতি-নাতিনীক লৈ এনে ধৰণৰ সৎ উপদেশমূলক সাধুকথাবোৰ শুনাইছিল বাবে আগৰ দিনৰ অধিকাংশ শিশুই বহুক্ষেত্ৰত সু-চৰিত্ৰবান তথা নৈতিকতা থকা ব্যক্তি হিচাপে গঢ় লৈ উঠিছিল। বৰ্তমান সময়ত আমাৰ সমাজত এনে পৌৰাণিক সাধুকথা কোৱাৰ ব্যৱস্থা বহু পৰিমাণে লোপ পোৱা যেন অনুমান হৈছে। ঘৰখনৰ সকলো দিশ যদি পৰিপাটি হয়, ঘৰৰ সকলো পৰিয়ালৰ যদি ভাল বুজা-বুজি, মিলা-প্ৰীতি থাকে আৰু সকলো পৰিয়াল যদি সহজ-সৰল হয় তেনেহ'লে সেইখন ঘৰৰ ল'ৰা-ছোৱালী নিশ্চয় ভাল ধৰণে গঢ় লৈ উঠিব। সেই বাবেই কৈছে যে, শিশু শিক্ষাৰ ঘাই কঠিয়াতলী হৈছে ঘৰখন আৰু প্ৰথম শিক্ষাগুৰু হৈছে পিতৃ-মাতৃ। এশজন শিক্ষকৰ তুলনাত এগৰাকী ভাল মাতৃ হৈছে আটাইতকৈ ভাল শিক্ষয়িত্ৰী।

এটি শিশু ডাঙৰ-দীঘল হোৱাৰ লগে লগে আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ বাবে শিক্ষানুষ্ঠানৰ মজিয়াত ভৰি দি দলবদ্ধভাৱে শিকিবলৈ আৰু থাকিবলৈ শিকে। সেই বাবে শিক্ষক সমাজে সকলো ক্ষেত্ৰতে সচেতন হৈ থাকিব লাগে যাতে প্ৰতিজন শিশুৱে সৎ আচৰণ আৰু সু-অভ্যাস গ্ৰহণ কৰিব পাৰে আৰু তাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰাটো অতি প্ৰয়োজন। ভৱিষ্যতৰ সু-নাগৰিক হিচাপে প্ৰতিজন শিশুকে গঢ়ি তুলিবলৈ শিষ্টাচাৰ, সংযম, আত্মনিৰ্ভৰশীল, সততা, অমায়িক আৰু ধীৰ-স্থিৰভাৱেৰে সুঅভ্যাস গঠন কৰাৰ ক্ষেত্ৰত শিক্ষক অভিভাৱক আদি সকলোৰে প্ৰধান দায়িত্ব আৰু কৰ্তব্য হিচাপে গণ্য কৰিব লাগিব। তেতিয়াহে এখন সুস্থ সবল সমাজৰ সু-নাগৰিক হিচাপে ভৱিষ্যত প্ৰজন্মই জীৱন গঢ়ি তুলিব পাৰিব।

বৰ্তমানৰ শিক্ষা ব্যৱস্থাত কোনো ধৰণৰ নৈতিকতা তথা আধ্যাত্মিক শিক্ষা দানৰ ব্যৱস্থা পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হোৱা নাই। তদুপৰি শিশুৰ সু-অভ্যাস গঠনৰ বাবে বৰ্তমানৰ শিক্ষা ব্যৱস্থাত যথেষ্ট ত্ৰুটি দেখা গৈছে। ফল স্বৰূপে বৰ্তমান সময়ৰ নতুন প্ৰজন্মৰ মাজত নৈতিকতা বা আধ্যাত্মিকতাৰ পতন ঘটিছে। বৰ্তমান নতুন চামৰ

মাজত এক উদণ্ড স্বভাৱ পৰিলক্ষিত হৈছে। সেয়েহে কৰ্মমুখী তথা বৃত্তিমুখী আৰু নীতি আদৰ্শৰ দ্বাৰা পৰিচালিত পাঠ্যক্ৰমৰ প্ৰয়োজন অনুভৱ কৰা হৈছে। কিয়নো শিশুৱে যি অভ্যাস শৈশৱ কালতে আহৰণ কৰি লয় তাৰ দ্বাৰা গোটেই জীৱন জুৰি প্ৰতিফলিত হৈ থাকে। শিশুৰ সু-অভ্যাস গঠনৰ বাবে মানসিক সংকল্প আৰু প্ৰস্তুতিৰ প্ৰয়োজন হয়। সেই বাবেই শিশু শিক্ষাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিব লাগে যাতে যি শিক্ষাৰ দ্বাৰা শিশুৰ সু-অভ্যাস, সৎ চৰিত্ৰ আদি গঠন কৰিবলৈ প্ৰয়াস কৰা হ'ব। অৱশ্যে নীতি-নিয়মবোৰো যাতে আমনিদায়ক নহয় সেইটোও মন কৰিব লাগিব। শিশুৰ গোটেই জীৱন জুৰি যাতে উপকাৰত আহে তেনে অভ্যাস আয়ত্ত কৰাত উৎসাহ যোগাব লাগে। সুস্থ বাতাবৰণ অবিহনে শিশুৰ সু-অভ্যাস গঠনৰ শিক্ষা দিয়াতো দুৰূহ কাম। সেই বাবেই বিদ্যালয় তথা ঘৰুৱা, সামাজিক, শৈক্ষিক বাতাবৰণ সুস্থ হোৱাৰ ওপৰত শিক্ষক, পিতৃ-মাতৃ তথা অভিভাৱকে শাস্তিৰ ভয় দেখুৱাই শাসন কৰিবলৈ বিচৰা বা শিক্ষা দিবলৈ বিচৰাটো অতি ভুল কথা। কিয়নো শাস্তিৰ ভয়ত শিশুৱে কোনো কাম বা কথা আয়ত্ব কৰিলেও তেনে শিশুৰ মনত অতি জেদ ভাৱ জন্মে আৰু সময়ত বৰ জেদী হৈ পৰে। শিশুক সকলো শিক্ষা আনন্দদায়ক পৰিৱেশৰ জৰিয়তে দিব পাৰিলে তাৰ ফল অধিক লাভবান হোৱা দেখা যায়। সুঅভ্যাস গঠনৰ বাবে শিশুৰ আচৰণৰাজি ত্ৰুটিহীন কৰি গঢ়ি তুলিবলৈ যত্ন কৰিব লাগে। আৰু অভ্যাস গঠনৰ ক্ষেত্ৰত অনিয়ম বা ব্যতিক্ৰমক কোনো কাৰণতে প্ৰশ্ৰয় দিব নালাগে। অভ্যাসৰ মাজেৰেই সু-চৰিত্ৰই বিকাশ লাভ কৰে আৰু সুস্থিৰ সুব্যক্তিত্বৰ পৰিচায়ক হৈ এজন সুস্থ সবল নাগৰিক হিচাপে অভিহিত হ'ব পাৰে। যেয়ে শাস্তিৰ পৰিৱৰ্তে শিশুক প্ৰেৰণা যোগাব লাগে আৰু সেই প্ৰেৰণাই শিশুৰ কোমল মনত মানসিক শক্তি প্ৰদান কৰে। কিন্তু এইটোও মন কৰিব লাগিব যাতে শিশুক শিকোৱা কাৰ্যৰ বিপৰীতে যদি জ্যেষ্ঠজনে বা পিতৃ-মাতৃ তথা শিক্ষকে কোনো অনৈতিক কাৰ্য কৰে বা শিকোৱাৰ বিপৰীতে অন্য কামহে কৰে তেতিয়া অনুকৰণ প্ৰিয় শিশুৱে সেই কামৰ প্ৰতিহে বেছি ধাউতি কৰিব। আৰু তেতিয়াই তেনে শিশু বাট এৰি অবাটে আগবাঢ়িব। সেইবাবে জ্যেষ্ঠসকলে অতি সচেতন আৰু সজাগ হৈ থকাটো ভাল আৰু তেতিয়াহে আমি এখন সুস্থ-সবল সমাজ লাভ কৰিব পাৰিম।■

## আজিৰ দিনটোৰ কাৰণে

- **মই কেৱল আজিৰ দিনটোহে পৰিপূৰ্ণভাৱে জীয়াই থাকিবলৈ চেষ্টা কৰিম, গোটেই জীৱনটোৰ সমস্যাবোৰ আজিৰ দিনটোৰ ভিতৰতে সমাধান কৰিবলৈ চেষ্টা নকৰোঁ।**
- **আজিৰ দিনটোৰ কাৰণে মই মোৰ মনটো সবল কৰিবলৈ চেষ্টা কৰিম। আজি মই কিবা এটা লাগতিয়াল নতুন বিদ্যা শিকিম আৰু এনে এখন নতুন কিতাপ পঢ়িম– যিখন কিতাপ পঢ়িবলৈ চেষ্টা, চিন্তা আৰু মনোযোগৰ দৰকাৰ হয়।**

জিজ্ঞাসা ঃ হোমেন বৰগোহাঞি

# মহামিলনৰ প্ৰতীক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ

পাপুলি বৰা

'সোণৰ দেশৰ
মহাপুৰুষ
শঙ্কৰ-মাধৱৰ
সোণমূলীয়া সংস্কৃতিয়ে
পোহৰ দিয়ে এই পৃথিৱীত
সোণৰ জীৱনৰ....'

জ্যোতিপ্ৰসাদ আগৰৱালা

পঞ্চদশ শতিকাৰ মাজভাগত অস্তিত্ব হেৰাই যাব খোজা অসমীয়া সমাজখনত নতুন ৰূপ দান দি সমন্বয়ৰ এখনি নতুন অসম গঢ়িবৰ বাবে এই অসম মুলুকত উদিত হৈছিল শঙ্কৰ সূৰ্য। শঙ্কৰদেৱ আছিল বিশাল ভাৰতীয় সংস্কৃতিৰ সমন্বয়ৰ প্ৰতীক। ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ লগত অসমৰ সম্পৰ্ক আছিল সঁচা, কিন্তু সেয়া ব্যাপক, গভীৰ আৰু দৃঢ়তাৰ বাবে শঙ্কৰদেৱৰ নেতৃত্বতেই পঞ্চদশ যোড়শ শতিকাত বলিষ্ঠ পদক্ষেপ লোৱা হৈছিল। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোকে একত্ৰিত কৰি সাম্য, মৈত্ৰী, উদাৰতাৰ পৱিত্ৰ মন্ত্ৰেৰে আলোকিত একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ কৰি গীত-নাট, অভিনয়, বাদ্য, নৃত্য কলাৰ যি বাৰেবৰণীয়া অৱদান গুৰুজনাই বৰলুইতৰ পাৰৰ সংস্কৃতিৰ বিশাল ক্ষেত্ৰখনলৈ আগবঢ়ালে সেয়া অনস্বীকাৰ্য। সাম্য মন্ত্ৰেৰে উজ্জীৱিত নৱ-বৈষ্ণৱ ধৰ্মৰ পৱিত্ৰ বাণীসমূহে তিমিৰাচ্ছন্ন অসমৰ আকাশ-বতাহ মুখৰিত কৰিলে।

এক দেৱ এক সেৱ
এক বিনে নাই কেৱ।

ভাৰতীয় বেদ, উপনিষদ, ভাগৱত, গীতাৰ মতবাদ মহাপুৰুষ জনাই অসমীয়া ভাষাত, সহজ-সৰল ভাষাৰে প্ৰকাশ কৰিছিল। তেখেতৰ বাণীসমূহে বুজাব খুজিছিল যে, ভগৱান এজনেই আৰু তেওঁৰেই সৰ্বময় কৰ্তা, যাৰ ফলশ্ৰুতিত ধৰ্মীয় বিভিন্নতা বিলোপ কৰাত গুৰুজনা বহু পৰিমাণে সফল হৈছিল। সকলো প্ৰাণীকে আত্মসম বিচাৰৰ আদৰ্শ মহাপুৰুষীয়া ধৰ্মৰ এক বিশেষ শিক্ষা।

সমস্ত প্ৰাণীকে দেখিবেক আত্মসম।
উপায় মধ্যত ইটো অতি মুখ্যতম।

-- কীৰ্ত্তন

ধৰ্মৰ পৱিত্ৰ মন্ত্ৰ সাৰোগত কৰি গুৰুজনাই মানৱতা প্ৰতিষ্ঠাৰ অনলস প্ৰচেষ্টাত ব্ৰতী হৈছিল। হৰিনাম শ্ৰৱণ-কীৰ্তনৰ যোগেদি জনসাধাৰণৰ মাজত একতা ভাতৃত্ববোধ আৰু অন্য মানৱীয় প্ৰমূল্য সমূহো পুনৰ উজ্জীৱিত কৰি তুলিছিল। সৰ্বপ্ৰথমে শঙ্কৰদেৱৰ নেতৃত্বতেই সকলো জনগোষ্ঠীক সমন্বিত কৰি অসমীয়া জাতিৰ ধৰ্ম-ভাষা-সাহিত্য-সংস্কৃতিৰ বুনিয়াদ নিৰ্মাণ কৰিলে। নগা, মিৰি, খাচী, গাৰো, মুছলমান আদি বিভিন্ন জনগোষ্ঠীৰ লোকে তেওঁৰ মহান আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ তেখেতৰ শিষ্যত্ব গ্ৰহণ কৰিছিল।

এনেদৰে মহাপুৰুষ জনাই একতাৰ দোলেৰে ঐক্যবদ্ধ মানৱ সম্পদক মহত্বপূৰ্ণ কৰ্ম সাধনাৰ অভিমুখে লৈ গ'ল।

অসমীয়া সমাজত নামঘৰ গুৰুজনাৰ অৱদান। সমূহীয়াভাৱে নাম-প্ৰসঙ্গ কৰা, গীত-মাত-ভাওনা আদি পৰিৱেশন কৰা, মিলিজুলি কাম সম্পাদন কৰা আদিৰ কাৰণে গুৰুজনাই ঠায়ে ঠায়ে নামঘৰ স্থাপন কৰিছিল। নামঘৰসমূহ আছিল শঙ্কৰী কলা কৃষ্টি, গীত, মাত, নাট আদি চৰ্চাৰ কেন্দ্ৰ। গুৰুজনাৰ প্ৰচেষ্টাতে নামঘৰসমূহত অঙ্কীয়া নাট, ভাওনা প্ৰদৰ্শনৰ পৰম্পৰা গঢ়ি উঠিছিল। নৃত্য গীত, ৰাগ-তাল, ছোঁ-মুখা, ওজা, সূত্ৰধাৰ, গায়ন-বায়ন আদিৰ সংযোগ ঘটাই সৃষ্টি কৰা অঙ্কীয়া ভাওনা গুৰুজনাৰ অনুপম অৱদান। বৰগীত গুৰুজনাৰ অসমীয়া গীতি সাহিত্যলৈ অভিনৱ অৱদান। বৰগীতৰ উপৰিও ভটিমা, টোটয়, চপয়, পয়াৰ আদিও গুৰুজনাৰে অপূৰ্ব সৃষ্টি। শ্ৰীমন্ত শঙ্কৰদেৱৰ কবি প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন আৰু বৈষ্ণৱ-সাহিত্যৰ কীৰ্তিস্তম্ভ হ'ল-- কীৰ্ত্তন, দশম, গুণমালা, ভক্তি-ৰত্নাকৰ, ভক্তি-প্ৰদীপ গুৰুজনাৰ ছয়খন নাট হ'ল-- পত্নী-প্ৰসাদ, কালিয় দমন, কেলি গোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আৰু ৰাম বিজয়। এইসমূহ নাটৰ যোগেদি জনসাধাৰণক আকৰ্ষিত কৰাৰ লগতে নৈতিকতাৰ ভাতৃত্ববোধৰ শিক্ষা দিছিল।

বাৰেৰহণীয়া বিশাল ভাৰতীয় সংস্কৃতিৰ পৰা এটি এটিকৈ পাপৰি বুটলি আনি গুৰুজনাই অসমীয়া সাহিত্য সংস্কৃতি সমৃদ্ধিসাধন কৰিছিল। বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেতু সূচনা কৰি অসমীয়া জাতি গঠনত মহাপুৰুষ জনাই যি বলিষ্ঠ পদক্ষেপ ল'লে তাৰ বাবেই আজি আমি অসমীয়া বুলি গৰ্বিত হ'ব পাৰিছোঁ।■

---

## কুইজ

প্ৰশ্ন ঃ

১। আহোমৰ সৰ্ব প্ৰথম ৰজাজনৰ নাম কি আছিল?
২। শ্ৰীকৃষ্ণৰ শিক্ষাগুৰু কোন আছিল?
৩। ৰাৱণৰ পিতৃৰ নাম কি আছিল?
৪। উচ্চ ন্যায়ালয়ৰ প্ৰথম মহিলা ন্যায়াধীশ কোন আছিল।
৫। ভাৰতৰ প্ৰথম বাতৰি কাকতখনৰ নাম কি?

উত্তৰ ঃ
১। চুকাফা
২। সান্দিপনী
৩। বিশ্বশ্ৰৱা মুনি
৪। লেইলা শেঠ (হিমাচল প্ৰদেশ)
৫। বেঙ্গল গেজেট

সংগ্ৰাহক ঃ
শ্ৰীঅঞ্জলি ডেকা (নিশা)

ভ্ৰমণ কাহিনী

# সাগৰীয় বন্ধু ‘ডলফিন’ দেখাৰ অভিজ্ঞতা

**বৰদা শইকীয়া**

অপূৰ্ব সুন্দৰ গোৱা চহৰ চাই অভিভূত হৈছিলো। চুমু গাড়ীখনৰ চালক তথা ‘গাইড’ শিক্ষিত যুৱকজনে আমাক কৈছিল-- ‘আৰৰ সাগৰৰ ডলফিন নেদেখিলে আপোনালোকৰ গোৱা ভ্ৰমণ অসম্পূৰ্ণ হ’ব, গতিকে চাই যাওঁক। সাগৰীয় প্ৰাণী, মানুহৰ বন্ধু ডলফিনৰ নাম শুনাৰ লগে লগে আমাৰ ল’ৰা-ছোৱালী মাধুৰ্য আৰু জুবিলীৰ গাত তৎ নোহোৱা হ’ল। ‘টিভিতহে দেখিছোঁ-- এতিয়া যদি সঁচাকৈ দেখা পাওঁ কিমান যে ভাল লাগিব’ মাধুৰ্যই ক’লে। ‘মা, ডলফিনক কিয় মানুহৰ বন্ধু বুলি কোৱা হয়। সাগৰত থকা ডলফিনে মানুহকনো কেনেকৈ সহায় কৰে? আমি যেনেতেনে ডলফিন চাই যাম দিয়া। মোৰ লগৰ ছোৱালীবোৰক তেতিয়াহে ডলফিনৰ কথা ক’ব পাৰিম’-- জুবিলীয়ে ক’লে। এৰা, আমি দুয়োজনেই (স্বামী আৰু মই) কথাটো অনুভৱ কৰিলো। প্ৰত্যক্ষভাৱে লাভ কৰা অভিজ্ঞতা জীৱনলৈ মনত থাকে। এতেকে আমি ডলফিন চাবলৈ সাগৰৰ বুকুলৈ যোৱাৰ সিদ্ধান্ত ল’লো। যাত্ৰাপথত জুবিলীৰ উত্তৰবোৰ দি যোৱা প্ৰয়াস কৰিলো।

ডলফিন হ’ল স্তন্যপানী জলচৰ প্ৰাণী। ডলফিন সাগৰত থাকে। ডলফিন দেখিবলৈ ছাই বৰণীয়া। পেটৰ ফালটো অৱশ্যে বগা। পোৱালি অৱস্থাত ১ মিটাৰৰ অধিক দীঘল হয়। পৈণত হ’লে ১০ মিটাৰ পৰ্যন্ত দীঘল হয়। প্ৰায় ৪০ কিলোগ্ৰাম ওজন লৈ জন্মগ্ৰহণ কৰা ডলফিন একোটা ৪.৫ টন পৰ্যন্ত ওজন হয়। ডলফিনৰ দুপাৰি দাঁত থাকে। ইয়াত ১০০ ৰ পৰা ২২৫ টালৈকে দাঁত থাকে। দাঁতবোৰ চোকা আৰু দেখিবলৈ একে। মুখখন জোঙা। প্ৰায়বোৰ ডলফিনৰ পিঠিত ওপৰমুৱাকৈ এচটা ডাঙৰ ফান, দেহৰ দুয়োকাষে আৰু শেষ অংশতো ফিছাৰ দৰে কেইচটামান ফান আছে। সাঁতুৰিবৰ সময়ত এই ফানে ডলফিনৰ ভাৰসাম্য ৰক্ষা কৰে। ঘণ্টাত ৫৫ কিলোমিটাৰ বেগেৰে সাঁতুৰিব পাৰে। এতিয়ালৈ ডলফিনৰ ৪০টা প্ৰজাতিৰ কথা প্ৰাণীবিজ্ঞানীসকলে জানিবলৈ পাৰিছে। তিমি মাছৰ জীৱাশ্মৰ লগত সাদৃশ্য থকা ডলফিনক ‘জীৱন্ত জীৱাশ্ম’ বুলিও কোৱা হয়। ডলফিনৰ শ্ৰৱণ শক্তি অতি তীক্ষ্ণ ইহঁতে কোনো শব্দ অনুসৰণ কৰি চকু মুদিয়েই ক্ষন্তেকতে সেই ঠাইত উপস্থিত হ’ব পাৰে। ইহঁতৰ খাদ্য হ’ল মাছ। ডলফিনে বছৰত এটাকৈ পোৱালি জগায়। পানীতেই জন্ম পোৱা পোৱালিয়ে মাকৰ গাখীৰ খাই ডাঙৰ-দীঘল হয়। ডলফিনৰ মগজু ইহঁতৰ দেহৰ তুলনাত যথেষ্ট ডাঙৰ। ইহঁত অতি বুদ্ধিমান। মানুহৰ লগত ডলফিনৰ বন্ধুত্ব কৰাৰ ক্ষমতা প্ৰৱল। ইহঁতৰ অনুভূতি প্ৰখৰ। কিছুমান কৌশলী খেল প্ৰদৰ্শন কৰিবলৈ নতুবা পানীৰ তলত মানুহৰ কামত সহায় কৰিবলৈ ডলফিনক বিজ্ঞানীসকলে প্ৰশিক্ষণ দিছে। চলন্ত জাহাজ আদি দেখিলে জাহাজৰ কাষে কাষে ইহঁত ঘূৰি ফুৰে আকৌ বহু সময়ত ইহঁতে জাহাজ, নাও আদিক পথ দেখুৱায়।

গাড়ী চালকজনে আমাক মান্দৱী নদীৰ মোহনালৈ লৈ গ’ল। যাত্ৰীবাহী যন্ত্ৰচালিত নাৱত উঠি আমি যাত্ৰা কৰিলো ডলফিন চোৱাৰ হেঁপাহেৰে। নাওখন আগবাঢ়ি গ’ল আৰৱ সাগৰ মাজলৈ। দেশী-বিদেশী ভ্ৰমণকাৰীক লৈ নাৱৰীয়াসকলৰ লক্ষ্য কেৱল ডলফিন। সাগৰৰ অশান্ত তৰঙ্গৰ কঁপনিত আমি ভয় খাইছিলো, নিৰাপদ আৱৰণ পিন্ধি আমি কেৱল ইজনে সিজনক মুখলৈ চাই ছিলো। নাৱৰীয়া আৰু সহযাত্ৰীসকলৰ ডলফিন, ডলফিন বুলি উৎফুল্লিত চিঞৰত আমিও ইফালে সিফালে চাইছিলো। আমাক নিৰাশ নকৰি ডলফিনে দেখা দিছিল। বিশাল সাগৰ মাজত ডলফিন দেখা অভিজ্ঞতা লৈ আমি আকৌ ঘূৰিছিলো মান্দবী নদীৰ মোহনালৈ■■

# বাৰ্মুডা ত্ৰিভুজৰ ৰহস্যৰ আঁৰত....

**প্ৰণবিকা ডেকা**

আজিৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বলত পৃথিৱীৰ প্ৰায়বোৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ সক্ষম হৈছে। আনকি এই পৃথিৱীৰ পৰিসীমা অতিক্ৰম কৰি মানুহে মহাকাশৰ নানা তথ্য লাভ কৰিবলৈও সক্ষম হৈছে। আজিৰ মানুহে চন্দ্ৰ, মঙ্গল আদি গ্ৰহৰ পৃষ্ঠভূমিৰ ওপৰতো গৱেষণা আৰম্ভ কৰিছে। তথাপি মানুহৰ এই বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা যেন ক'ৰবাত স্তব্ধ হৈছে। আটলাণ্টিক কেৰিবিয়ান সমুদ্ৰ অঞ্চলৰ বাৰ্মুডা ত্ৰিভূজ তেনে এক পৰিঘটনা।



অতীতৰ পৰা মানুহে বাৰ্মুডা ত্ৰিভূজৰ বিষয়ে নানা জল্পনা-কল্পনা কৰি আহিছে। এই বাৰ্মুডা ত্ৰিভূজৰ ওপৰেৰে কোনো বস্তু পাৰ হৈ যাব নোৱাৰে। মানুহে লক্ষ্য কৰিছিল যে, এই ত্ৰিভূজৰ ওপৰেৰে পাৰ হৈ যোৱা উৰাজাহাজ, পানী জাহাজ আদি সকলো বস্তু নিমিষতে অদৃশ্য হৈ যায়। কিন্তু আজি লৈ কোনেও এই ৰহস্য উদ্‌ঘাটন কৰিব পৰা নাই। এনেক্ষেত্ৰত বাৰ্মুডা ত্ৰিভূজৰ ৰহস্য আজিও ৰহস্য হৈয়ে আছে।

**বাৰ্মুডা ত্ৰিভুজৰ পৰিসীমা ঃ** আটলাণ্টিক পৃথিৱীৰ দ্বিতীয় বৃহত্তম মহাসাগৰ। এই মহাসাগৰৰ বুকুত সৰু-বৰ বহুতো দ্বীপ আছে। মেক্সিকো, কেৰিবিয়ান আদি সাগৰ এই মহাসাগৰৰ অন্তৰ্গত। উত্তৰে বাৰ্মুডা দ্বীপ, দক্ষিণে ফ্ল'ৰিডাৰ দক্ষিণাংশ আৰু পূৰে বাহামাৰ মাজৰ প্ৰায় ৪০° পশ্চিম দ্ৰাঘিমাংশৰ মাজৰ ত্ৰিভুজ আকৃতিৰ এই বৃহৎ অঞ্চলটোক লৈ বামুৰ্ডা ত্ৰিভুজ গঠিত হৈছে। বাৰ্মুডা ত্ৰিভুজক ডেভিলছ ট্ৰায়েংগল, মেজিক-ৰম্বাছ, লিম্বো অৱ দা লষ্ট, ট্ৰায়েংগল অৱ ডেথ, গ্লেডয়াডি অৱ্ আলণ্টিক নামেৰে জনা যায় যদিও বাৰ্মুডা ত্ৰিভুজ নামটোহে অধিক জনপ্ৰিয়। বাৰ্মুডা ত্ৰিভুজৰ বিশেষত্ব এয়ে যে, ইয়াৰ ওপৰেৰে পাৰ হৈ যাব বিচৰা সকলো বস্তু নিমিষতে অদৃশ্য হৈ যায়। এতিয়ালৈ ইয়াত অলেখ উৰাজাহাজ আৰু পানী জাহাজ অন্তৰ্ধান হৈছে। সৰ্ব প্ৰথমে ক্ৰিষ্টোফাৰ কলম্বাছে এই ত্ৰিভূজৰ ৰহস্যৰ বিষয়ে জানিব পাৰিছিল আৰু তেওঁৰ টোকা বহীত এই বিষয়ে লিখি থৈ গৈছে।

**বাৰ্মুডা ত্ৰিভুজৰ বিষয়ে জনবিশ্বাস ঃ** বাৰ্মুডা ত্ৰিভূজ অঞ্চলত কেইবাখনো উৰাজাহাজ, পানী জাহাজ আদি অন্তৰ্ধান হোৱাৰ উপৰিও এই অঞ্চলত নানা ধৰণৰ অলৌকিক ঘটনাও সংঘটিত হৈছে। এনেক্ষেত্ৰত এই অঞ্চলত অপাৰ্থিৱ শক্তিৰ



বারমুডা ট্রায়াঙ্গেল

১৯২১ চনত ইংলেণ্ড, ইটালী আৰু আমেৰিকাৰ একাধিক জাহাজ বাৰ্মুডা ত্ৰিভুজত নিখোজ হৈছিল। ১৯৭৩ চনত 'অনিতা' নামৰ মালবাহী জাহাজখনো নিখোজ হৈছিল। ১৯৪৮ চনত ফ্ল'ৰিডাৰ দক্ষিণাংশত 'ৰেভোনক' নামৰ এখন ইয়ট নিখোজ হৈছিল। ভাৰ্জিনিয়ালৈ যোৱাৰ পথত 'দ্য ছি ভেঞ্চাৰ' নামৰ জাহাজখনো নিখোজ হৈছিল। এইদৰে বহু পানী জাহাজ এই বাৰ্মুডা অঞ্চলত নিখোজ হৈছিল।

**বামুৰ্ডা ত্ৰিভুজ অঞ্চলৰ আকাশমাৰ্গ ঃ** বাৰ্মুডা ত্ৰিভুজৰ জলভাগতহে যে, এনে ধৰণৰ ঘটনা সংঘটিত হৈছে তেনে নহয়, এই অঞ্চলৰ আকাশ মাৰ্গতো তেনে বহু ঘটনা সংঘটিত হৈছে। ১৯৪৫ চনৰ ৫ ডিচেম্বৰৰ দিনা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছখন নৌসেনা বাহিনীৰ বিমান হঠাতে বাৰ্মুডা ত্ৰিভূজৰ আকাশমাৰ্গত নিখোজ হৈছিল। সেইদৰে ১৯৪৭ চনৰ ৩ জুলাইৰ দিনা আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনা বাহিনীৰ চি-৫৪ নামৰ বিমানখনো এই অঞ্চলতে নিখোজ হৈছিল। ১৯৪৮ চনৰ ৩০ জানুৱাৰীতো অন্য এখন যাত্ৰীবাহী বিমান নিখোজ হৈছিল। ১৯৪৯ চনত ব্ৰিটিছ চাউথ আমেৰিকান কোম্পানী (বি.অ.এ.চি)ৰ যাত্ৰীবাহী বিমানখনো এই একে ঠাইতে নিখোজ হৈছিল। এইদৰে এই বাৰ্মুডা ত্ৰিভুজৰ আকাশমাৰ্গত বহুকেইখন বিমান নিখোজ হৈছিল।

**অলৌকিক কাৰ্য ঃ** কেতিয়াবা বাৰ্মুডা ত্ৰিভুজ অঞ্চলত কিছুমান যাত্ৰী বিহীন জাহাজ ঘূৰি ফুৰা দেখা যায়। ইয়াৰে কোনো কোনো জাহাজত খোৱা পানী, খাদ্য-সামগ্ৰী আদি থকাৰো সম্ভেদ পোৱা গৈছে। অৱশ্যে বহুতে এইবোৰ ভৌতিক জাহাজ বুলি ক'ব বিচাৰে। সেইদৰে এতিয়ালৈ বাৰ্মুডা ত্ৰিভুজ অঞ্চলত ধ্বংস হোৱা জাহাজসমূহত যাত্ৰীৰ বাহিৰে অন্যবোৰ সামগ্ৰী অক্ষুণ্ণ অৱস্থাত থকাৰো সম্ভেদ পাইছে। এইক্ষেত্ৰত বাৰ্মুডা ত্ৰিভুজৰ এনে কাৰ্যই সঁচাকৈ মানুহৰ মনত কৌতুহল সৃষ্টি কৰিছে। নিশ্চয় এদিন জীৱ শ্ৰেষ্ঠ মানুহে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বলেৰে বাৰ্মুডা ত্ৰিভুজৰ গভীৰ ৰহস্য উদ্‌ঘাটন কৰিব পাৰিব আৰু তেনে প্ৰচেষ্টা সদায় অব্যাহত থাকিব।■

## আজিৰ দিনটোৰ কাৰণে

- **আজিৰ দিনটোৰ কাৰণে মই তিনি প্ৰকাৰে আত্মাৰ ব্যায়াম কৰিম ঃ কোনেও গম নোপোৱাকৈ মই অন্ততঃ এজন মানুহৰ কিবা এটা উপকাৰ কৰিম, মনৰ বল বঢ়াবৰ কাৰণে মই কৰি ভাল নোপোৱা দুটা কাম কৰিম, কোনোবাই যদি মোৰ অনুভূতিক আঘাত কৰে, বাহিৰত মই তাক কেতিয়াও প্ৰকাশ নকৰিম।**
- **আজি দিনটোৰ কাৰণে মই যিমান পাৰো দেখনিয়াৰ হৈ থাকিবলৈ চেষ্টা কৰিম, সুৰুচিসম্পতভাৱে সাজ-পাৰ পিন্ধিম, শান্তভাৱে কথা কম, ভদ্ৰভাৱে কাম কৰিম, কাকো সমালোচনা নকৰোঁ আৰু নিজৰ বাহিৰে আন কাকো সংশোধন বা ভাল কৰিবলৈ চেষ্টা নকৰোঁ।**

**জিজ্ঞাসা ঃ হোমেন বৰগোহাঞি**

# চিলা ভকতৰ কাহিনী

**কিৰণ শইকীয়া বৰা**

মইনাহঁত!

তোমালোকক এটি কাহিনী ক'বলৈ ওলাইছোঁ। কাহিনীটো চিলা নামৰ ভকত এগৰাকীৰ। তেওঁৰ এটি বিশেষ গুণ আছিল। অচিনাকি মানুহ এজন দেখিলেও মানুহজনৰ স্বভাৱ চৰিত্ৰৰ বিষয়ে গম পাইছিল, চিনাকি হ'লেতো কথাই নাই। তেওঁৰ এই গুণটোৰ বিষয়ে বহু দূৰ-দূৰণিলৈকে প্ৰচাৰ হৈছিল। আজিকালি বাতৰি কাকত বা আন প্ৰচাৰ মাধ্যমৰ যোগেৰে বাতৰিবোৰ প্ৰচাৰ হয়। তেতিয়াৰ দিনত বাতৰি কাকত বা আন প্ৰচাৰ মাধ্যম নাছিলেই, মুখ বাগৰি-বাগৰিয়েই খবৰবোৰ প্ৰচাৰ হয়।

চিলা ভকতৰ গুণৰ বিষয়ে শুনি তিনিগৰাকী ভকতে কথাটো হয়নে নহয় প্ৰমাণ চাবলৈ ওলাল। তেওঁলোকৰ গাঁৱৰ পৰা চিলা ভকতৰ গাঁৱলৈ এদিনৰ বাট। মাজত হাবিও আছে। তেতিয়াৰ দিনতটো যান-বাহনৰ কথা নাছিলেই। মাটিৰে হ'লে খোজকাঢ়ি আৰু পানীৰে হ'লে নাৱেৰে যোৱাৰ বাহিৰে গত্যন্তৰ নাছিল। তেওঁলোক খোজকাঢ়িয়েই ওলাল। আহি আহি হাবিখনৰ ওচৰ পালেহি। সেইখিনিতে আকৌ চোৰ তিনিজন ৰৈ আছিল, ৰাতি হ'লে চুৰ কৰিবলৈ যাম বুলি। ভকত কেইগৰাকীক দেখি চোৰকেইজনে ক'ৰ মানুহ ক'লৈবা যায় আতিগুৰি ল'লে। এওঁলোকে চিলা ভকতৰ গুণ গৰিমাৰ কথা শুনি তেওঁক চাবলৈ অহা বুলি জনালে। চোৰ কেইজনে আলোচনা কৰিলে আমি দেখোন চিলা ভকতৰ নামেই শুনা নাই। যি নহওক আজিৰ বাবে চুৰি কাৰ্য বাদ দি এওঁলোকৰ লগত চিলা ভকতৰ ওচৰলৈ গৈ চাওঁচোন। কিনো বিশেষ গুণ আছে তেওঁৰ গাত। কথা মতেই কাম, তেওঁলোকো ওলাল চিলা ভকতৰ ওচৰলৈ। গৈ গৈ হাবিৰ মাজ পালে তেওঁলোক। হাবিৰ মাজত ভকত কেইগৰাকীয়ে বাঘ, ভালুক, সাপ আদিলৈ ভয় কৰি ভগৱানৰ নাম ল'বলৈ ধৰিলে। তেওঁলোক তিনিগৰাকীৰ নাম লোৱাৰ ধৰণ বেলেগ বেলেগ। এগৰাকীয়ে মনে মনে ভগৱানক স্মৰণ কৰি গৈ আছে। এগৰাকীয়ে শুনা-নুশুনাকৈ স্মৰণ কৰিছে। আন গৰাকীয়ে আকৌ সকলোৱে শুনাকৈ ডাঙৰ ডাঙৰকৈ নাম গাই গৈ আছে। গৈ গৈ তেওঁলোকে চিলা ভকতৰ ঘৰ পালেগৈ। বাটত একো অঘটন নঘটিল। আলহী অহা বুলি গম পাই চিলা ভকতে আথেবেথে ছয়োজনকে আগবঢ়াই নি বহিবলৈ দিলে। পিছে আচৰিত কথা ভকতকেইগৰাকীক বহা আসন দিলে- কঠ পাৰি, চোৰকেইজনক দিলে খেৰ পাৰি। তাৰ পিছত খাবলৈ আনিলে। এইবাৰো খাদ্য দিয়াৰ ধৰণ বেলেগ-বেলেগ হ'ল। মনে মনে নাম লোৱা ভকতগৰাকীক ঠাইখিনি মচি শৰাইৰ ওপৰত কাঁহৰ বাতিত দোৱাভজা চিৰাৰ লগত ঘনকৈ পগোৱা গাখীৰ আৰু চেনী দি পাত এখনেৰে ঢাকি সজাই দিলে। মধ্যমকৈ নামলোৱা গৰাকীক

কলপাতত চিৰা, দৈ, গুড় আৰু ডাঙৰকৈ নাম লোৱা গৰাকীক সান্দহগুৰি পাতত সজাই দিলে। চোৰ কেইজনৰ এজনক তুঁহগুৰি, এজনক কঁঠালপাত আৰু আনজনক খুদ কেইটামানহে দিলে। দিয়াৰ ধৰণ আৰু খাদ্য দেখি তেওঁলোকৰ চকু কঁপালত উঠিল। শেষত ৰ'ব নোৱাৰি সুধিয়েই পেলালে আমি ছয়োজন একেলগে আহিছোঁ। তুমি আমাক চিনিও নোপোৱা, কিন্তু খাবলৈ দিয়া বস্তুবোৰ আটাইকেজনকে বেলেগ-বেলেগকৈ দিছা। ইয়াৰ কাৰণ কি? কথাখিনি শুনি চিলা ভকতে ক'লে-- তোমালোক আটাইকেজনৰে স্বভাৱ-চৰিত্ৰ বেলেগ বেলেগ ধৰণৰ বাবে সেই অনুসাৰে খাদ্য আগবঢ়াইছো। তাৰ পিছত মনে মনে ভগৱানৰ নাম স্মৰণ কৰাগৰাকীৰ ফালে চাই ক'লে তুমি ভগৱানৰ পৰম ভকত, ভগৱানক তোমাৰ হৃদয়ত পাইছা সেয়ে মনে মনে স্মৰণ কৰা। মধ্যমকৈ নামলোৱা গৰাকীক ক'লে-- তুমি এতিয়াও ভগৱানক হৃদয়ত স্থান দিব পৰা নাই, চকামকাকৈ কেতিয়াবা দেখা মাথোন। তাৰ পিছত ডাঙৰকৈ নামলোৱা গৰাকীক ক'লে-- তুমি ভগৱানক পাবলৈ বহু বাকী আছে। অৱশ্যে পাবাগৈ পলমকৈ হ'লেও। শেষত চোৰকেইজনৰ ফালে চাই ক'লে-- এওঁলোক তিনিজন একে চৰিত্ৰৰ। এওঁ আগৰ জনমত গাহৰি হৈ জন্ম পাইছিল। এই জনমত মানুহ হৈ জন্মিছে যদিও স্বভাৱ একেই আছে। কাম-বন একো নকৰি লোকৰ ঘৰে-ঘৰে চুৰি কৰি ফুৰে। পাপ কাম কৰি আৰ্জন কৰা ধনেৰে পুত্ৰ-ভাৰ্যা পুহি আছে। এওঁ আকৌ আগৰ জনমত ছাগলী হৈ জন্ম পাইছিল, এই জনমত মানুহৰূপে জন্মিও একেই আছে। আৰ বাৰী তাৰ বাৰীয়ে লুপলুপাই ফুৰে। অ'ৰ কথা ত'ত লগাই কাজিয়া লগায়। ঈৰ্ষা, হিংসা এওঁ এৰিব পৰা নাই। আৰু এওঁ বালিচাহী, হাতীৰ পিচত মেকুৰী হৈ জন্মছিল। এইবাৰ মানুহৰূপে জন্মিলে। কিন্তু স্বভাৱ একেই থাকিল। মিছা কথা কোৱা, আনৰ কুৎচা ৰচনা কৰা আৰু চোৰ কৰি জীৱন নিৰ্বাহ কৰাই হ'ল এওঁৰ কাম। এনেদৰে চলিলে এওঁলোকৰ এইটো জনমো এনেয়ে যাব। গতিকে যাৰ যোগ্যতা যিমানৰ, তেনেভাৱে খাদ্য দিয়া হৈছে। চিলা ভকতৰ আচৰিত মহিমা দেখি ছয়োজন আচৰিত হ'ল। যি দুগৰাকী ভকতৰ দোষৰ কথা ক'লে, তেওঁলোকে ভগৱানক হৃদয়ত পাবলৈ চেষ্টা কৰাৰ প্ৰতিজ্ঞা কৰিলে। চোৰ কেইজনৰো চকু মুকলি হ'ল। মানুহ হিচাপে জন্মি মানুহৰ কাম কৰিবলৈ স্থিৰ কৰিলে। তেওঁলোকে শুদ্ধ চিত্তে হৰি ভজি সন্তৰ সঙ্গত নিজৰ বাকী থকা কাল কটাবলৈ সিদ্ধান্ত কৰি চিলা ভকতক সেৱা জনাই ঘৰলৈ আহিল।

মইনাহঁত, বৰ্তমান সময়তো চিলা ভকতৰ নিচিনা বিশেষ গুণ থকা লোকৰ আমাৰ সমাজত প্ৰয়োজন হৈছে নহয়নে? তেনেকুৱা ছাৰ বাইদেউ স্কুলত থাকিলে তোমালোকক দেখাৰ লগে লগে মনৰ কথা বুজি পালেহেঁতেন। ঘৰৰ কাম কৰিবলৈ দিলে ফাঁকি দি নকৰাকৈ থাকিব নোৱাৰিলাহেঁতেন। ডাঙৰ মানুহবোৰেও সৎভাৱ জীৱন-যাপন কৰিবলৈ বাধ্য হ'লহেঁতেন। কেনে মজা হ'লহেঁতেন নহয়নে?■

(কথা গুৰু চৰিতৰ পৰা)

# নকৰিবা বঞ্চিত দিবা কিঞ্চিত

মণি চেতিয়া

মৰমৰ পোণাহঁত! অতিথি সেৱা মানুহৰ এটা মহান ধৰ্ম। ই এক পৱিত্ৰ কৰ্তব্য। সংস্কৃতত এযাৰ কথা আছে-- ল'ৰাই হওক বা বুঢ়াই হওক ঘৰলৈ অহাজনক বিধি ব্যৱস্থাৰে সেৱা শুশ্ৰূষা কৰা উচিত। যিদৰে গছেও নিজ শত্ৰু গছ কাটোতাজনক ছাঁ নিদিয়াকৈ নাথাকে, সেইদৰে ঘৰলৈ অহা শত্ৰুজনকো সেৱা শুশ্ৰূষা কৰা উচিত। বেয়া ব্যৱহাৰ বা অনাদৰ কৰা উচিত নহয়। বিশেষকৈ ঘৰলৈ অহা ভোকাতুৰক পাৰিলে অন্নদান কৰিবা, নোৱাৰিলে সুমিষ্ঠ বচনে বিদায় দিবা। তাতোকৈ পিয়াহত আতুৰজনক পানীকণ যোগাৰ দিয়াত কিন্তু হেমাহি নকৰিবাহঁক। কাৰণ পানীয়েই প্ৰাণীৰ প্ৰাণ। অতিথি সাক্ষাৎ দামোদৰ-- কথাযাৰ মনত ৰাখিবা। তোমালোকক এই বিষয়ে ক'ম ক'ম বুলি ক'বলৈ সুবিধা পোৱা নাছিলোঁ। আজি সুবিধাকণ পাইছোঁ যেতিয়া অতিথি পৰায়ণ ৰজা এজনৰ চমু অথচ তত্ত্বগধূৰ কাহিনীটো কৈছোঁ মন দি শুনাহঁক।

পুৰণি দিনৰ কথা। ভাৰতবৰ্ষৰ ইতিহাসত ৰজা, মহাৰজা, সন্ত, মহন্ত আদি অনেক মহাপুৰুষৰ উদাহৰণ পোৱা যায়। ৰজা সংস্কৃতিৰ পুত্ৰ ৰন্তিদেৱ নামৰ এজন ৰজাৰ বিষয়ে কৈছোঁ। সংস্কৃতিৰ গুৰু আৰু ৰন্তিদেৱ নামৰ দুজন পুতেক আছিল। সংস্কৃতিৰ মৃত্যুৰ পিচত ৰন্তিদেৱ ৰজা হয়। তেওঁ বৰ প্ৰতাপী ৰজা আছিল। ৰজা হ'লেও তেওঁ আছিল পৰোপকাৰী, ন্যায়শীল, দয়ালু, ধৰ্মপৰায়ণ আৰু ত্যাগী। তেওঁৰ সেই খ্যাতি সকলোলৈকে বিয়পি পৰিছিল। তেওঁ দুখীয়া, অসহায় লোকৰ দুখ সহ্য কৰিব নোৱাৰিছিল। সেই কাৰণে দুখীয়াৰ দুখ দুৰ্দশা দেখি নিজৰ সৰ্বস্ব দান কৰি বহু কষ্টেৰে জীৱন নিৰ্বাহ কৰিছিল।

এদিনৰ কথা। তেওঁ আহাৰ নোখোৱা দূৰৰে কথা, আঠাইশ দিনলৈকে পানী এটোপাও খাবলৈ নাপাইছিল। ভোক আৰু পিয়াহত জৰ্জৰিত হৈ দুৰ্বল হোৱাৰ বাবে কঁপিবলৈ ধৰিলে। এটুকুৰা ৰুটিৰ মূল্য কিমান কেৱল ভোকাতুৰেহে জানে-- যন্ত্ৰণা কিমান। কি যে ভাগ্য! শেষৰ ঊনপঞ্চাশ দিনৰ দিনা প্ৰাতঃকালতেই ঘিউ, খীৰ, মাখন, পানী-- সকলো তেওঁ সন্মুখত মজুত হৈ থকা দেখি চিন্তা কৰিবলৈ ধৰিলে। ইমানবোৰ বস্তু ক'ৰ পৰা কেনেকৈ আহিল, কোনে আনিলে ৰজাই একোকে নাজানে।

ৰন্তিদেৱ ভোজন কৰিবলৈ বহিল। তেনেতে এজন ব্ৰাহ্মণ অতিথি আহি ওলালহি। কোটি টকা থকা মানুহে যশস্যাৰ বাবে লাখ টকা দিয়া সহজ, কিন্তু ভোকাতুৰে পেটৰ অন্ন দান কৰা বৰ কঠিন। সকলোতে হৰিময় দেখা ৰন্তিদেৱে সেই অন্ন ভাগ কৰি অতি শ্ৰদ্ধাপূৰ্বক অতিথি ব্ৰাহ্মণক খাবলৈ দিলে। ব্ৰাহ্মণেও তৃপ্তিৰে অন্ন খাই গুচি গ'ল।

পৰিবাৰৰ সৈতে ভাগ বটাই খাবৰ সময়ত আকৌ এজন শূদ্ৰ অতিথি আহি উপস্থিত হ'ল। ৰজাই ভগৱানক স্মৰণ কৰি ৰাহি থকা অন্নভাগ শূদ্ৰ অতিথিক খাবলৈ দিলে। ঠিক তেনে সময়তে কুকুৰ এজাক লগত লৈ অন্য এজন মনুষ্য অতিথি উপস্থিত হৈ ক'লে-- 'ৰাজন! এই কুকুৰৰ লগতে ময়ো ভোকত আছোঁ। খাবলৈ কিবা এটা দিয়ক।'

হৰিভক্ত ৰজাই নিজৰ বাবে খুদকণো নাৰাখি অতিথিক খাবলৈ দিয়াৰ লগতে সকলো অন্ন কুকুৰক খাবলৈ দিলে। অতিথিজনে আনন্দৰে খাই উঠি কুকুৰ সৈতে ঘৰৰ পৰা ওলাই গ'ল। অতিথিক খোৱাওতেই অন্ন ঢুকাল। ৰজাৰ বাবে বাকী থাকিল এটুপি পানী। নিয়তিৰ কিযে পৰিহাস! ৰজাই বহি পানী খাবলৈ লওঁতেই হঠাৎ চণ্ডাল এজন আহি ক'লে-- 'মহাৰাজ! মোৰ বৰ পিয়াহ লাগিছে। এই অপৱিত্ৰ নীচক খাবলৈ পানী অলপ দিয়ক।'

পিয়াহত আতুৰ চণ্ডালজনৰ প্ৰতি ৰজাৰ দয়া উপজিল আৰু অমৃতময় বচনে ক'লে-- 'মই পৰমাত্মাৰ পৰা অনিমা আদি অষ্ট সিদ্ধিৰে যুক্ত উত্তম গতি বিচৰা নাই, মই কেৱল এইটোহে বিচাৰিছোঁ ময়েই সকলো প্ৰাণীৰ অন্তঃকৰণত থাকি তেওঁলোকৰ দুখ ভোগ কৰো, যাৰ পৰা সেইসকলৰ দুখ দূৰ হৈ যায়। পানীয়েই প্ৰাণীৰ প্ৰাণ। পানী নহ'লে কোনো জীৱই জীয়াই থাকিব নোৱাৰে। প্ৰাণ ৰক্ষাৰ কাৰণে মোতকৈ হীনজনক পানীকণ দিলে মোৰ ভোক, পিয়াহ, দীনতা, ক্লান্তি, শোক, বিষাদ, মোহ আদি সকলো নাইকিয়া হ'ব।' এইদৰে কৈ দয়ালু ৰজাই নিজে পিয়াহত মৃতপ্ৰায় হৈ থাকি আদৰ আৰু প্ৰসন্নতাৰে চণ্ডালক পানী খাবলৈ দিলে। চণ্ডালেও হেঁপাহ পলুৱাই পানী খাই-- 'ধন্য মহাৰাজ! ধন্য' বুলি কৈ তেওঁৰ পৰা আঁতৰি গ'ল।

ফলৰ কামনা কৰোতাক, ফল দিওঁতা ত্ৰিভূৱননাথ ব্ৰহ্মা, বিষ্ণু আৰু মহেশ-- তিনিওজনে মহাৰাজ ৰন্তিদেৱক পৰীক্ষা ল'বৰ বাবে মায়াৰ দ্বাৰা ক্ৰমশঃ ব্ৰাহ্মণাদি ৰূপ ধৰি তেওঁৰ ওচৰত উপস্থিত হৈছিল। ৰজাৰ ধৈৰ্য আৰু অতিথি পৰায়ণতা দেখি তেওঁলোক পৰম সন্তোষ হ'ল আৰু তেওঁলোকে নিজ নিজ ৰূপ ধাৰণ কৰি ৰজাক দৰ্শন দিলে। ৰজাইও প্ৰত্যক্ষ দৰ্শন কৰি তিনিওকে প্ৰণাম জনালে।

তেওঁলোকে ৰজাক বৰ ল'বলৈ কোৱা সত্বেও ৰজাই কোনো বৰ নল'লে। কাৰণ ৰজাই আসক্তি আৰু কামনা ত্যাগ কৰি নিজৰ মন কেৱল ভগৱান বাসুদেৱত ন্যস্ত কৰিছে। পৰমাত্মাৰ অনন্য ভক্ত ৰন্তিদেৱে নিজৰ চিত্ত পূৰ্ণৰূপত কেৱল ঈশ্বৰত আশ্ৰয় লৈছে আৰু পৰমাত্মাৰ সৈতে লীন যোৱা কাৰণে ত্ৰিগুণময়ী মায়াও তেওৰ ওচৰত স্বপ্নৰ দৰে লীন হ'ল। তেওঁৰ সংগৰ প্ৰভাৱতে পৰিয়ালৰ সকলো নাৰায়ণপৰ হৈ পৰম গতি লাভ কৰিলে।■

# জটায়ুৰ আত্ম-ত্যাগ

**বোধেশ্বৰ কাকতি**

মৰমৰ মইনাহঁত! তোমালোকক আজি মহাকাব্য ৰামায়ণৰ এটি কাহিনী কৈ শুনামহক। কাহিনীটো এজন প্ৰভুভক্ত পক্ষীৰাজৰ আত্ম-ত্যাগৰ মহৎ কাহিনী। তেওঁ হ'ল গৃধ্ৰৰাজ জটায়ু অৰ্থাৎ শগুণৰ ৰজা জটায়ু।

পঞ্চৱতী বনৰ পৰা লঙ্কাৰ ৰজা ৰাৱণে সীতাক হৰণ কৰি আকাশেৰে গৈ আছিল। সীতাই নিৰাশ্ৰয়া অৱস্থাত কান্দি-কাটি তেওঁক এৰি দিবৰ কাৰণে ৰাৱণক কাকুতি-মিনতি কৰিছিল। তেওঁৰ স্বামী শ্ৰীৰাম চন্দ্ৰ আৰু দেওৰ লক্ষ্মণৰ বীৰত্বৰ কথা সকলোৰে শুনাকৈ কৈছিল। কিন্তু দুৰাচাৰ ৰাৱণে সীতাৰ কোনো কথাতেই গুৰুত্ব দিয়া নাছিল। শেষত সীতাই হাবিৰ গছ লতা, তৰু-তৃণ, পশু-পক্ষীক উদ্দেশ্য কৰি কৈছিল যাতে ৰাক্ষসৰ ৰজা ৰাৱণে তেওঁক হৰি নিয়াৰ সংবাদ তেওঁৰ স্বামী শ্ৰীৰামচন্দ্ৰক জনায়। এইয়া আছিল সীতাৰ কাতৰ প্ৰাৰ্থনা। সীতাৰ প্ৰাৰ্থনাত অৰণ্যৰ পশুপক্ষী, গছ বিৰিখ আদি সকলোৰে চকুপানী টুকিছিল। কিন্তু ৰাৱণৰ হাতৰ পৰা সীতাক উদ্ধাৰ কৰাৰ কাৰো সাধ্য নাছিল। আকাশ মাৰ্গত সীতাৰ বিননিয়ে সকলোৰে অন্তৰত বিষাদৰ সুৰ তুলিছিল। সেই অৰণ্যতে আছিল শগুণৰ ৰজা জটায়ু। জটায়ুৰ দেহৰ আকাৰ অতি ভয় লগা। ওখ পৰ্বতৰ সমান বিশাল দেহ। ঠোঁটটো বৰ জোঙা আৰু অতি শক্তিশালী আছিল।

আকাশৰ পৰা সীতাই দেখিলে এজোপা গছৰ ওপৰত জটায়ু পক্ষী টোপনিত অচেতন হৈ আছে। সীতাই জটায়ুলৈ চাই কাতৰ সুৰেৰে ক'বলৈ ধৰিলে-- "হে পক্ষীৰাজ, নিদ্ৰা ত্যাগ কৰক। চাওঁকচোন ৰাক্ষস ৰাৱণে মোক অকলশৰে পাই অপহৰণ কৰি আনিছে। আপুনি মোক এই বিপদত সহায় কৰক। অনুগ্ৰহ কৰি মোক হৰণ কৰা খবৰটি মোৰ স্বামী শ্ৰীৰামচন্দ্ৰক জনাব।"

সীতাৰ কাতৰ বিননি শুনি জটায়ু সাৰ পাই উঠিল আৰু ওপৰলৈ চাই দেখিলে ৰাক্ষস ৰাৱণে বলপূৰ্বকভাৱে সীতাক ধৰি লৈ গৈছে। ৰাৱণৰ এনে কাৰ্য আৰু সীতাৰ কাতৰ বিননিয়ে পক্ষীৰাজক অস্থিৰ কৰি তুলিলে। খণ্ডত পক্ষীৰাজে ৰাৱণক উদ্দেশ্য কৰি ক'বলৈ ধৰিলে-- "হেৰ দুৰাচাৰ ৰাৱণ, মই পক্ষীৰাজ পৰাক্ৰমী জটায়ু। শ্ৰীৰামচন্দ্ৰৰ পৰম ভক্ত। তই এনে ঘৃণনীয় কাম কৰি পৃথিৱীত দুৰ্নাম আনিছ। সীতাক এৰি দিয়াই তোৰ বাবে মঙ্গল হ'ব। দশৰথ পুত্ৰ প্ৰভু শ্ৰীৰামচন্দ্ৰ। তেওঁ হ'ল জগতৰ স্বামী। এই সংবাদ পালে শ্ৰীৰামে তোক নিস্তাৰ নিদিয়ে। তোৰ গোটেই ৰাক্ষস কুল ধ্বংস হ'ব। গতিকে ভৱিষ্যত চিন্তা কৰি সীতাক এৰি থৈ যা।" ৰাৱণে জটায়ুৰ এটা শব্দও গণ্য নকৰিলে। পক্ষীৰাজৰ এইবাৰ ভীষণ খং উঠিল। পক্ষীৰাজে মনতে ভাবিলে সীতাক যিকোনো উপায়েৰে উদ্ধাৰ কৰিবই লাগিব। তাৰ কাৰণে জীৱন পণ কৰিলে জটায়ুৱে।

দুৰাচাৰ ৰাৱণলৈ চাই জটায়ুৱে সাৱধান বাণী

শুনালে। আৰু ক'বলৈ ধৰিলে-- "হেৰ পাপী ৰাক্ষস, সীতাক লৈ যোৱাৰ আগতে তোৰ যদি সাহস আছে মোৰ লগত যুদ্ধ কৰ। তোৰ বীৰত্ব প্ৰকাশ পাব এই বৃদ্ধৰ লগত যুদ্ধ দিয়াতহে।" পক্ষীৰাজ জটায়ু হ'ল যাঠি হাজাৰ বছৰীয়া বৃদ্ধ। ৰাৱণ হ'ল চফল ডেকা। তথাপি জটায়ুৱে ৰাক্ষস ৰাৱণৰ লগত যুদ্ধ কৰিবলৈ সাহস কৰিছে। এয়া জটায়ুৰ প্ৰভু ভক্তিৰ চিনাকি।

ৰাৱণৰ জটায়ুৰ ওপৰত অত্যন্ত খং উঠিল। সীতাক একাষৰীয়াকৈ থৈ ৰাক্ষস বীৰ ৰাৱণে জটায়ুৰ লগত যুদ্ধত অৱতীৰ্ণ হ'ল। প্ৰভু শ্ৰীৰামচন্দ্ৰক স্মৰণ কৰি জটায়ুৱে ৰাৱণৰ লগত যুদ্ধ কৰিলে। জটায়ুৰ শক্তিশালী পাখি আৰু চোকা ঠোঁটেৰে ৰাৱণক আঘাত কৰিলে। ৰাৱণেও ধনু শৰ নিক্ষেপ কৰি জটায়ুৰ দেহ ক্ষত-বিক্ষত কৰিলে। কিন্তু জটায়ু অৱশেষত ক্লান্ত হৈ পৰিল। ৰাৱণে জটায়ুৰ দুৰ্বল অৱস্থাৰ সুযোগ লৈ জটায়ুৰ পাখি দুখন কাটি পেলালে। তাৰ পিছত দুখন ঠেং আৰু ফিছা পৰ্যন্ত কাটি পক্ষীৰাজক মাটিত বগৰাই পেলালে। পক্ষীৰাজ যন্ত্ৰণাত ছট্‌ফটাই অচেতন হৈ পৰিল। বিজয়ৰ গৌৰৱেৰে বীৰদৰ্পে ৰাক্ষস ৰাৱণে সীতাক লৈ পুনৰ লঙ্কা অভিমুখে যাত্ৰা কৰিলে।

ইফালে ৰাম লক্ষ্মণে মায়া মৃগ মাৰি সীতাক নেদেখি চিন্তাত অস্থিৰ হৈ পৰিল। অৰণ্যৰ বিভিন্ন প্ৰান্তত সীতাক বিচাৰি তেওঁলোক ঘূৰি ফুৰিবলৈ ধৰিলে। এনেদৰে বনৰ মাজত মৃত প্ৰায় অৱস্থাত পক্ষীৰাজ জটায়ুই শ্ৰীৰাম চন্দ্ৰৰ হাতৰ স্পৰ্শত প্ৰাণবায়ু ঘূৰাই পালে যদিও ৰাক্ষস বীৰ ৰাৱণে সীতাক হৰণ কৰাৰ সংবাদ দি জটায়ুয়ে শেষ নিশ্বাস ত্যাগ কৰে।

মইনাহঁত! তোমালোকে পক্ষীৰাজ জটায়ুৰ কাহিনী শুনিলা। জটায়ু আছিল ত্যাগৰ প্ৰতীক। পক্ষীৰাজ জটায়ুৱে প্ৰভুৰ চৰণ চিন্তি সত্য ধৰ্ম ৰক্ষাৰ কাৰণে নিজৰ প্ৰাণ বিসৰ্জন দিছিল। এটি পক্ষী হৈ জীৱনৰ সৰ্বস্ব ত্যাগ কৰি আত্ম বলিদান দিয়া কাহিনী পৃথিৱীত অতি বিৰল। ইয়াৰ অন্তৰালত মানৱ জীৱনৰ নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ মহান আদৰ্শ নিহিত আছে।■

## হাঁহো আহা

এখন উৰাজাহাজৰ ভিতৰত পাইলটৰ উপৰি এজন ৰাজনীতিজ্ঞ, এজন শিক্ষক আৰু এজন ছাত্ৰ যাত্ৰী হিচাপে নিজৰ নিজৰ আসনত বহি গৈ আছিল। হঠাতে আকাশত উৰি থাকোতেই উৰা জাহাজৰ যান্ত্ৰিক বিজুতি ঘটিল। পাইলটে যাত্ৰীসকলক সতৰ্ক বাণী শুনালে যে, যিকোনো মুহূৰ্ততে উৰা জাহাজখন দুৰ্ঘটনাত পৰিব পাৰে। ৰাজনীতিবিদে কথা বিষম দেখি বাকীসকলক শুনাই ক'লে যে-- 'মোৰ নিৰ্বাচন ওচৰ চাপি আহিছে। মই যিহেতু এইবাৰ সাংসদ হিচাপে এটা সমষ্টিৰ পৰা থিয় দিছো, গতিকে মই ইয়াত আৰু ৰ'বলৈ সময় নাই।' এই বুলি তেওঁ পেৰাচুট লৈ তললৈ জপিয়াই দিলে। উৰা জাহাজখনত কিন্তু তিনিটাহে পেৰাচুট আছিল। পাইলটজনেও পলম নকৰি নিজৰ প্ৰাণৰ মমতাত পেৰাচুট পৰিধান কৰি তললৈ জাপ মাৰিলে। বাকী থকা এটা পেৰাচুটেৰে এতিয়া কোনে প্ৰাণ ৰক্ষা কৰিব-- এই লৈ শিক্ষক আৰু ছাত্ৰজনৰ মাজত লৰালৰিভাৱে কথোপকথন চলিল। শিক্ষকজনে ক'লে-- বাচা, মোৰ বয়সো বহুত হ'ল। জীৱনত কৰিবলগীয়া কৰ্মও অন্ত পৰি আহিছে। গতিকে ময়েই মৃত্যুক সাৱটি লওঁ, তুমি পেৰাচুট পিন্ধি নামা। তেতিয়া ছাত্ৰজনে তপৰাই শিক্ষকক ক'লে যে-- ছাৰ, পেৰাচুট দুটাই আছে নহয়। ৰাজনীতিবিদজনে পেৰাচুট বুলি ভাবি মই স্কুললৈ লৈ অহা বস্তাটো লৈয়েই জাপ মাৰি দিলে।

সংগ্ৰাহক ঃ ৰাজবল্লভ নাথ

# আমাৰ পৰিৱেশ আৰু সজাগতা

**ভৰেন দুৰৰী**

পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বুলিলে জীৱজগতৰ ওপৰত প্ৰভাৱ পেলোৱা অৱস্থা আৰু ইয়াৰ কাৰকসমূহক বুজায়। পৰিৱেশ 'অনুকূল আৰু প্ৰতিকূল' দুই ধৰণৰ হ'ব পাৰে; অৰ্থাৎ অনুকূল পৰিৱেশে আমাৰ হিত সাধন কৰে আৰু প্ৰতিকূল পৰিৱেশে আমাৰ অনিষ্ট সাধন কৰে। গতিকে পৰিৱেশ যাতে প্ৰতিকূল হ'ব নোৱাৰে তাৰ বাবে আমি সকলোৱে সতৰ্ক হোৱা উচিত। অনুকূল আৰু প্ৰতিকূল পৰিৱেশৰ বিষয়ে জ্ঞান আহৰণ কৰি আগতীয়াকৈ নতুবা সময়োচিত ব্যৱস্থা লোৱা কাৰ্যকে পৰিৱেশ সজাগতা বুলি কোৱা হয়।

আমি দেখি থকা জগতখন বা আমি থকা ঠাই ডোখৰ, ইয়াৰ মানুহবোৰ, গছ-গছনি, নৈ-বিল, জান-জুৰি, পৰ্বত-পাহাৰ, জীৱ-জন্তু, কীট-পতঙ্গ সকলো প্ৰকৃতিৰ সৃষ্টি। মানুহবোৰো প্ৰকৃতিৰে এটি অংশ। প্ৰকৃতি এটা নিৰ্দিষ্ট নিয়ম আৰু শৃঙ্খলাৰ মাজেৰে চলা দেখা যায়। মানুহ প্ৰকৃতিৰ অঙ্গ হোৱাৰ বাবেই মানুহে প্ৰকৃতিৰ লগত সহাৱস্থান কৰি চলিব লাগে। ইয়াৰ ব্যতিক্ৰম হ'লে প্ৰকৃতিৰ ভাৰসাম্যতা হ্ৰাস হয় আৰু ফলত প্ৰতিকূল পৰিৱেশ সৃষ্টি হয় আৰু এনে পৰিৱেশে আমাৰ অনিষ্ট সাধন কৰে।

এতিয়া চোৱা হওক গছ-গছনি, নৈ-বিল বা পাহাৰ-পৰ্বতবোৰেনো আমাক কিদৰে প্ৰভাৱ পেলায়। মানুহ জীয়াই থাকিবলৈ অম্লজান গেছৰ প্ৰয়োজন আৰু গছ-গছনিক লাগে এঙাৰ গেছ। গছ-গছনিবোৰে পৰ্যাপ্ত পৰিমাণৰ অম্লজান গেছ প্ৰস্তুত কৰি এৰি দিয়ে আৰু আমি সেই গেছ শ্বাসৰ যোগেদি আহৰণ কৰোঁ। আমি যি এঙাৰ গেছ নিশ্বাসৰ যোগেদি এৰি দিওঁ সেইবোৰ গছে আহৰণ কৰি লয়। হাবি-বননিবোৰ জীৱ-জন্তুবিলাকৰ আশ্ৰয় ভূমি আৰু খাদ্য ভাণ্ডাৰ। নদ-নদীবোৰৰ পৰা আমি খোৱা পানী, খেতি-বাতিৰ বাবে প্ৰয়োজনীয় পানী পাব পাৰোঁ। মাছ-মগৰ ইত্যাদি যোগান ধৰাৰ লগতে অনেক ধৰণে আমাৰ প্ৰয়োজন সাধন কৰে। নদীবিলাকে জলবায়ু নিয়ন্ত্ৰণ কৰি আমাক জীয়াই থকাৰ বাবে অনুকূল পৰিৱেশ দিয়ে। পৰ্বত-পাহাৰবিলাকে বৰষুণ দিয়াৰ সুবিধা কৰে। তাৰ উপৰি পাহাৰবিলাকৰ পৰা বহুতো মূল্যৱান কাঠ, কয়লা জাতীয় খনিজ পদাৰ্থ ইত্যাদি পোৱা যায়।

গতিকে আমি দেখিলোঁ, বুজিলোঁ আৰু জানিলোঁ যে প্ৰকৃতিয়ে যি সুস্থ পৰিৱেশ গঢ়ি থৈছে তাক কেতিয়াও নষ্ট কৰিব নালাগে। আৰু যদি বিনষ্ট কৰা হয় সি আমাৰ বাবেই বিপদজনক আৰু ক্ষতিকাৰক হ'ব। এই পৰিৱেশ কেনেকৈ বিনষ্ট বা প্ৰদূষণ হয় তাৰ কাৰণসমূহ আৰু তাৰ প্ৰতিকাৰসমূহ আমি জনা দৰকাৰ--

ক) **বায়ু প্ৰদূষণ** ঃ আমি জীয়াই থাকিবলৈ হ'লে শুদ্ধ আৰু পৰিষ্কাৰ বায়ু লাগিবই। এই বায়ুমণ্ডল ধূলি, ধোঁৱা, কল-কাৰখানাৰ পৰা নিৰ্গত

হোৱা দূষিত গেছ, গাড়ী-মটৰে এৰি দিয়া ধোঁৱা আদিৰ দ্বাৰা প্ৰদূষিত হয়।

খ) **পানী প্ৰদূষণ ঃ** বিশুদ্ধ পানী আমাৰ জীৱনৰ বাবে অপৰিহাৰ্য। বিভিন্ন আবৰ্জনা, মৰা জন্তু, কল-কাৰখানাৰ পৰা এৰি দিয়া লেতেৰা পানীয়ে বিল, পুখুৰী, কুঁৱা বা নদীৰ পানী প্ৰদূষিত কৰে।

গ) **শব্দ প্ৰদূষণ ঃ** কল-কাৰখানাৰ মেচিনৰ শব্দ, গাড়ী-মটৰৰ শব্দ, গান-বাজনাৰ পৰা উদ্ভৱ হোৱা শব্দ আদি বিভিন্ন অতিৰিক্ত শব্দৰাজিয়ে শব্দ প্ৰদূষণ কৰে।

এই প্ৰদূষণ দুই ধৰণে হ'ব পাৰে। এবিধ প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা আৰু আনবিধ মানুহৰ দ্বাৰা। বানপানী, ভূমিকম্প, আগ্নেয়গিৰি আদি আৰু তাৰ বাহিৰে অন্যান্য প্ৰদূষণবোৰ মানুহৰ নিজা সৃষ্টি।

আমি সুস্থভাৱে জীয়াই থাকিবলৈ হ'লে আমি বসবাস কৰা ঠাইখন প্ৰদূষণ মুক্ত হ'ব লাগিব। গতিকে আমি কিদৰে আমাৰ থকা ঠাইখন প্ৰদূষণমুক্ত কৰি ৰাখিব পাৰোঁ তাৰ বাবে ল'ব লগা সাৱধানতা, হ'ব লগা সচেতনতা আৰু পালন কৰিব লগা দায়িত্ব আৰু কৰ্তব্যই হ'ল পৰিৱেশ সজাগতা।

পৰিৱেশ সজাগতাৰ বিষয়ে কিছু কৰণীয় তলত উল্লেখ কৰা হ'ল--

১। পেলনীয়া জাবৰ-জোথৰবোৰ য'তে-ত'তে নেপেলাই এক নিৰ্দিষ্ট স্থানত পেলাব লাগে।
২। শৌচ-প্ৰস্ৰাৱ যি কোনো ঠাইত কৰিব নালাগে। শৌচাগাৰ ব্যৱহাৰ কৰিব লাগে।
৩। গছ-গছনিবোৰ যধে-মধে কাটিব নালাগে। কিবা কাৰণত কাটিব লগা হ'লে তাৰ বিকল্প হিচাপে গছপুলি ৰুব লাগে।
৪। কল-কাৰখানা, গাড়ী-মটৰৰ পৰা বাহিৰ হোৱা বিষাক্ত ধোঁৱা নিয়ন্ত্ৰণ কৰিব লাগে।
৫। চৌপাশৰ নলা-নৰ্দমাবোৰ পৰিষ্কাৰ কৰি ৰাখিব লাগে।
৬। কল-কাৰখানাৰ মেচিনৰ বা গান-বাজনাৰ অতিৰিক্ত শব্দবোৰ নিয়ন্ত্ৰণ কৰিব লাগে।
৭। মৰা জন্তুবোৰ য'তে-ত'তে নেপেলাই এক নিৰ্দিষ্ট স্থানত পুতি থ'ব লাগে।
৮। অব্যৱহৃত বা অৰ্দ্ধ-ব্যৱহৃত ঔষধ-পাতি য'তে-ত'তে পেলাব নালাগে।
৯। পাহাৰবিলাক কাটি উদং কৰা উচিত নহয়।
১০। প্ৰাকৃতিক দুৰ্যোগৰ ফলত সৃষ্টি হ'ব পৰা সম্ভাব্য প্ৰদূষণৰ প্ৰতি প্ৰতিকাৰৰ ব্যৱস্থা ল'ব লাগে।
১১। পোহনীয়া জীৱ-জন্তুৰ প্ৰতি যত্নপৰ হ'ব লাগে, যাতে ইয়াৰ দ্বাৰা প্ৰদূষণ সৃষ্টি হ'ব নোৱাৰে।
১২। বেমাৰ-আজাৰ হ'লে যথোচিত সতৰ্কতা অৱলম্বন কৰিব লাগে, যাতে ৰোগৰ বীজাণুৱে কোনো ধৰণৰ প্ৰদূষণ সৃষ্টি কৰিব নোৱাৰে।
১৩। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি সদা সচেতন হ'ব লাগে।
১৪। ঘৰ-দুৱাৰ, নলা-নৰ্দমা আদি নিৰ্মাণ কৰোঁতে উচিতভাৱে পৰিকল্পনা কৰি হ'ব লাগে।
১৫। পৰিৱেশ সজাগতা জীৱনৰ পণ ল'ব লাগে।

ইয়াৰ উপৰি এবিধ প্ৰদূষণ আছে। সেইবিধ হৈছে 'ভাৱৰ প্ৰদূষণ'। এই বিধ প্ৰদূষণো সমানে মাৰাত্মক। মনৰ ভাব প্ৰদূষিত হ'লে জীৱন বিষময় হয় আৰু ইয়াৰ প্ৰভাৱে আনৰো ক্ষতি সাধন কৰে। গতিকে এইবিধ প্ৰদূষণে যাতে সমাজ প্ৰদূষিত কৰিব নোৱাৰে তাৰ বাবে সৎ চিন্তাৰ আশ্ৰয় লোৱা উচিত।■

# হৰি নামৰ মহিমা

মামণি চলিহা

মইনাহঁত, এই কাহিনীৰ দ্বাৰা তোমালোকে বুজিব পাৰিবা, জানিব পাৰিবা যে প্ৰভু ভগৱন্তৰ গুণনাম শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা আমি কেনেকৈ মুক্তি পাব পাৰো। ঈশ্বৰৰ কৃপা লাভ কৰিব পৰা সম্বল হৈছে ঈশ্বৰ ভক্তি। এই ভক্তি আকৌ ন-বিধ। তাৰে শ্ৰৱণ-কীৰ্তনক মুখ্য হিচাপে ধৰা হৈছে। মহাপুৰুষ মাধৱদেৱে নামঘোষাত ঘোষণা দিছে যে--

যদ্যপি ভকতি নববিধ মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন অতি শ্ৰেষ্ঠত্বৰ।।

কৃষ্ণৰ গুণানুকীৰ্তন কৰি মহাপাপীও উদ্ধাৰ হ'ব পাৰে। তাৰে এটি কাহিনীৰ বিষয়ে কোৱা হৈছে। চাৰি প্ৰকাৰ ঋষি হৈছে (ক) দেৱৰ্ষি নাৰদ, (খ) ব্ৰহ্ম ঋষি ভৃগু মুনি (গ) ৰাজৰ্ষি জনক (ঘ) মহৰ্ষি বাল্মিকী।

দেৱৰ্ষি নাৰদৰ মুখ্য উদ্দেশ্য জগতত হৰিনাম কীৰ্তন কৰি জগত পৱিত্ৰ কৰা। তেওঁ গোৱা হৰি নামে সৃষ্টিৰ সমষ্ট জীৱবোৰক আপ্লুত কৰি তোলে। য'তেই তেওঁ নাৰায়ণৰ নাম লৈ ভক্তিৰ গীত গায় তাতেই সমষ্ট জীৱই তেওঁৰ কাষত সমবেত হয়। ইয়াকে দেখি তেওঁৰ মনত প্ৰশ্ন উদয় হ'ল-- কি কাৰণেনো কৃষ্ণৰ নাম-কীৰ্তন কৰাৰ লগে লগে সমস্ত জীৱ মোৰ ওচৰ চাপে। অৱশ্যে 'মই ভাল পাওঁ' এই বিষয়ত, ইয়াৰ উত্তৰ বিচাৰি তেওঁ হাবাথুৰি খাবলৈ ধৰিলে। উত্তৰ পোৱাৰ আশাৰে তেওঁ সৃষ্টিকৰ্তা ব্ৰহ্মাৰ ওচৰলৈ গ'ল। আৰু যোৱাৰ কাৰণ ব্যক্ত কৰিলে। 'হে পিতা, মই যেতিয়া অন্তৰ খুলি হৰি নাম গাওঁ সকলো জীৱ আহি মোৰ ওচৰ চাপেহি। ইয়াৰ কাৰণ কি ? কওঁকচোন পিতৃ ইয়াৰ কাৰণ কি? ব্ৰহ্মাই তেতিয়া নাৰদক ক'লে যে-- 'হৰিনামৰ মহিমাৰ বিষয়ে মোৰ সিমান জ্ঞান নাই, গতিকে তুমি শিৱৰ ওচৰলৈ যোৱা, তেওঁ তোমাক এই বিষয়ে ধুনীয়াকৈ বুজাই দিব। ব্ৰহ্মাৰ কথামতে নাৰদ কৈলাশৰ শিৱৰ ওচৰলৈ গ'ল আৰু যোৱাৰ কাৰণ শিৱক ব্যক্ত কৰিলে। দাদা পশুপতি, মই যেতিয়া হৰিনাম লওঁ তেতিয়া সমস্ত জীৱই কিয় মোৰ কাষত সমবেত হয় ? হৰিনামৰ মহিমা কি ? শিৱই তেতিয়া নাৰদক ক'লে-- মোৰ দ্বাৰা তোমাৰ এই জটিল প্ৰশ্নৰ উত্তৰ দিব পৰা নহ'ব। ইয়াৰ সঠিক উত্তৰ স্বয়ং বিষ্ণুৱেহে দিব পাৰিব। গতিকে তুমি বিষ্ণুৰ ওচৰলৈ যোৱা, তেওঁ তোমাৰ মনৰ সংশয় দূৰ কৰিব। নাৰদ মুনি শিৱৰ ওচৰত নিৰাশ হৈ স্বয়ং বিষ্ণুৰ ওচৰলৈ গ'ল আৰু যোৱাৰ উদ্দেশ্য ৱেকত কৰিলে। তোমাৰ নাম লোৱাৰ লগে লগে সমস্ত জীৱই মোৰ ওচৰ চাপে। তোমাৰ নামৰ মহিমা কি প্ৰভু? মোক বুজাই কোৱা। স্বয়ং বিষ্ণুৱে নাৰদক ক'লে যে-- হে ভক্তপ্ৰাণ নাৰদ, তুমি যি প্ৰশ্ন কৰিছা এই সম্পৰ্কে মই মোৰ নিজৰ নামৰ মহিমা মই নিজেই নাজানো। গতিকে তুমি যমপুৰীলৈ যোৱা আৰু যম ৰজাই তোমাক মোৰ নামৰ মহিমা ভালদৰে বুজাই দিব। উপায়হীন হৈ নাৰদ মুনি যমপুৰী পালেগৈ হৰিনাম গায় গায়।

যমপুৰী পাই যমৰ ওচৰত উপস্থিত হৈ সমস্ত কথা বিৱৰি ক'লে আৰু হৰিনামৰ মহিমা কি জানিব বিচাৰিলে। যম ৰজাই সমস্ত কথা জানিব পাৰি তেওঁক ৰাতিটো তাতে থাকিবলৈ ক'লে আৰু পুৱাই এই প্ৰশ্নৰ উত্তৰ পাব বুলি ক'লে। কথামতে কাম। নাৰদে তাতে নিশাটো কটালে।

পুৱাতেই যমৰজাই নাৰদক লগত লৈ যমনগৰী পৰিভ্ৰমণ কৰিলে। যমনগৰীত নৰককুণ্ডৰ দক্ষিণ দুৱাৰেদি নাৰদ আৰু যমৰজা সোমাই গ'ল। নাৰদে পাপী জীৱ বিলাকৰ দুৰ্গতি দেখি বিস্ময় মানিলে। আৰু শোকত মন-প্ৰাণ উঠলি উঠিল। মুখত নাৰায়ণ নাৰায়ণ নাম উচ্চাৰণ হ'ল-- লগে লগে হৰিনামৰ ধ্বনিৰ কোবত নৰক ভুঞ্জি থকা জীৱ বিলাক থকা ঠাই ডোখৰ শূন্যত পৰিণত হ'ল নাৰদে চক্ষুৰে এই দৃশ্য দেখি তবধ মানিলে আৰু বুজি উঠিল হৰি নামৰ মহিমাৰ বিষয়ে। ইয়াৰ লগে লগে তেওঁ উত্তৰ দুৱাৰেদি ওলাই ভাবিবলৈ ধৰিলে-- মহাপাপী জীৱ হৈয়ো হৰি নাম শুনাৰ লগে লগে কৃতকৃত্য হ'ল। যমৰাজে তেতিয়া নাৰদক সুধিলে-- এতিয়া বুজিব পাৰিলেনে হৰি নামৰ মহিমা কি? নাৰদে যথাযথ উত্তৰ পাই কৃষ্ণৰ মুখৰ বাণী লৈ মনত পৰিল--

'যৈত থাকে মোৰ ভক্ত উদাৰ চৰিত্ৰ।
কৃত-পতঙ্গকো তাৰ কৰয় পৱিত্ৰ।।'■

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বাল্যকাল

**মনুকৃষ্ণা কছাৰী**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম হৈছিল নগাঁও জিলাৰ আলিপুখুৰী নামৰ ঠাইত ১৩৭১ শকত ১৪৪৯ খৃষ্টাব্দ ৫ আহিন শুক্লা দশমী তিথিত। পিতাকৰ নাম কুসুম্বৰ ভূঞা আৰু মাকৰ নাম সত্যসন্ধা। শঙ্কৰ জন্মৰ পিচতে মাকক হেৰুৱাব লগা হৈছিল। বুঢ়ীমাক খেৰসূতীৰ ওচৰত নাতি শঙ্কৰৰ ডাঙৰ-দীঘল হৈছিল। শঙ্কৰক আইতাকে বৰ মৰম কৰিছিল। শঙ্কৰে বাৰ বছৰ বয়সলৈ লগৰীয়া ল'ৰাবিলাকক লগত খেলি ফুৰিছিল আৰু লিখা-পঢ়াত মন দিয়া নাছিল। শঙ্কৰে ভৰা লুইতৰ পানীত সাতুৰি ইপাৰ-সিপাৰ হৈছিল আৰু এবাৰ প্ৰকাণ্ড ষাড়গৰুৰ শিঙত ধৰি বগৰাই দিছিল। এদিনাখন বুঢ়ীমাক খেৰসূতীয়ে শঙ্কৰক শিক্ষাগুৰু মহেন্দ্ৰ কন্দলীৰ টোলত নাম লগাই দিয়ে আৰু শঙ্কৰ কম সময়ৰ ভিতৰতে সকলো কথা আয়ত্ব কৰি আকাৰ-ইকাৰ নোহোৱা সুন্দৰ কবিতা এটি ৰচনা কৰে। কবিতাটো হ'ল-- 'কৰতল কমল, কমল দল নয়ন'। কবিতাটো দেখি মহেন্দ্ৰ কন্দলিয়ে শঙ্কৰক দেৱ উপাধি দিছিল। শঙ্কৰদেৱে প্ৰধান শিষ্যজনৰ নাম মহাপুৰুষ মাধৱদেৱ। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ মিলনকে 'মণিকাঞ্চন' সংযোগ বোলে। শঙ্কৰদেৱ অতি কম দিনৰ ভিতৰতে চাৰিবেদ, চৈধ্যশাস্ত্ৰ, ওঠৰ পুৰাণ অধ্যয়ন কৰি বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰিছিল।■

# জীৱনৰ আদিকালতে প্ৰতিপালন কৰক

**মূল ইংৰাজী - ড° দীনেশ বৈশ্য**

**অনুবাদ - বিহুৰাম কলিতা**

অলপতে ছাত্ৰ এজনৰ দেউতাকে আহি তেওঁৰ ল'ৰাটোৰ নামটো দিচকলেজিয়েট তালিকাখনৰ পৰা বাদ দিবলৈ মোক অনুৰোধ কৰিছিল। কলেজত ল'ৰাটোৰ উপস্থিতি একেবাৰে শূন্য আছিল কাৰণে মই তেওঁক কোনো সহায় কৰিব পৰা নাছিলো। তেওঁ নিশ্চিত আছিল যে ল'ৰাটো সদায়ে কলেজলৈ অহা-যোৱা কৰে, গতিকে দেউতাকৰ সন্দেহ উপজিল হয়তো উপস্থিতি থকা-নথকা হিচাপটি কৰোতে ক'ৰবাত ভুল হ'ল। মই তেওঁৰ অভিযোগ খণ্ডন কৰি প্ৰত্যুত্তৰ দিছিলো যে তেওঁৰ ল'ৰাটো ঘৰৰ পৰা কলেজলৈ ওলাই আহে বুলিয়েই এইটোৱে তাৰ শ্ৰেণীকক্ষত উপস্থিতিৰ প্ৰমাণ নকৰে। যদিও এই ল'ৰাটো কলেজলৈ আহিছিল কিয় বাৰু সি শিক্ষা বৰ্ষটোৰ ভিতৰত এদিনো এটা শ্ৰেণীত উপস্থিত থাকিবলৈ আগ্ৰহ কৰা নাছিল? দেউতাক, কলেজ কৰ্তৃপক্ষ আৰু সমাজৰ পক্ষে এইটো এটা ডাঙৰ প্ৰশ্ন। মই এই প্ৰশ্নটোৰ উত্তৰ তলৰ গল্পটোৰ পৰা পাইছিলো।

এসময়ত এটা পৰিয়ালে এখন সুন্দৰ ফাৰ্মত বাস কৰিছিল। ফাৰ্মখন বিভিন্ন ধৰণৰ গছ-গছনি আৰু ফলমূল আদিৰে ভৰপূৰ আছিল। এদিনাখন মাক-দেউতাকে ফাৰ্মখনৰ গছ-গছনি আৰু ফলমূল আদি চোৱাচিতাৰ দায়িত্ব তেওঁলোকৰ ল'ৰাজনৰ ওপৰত ন্যস্ত কৰি চহৰলৈ গুচি গৈছিল। ল'ৰাজনে মাক-দেউতাকক কৈছিল "ভয় নকৰিব" আপোনালোকে ফাৰ্মখনৰ যিভাৱে প্ৰতিপালন, সংৰক্ষণ, সংবৰ্দ্ধন কৰিছিল, ময়ো তাকেই কৰিম। দহদিনৰ পিছত যেতিয়া মাক-দেউতাক উভতি আহি দেখিলে যে ল'ৰাজনে একোৱে প্ৰতিপালন নকৰিলে তেতিয়া তেওঁলোকে ল'ৰাটোক মাতি আনি ক'লে— তুমি ফাৰ্মখনৰ সকলো প্ৰতিপালন কৰিম বুলি আমাক প্ৰতিজ্ঞা কৰি কৈছিলা কিন্তু কিয় তোমাৰ প্ৰতিজ্ঞা ৰক্ষা নকৰিলা? তোমালোকে মোক কি সুধিছা বুজি পোৱা নাই— মই মোৰ প্ৰতিজ্ঞা পালন কৰিছোঁ— প্ৰত্যুত্তৰত কৈছিল। তেতিয়া মাক-দেউতাকে সুধিছিল— তুমি যে আমাৰ অনুপস্থিতিত ফাৰ্মখনৰ প্ৰতিপালন কৰিছিলা তাৰ কোনো প্ৰমাণ নাই— কেনেকৈ কৰিছিলা? ফাৰ্মখনৰ সকলোবিলাক জ্যোতি আৰু সুবাস লেৰেলি গৈ মৃতপ্ৰায় হৈ পৰিছে। এইয়া কি ক'বলৈ লৈছা— মোৰ বোধগম্যতাৰ বাহিৰত— ল'ৰাজনে কৈছিল। মই সদায়ে ৰাতিপুৱা এখন কাপোৰ লৈ ফাৰ্মলৈ গৈছিলো আৰু ডাল, পাত, ফুলৰ ধূলি-মাকতিবোৰ কাপোখনেৰে কোবাই গুছাই দিছিলো আৰু ফলবোৰ কাপোৰখনেৰে ঘঁহি চিকুণাই দিছিলো। ফুলবোৰৰ ভাল সুবাস নাপালে মই পুষ্পগুচ্ছ হাতেৰে বহলাই দিছিলো।

মাক-দেউতাকে পৰস্পৰে-পৰস্পৰক চাইছিল আৰু ল'ৰাজনক সুধিছিল। তুমি কেতিয়াবা গছডালৰ গুৰিত পানী দিছিলানে? মই সেই কামটো কৰা নাছিলো— ল'ৰাজনে উত্তৰ দিছিল। তেতিয়া মাক-দেউতাকে পুনৰ কৈছিল— চোৱা, গছডালৰ বাবে গুৰিটো অত্যন্ত দৰকাৰী। যদি তুমি ইয়াৰ প্ৰতিপালন কৰিবলৈ সক্ষম হোৱা তেন্তে গছডাল শক্তিশালী হৈ উঠিব, ফুলবোৰ সুন্দৰকৈ ফুলিব আৰু ফলবোৰ সুস্বাদু হৈ পৰিব। গতিকে গছৰ গুৰিটো প্ৰতিপালন কৰাটো অত্যন্ত দৰকাৰী কথা।

সম্ভৱস্থলত আমিও আমাৰ জীৱনৰ গুৰিতো

প্ৰতিপালন নকৰো কাৰণ আমাৰ জীৱনৰ গুৰিবোৰে গোপনে প্ৰকাশ নোহোৱাকৈ থাকে। আনহাতে আমাৰ সুপ্ত হৈ থকা শক্তি আৰু প্ৰতিভাৰাজীকো মন বা জ্ঞানৰ জৰিয়তে জানিবলৈ নোৱাৰি। সেয়ে আমাৰ জীৱনৰ গুৰিটো ভালকৈ প্ৰতিপালন কৰাটো আমাৰ কৰ্তব্য। নহ'লে এই গছডালৰ জীৱনটো দুৰ্বল আৰু ৰুগীয়া হৈ পৰিব। বৰ্তমান প্ৰযুক্তি বিজ্ঞানৰ যুগতো কি ঘটিবলৈ ধৰিছে— মানসিক সংঘাত, ভাৰসাম্যহীনতা আৰু যুক্তিযুক্ততাহীনতাত ভুগি আমি মানসিক আৰু আবেগিকভাৱে বৰ দুৰ্বল হৈ পৰিছোঁ। এই টোৰ কাৰণ হৈছে— আমাৰ জীৱনবিলাক প্ৰশিক্ষিত হৈ উঠা নাই— গুৰি জীৱনটোক প্ৰতিপাল কৰিবলৈ।■

# এটি হুমুনিয়াহ

**মিছ আয়েছা ছিদ্দিকা**

চাহ কাপ খাই উঠি হাতত এখন আলোচনী লৈ নৰেন বাহিৰত বহি ল'লে। সি আলোচনীখন মেলি ল'লে, কিন্তু তাৰ মনটো উৰি গ'ল এটা বুধবাৰলৈ। সেইদিনা দেউতাক আৰু নৰেনৰ সৰু ভায়েকটো বজাৰলৈ গৈছিল, বজাৰত ভায়েকৰ কাপোৰ কিনি থকা অৱস্থাতে বৰ জোৰেৰে শব্দ হৈ বোমা এটা ফুটিল। বজাৰৰ মানুহবোৰে চিঞৰি চিঞৰি দৌৰাদৌৰি কৰিলে। পিছত নৰেনে বোমা ফুটাৰ কথা জানি দৌৰাদৌৰিকৈ বোমা ফুটা ঠাই ডোখৰলৈ গৈ দেখে যে তাৰ দেউতাক আৰু ভায়েককে ধৰি মুঠ সাতজন মানুহৰ মৃত্যু হৈছে। লগে লগে সি কান্দি কান্দি ঘৰত আহি খবৰ দিলেহি। খবৰ দিয়াৰ লগে লগে গোটেই ঘৰখনত হুৱাদুৱা লাগিল। আবেলি পুলিচে দেউতাক আৰু ভায়েকৰ মৃতদেহ ঘৰত গটাই দিলে। হঠাতে এটা প্ৰচণ্ড শব্দ শুনাত নৰেনৰ মন পুনৰ বাস্তৱ অৱস্থালৈ ঘূৰি আহিল। ইফাল সিফাল কৰি গম পালে যে স্কুলত বোমা ফুটিছে। সেইদিনা আছিল ২৬ জানুৱাৰী। তাৰ ককায়েক সেই স্কুলখনৰে প্ৰধান শিক্ষক। লগে লগে সি স্কুললৈ বুলি দৌৰ মাৰিলে। স্কুলত তেতিয়া অসংখ্য মানুহে ঝুম বান্ধিছিল। সকলোৰে অশ্ৰুসিক্ত নয়ন, গগণ ফলা চিঞৰত পৰিৱেশটো অত্যন্ত বেদনাদায়ক হৈ পৰিছে। মানুহৰ জুমটোৰ মাজত সোমাই সি দেখিলে যে তাত ১২জন লোকৰ মৃত্যু হৈছে আৰু আহত কেইজনক চিকিৎসালয়লৈ নিবলৈ গাড়ীত তুলি আছে। সি মৃত লোককেইজনৰ ওচৰলৈ গৈ আটাই কেইজনকে তন্নতন্নকৈ চাবলৈ ধৰিলে। কাষত হঠাতে এজন চিন্নভিন্ন মানুহ পৰি থকা দেখি সেইজন তাৰ ককায়েক বুলি ভাবি স্কুলৰ চকীদাৰ জনক সুধিলত ক'লে যে, সেইজন তাৰ ককায়েক নহয়। ককায়েকে আহিয়েই স্কুলত সেইদিনা উপস্থিত মানুহবোৰক খুৱাবৰ বাবে চকীদাৰক কিবা আনিবলৈ দি বিশেষ কামত অফিচ ৰুমত মাত্ৰ গৈছিলহে। তেওঁলৈ বাট চাই থাকোতে পতাকাৰ কাষত বোমাটো ফুটে। ককায়েকক লগ পাই সি তাৰ এটি দীঘলীয়া হুমুনিয়াহ ওলাই আহিল।■

# মানৱতাবাদী শিশু আৰু এজন ৰিক্সাৱালা

**পদ্মৰাম মহন্ত**

এদিন মই গুৱাহাটীলৈ গৈছিলো এখন ধৰ্মালোচনী সভাত যোগ দিবলৈ। ঘূৰি আহিব নোৱাৰি থাকিবলৈ বাধ্য হ'লো গুৱাহাটীতে। দিনান্তত পৃথিৱীলৈ সন্ধ্যা নমাৰ লগে লগে গুৱাহাটীখনো তমসাচ্ছন্ন হৈ আহিছে যদিও বিদ্যুতৰ শুভ্ৰ পোহৰত জিলিকি উঠিছে সমগ্ৰ বাট-পথ, সৌধ, অট্টালিকাবোৰ। চহৰবাসী তৰুণ তৰুণীসকল দলে দলে ওলাই আহিছে ঘৰৰ পৰা, আনন্দ বিনিময়ৰ উদ্দেশ্যে। আৰু মই, ৰিক্সা এখনত উঠিলো ৰূপনগৰ শঙ্কৰী সংস্কৃতি কেন্দ্ৰৰ অভিমুখে। তাতে ভকতসৰৰ স'তে মহানন্দে নিশাটো কটাবলৈ আশা কৰি।

গৈ আছো, গৈ আছো। কিন্তু ৰিক্সাখন দেখোন অন্য এটা বাটেৰেহে গতি কৰিব ধৰিছে। মই ৰিক্সাচালকজনক কোৱাত সি ভেকাহিমাৰি মোকেই ধমক দি উঠিল। অলপ কথা কটা-কটি হোৱাত ওচৰতে থকা আন এজন ৰিক্সা চালকে মই ক'লৈ যাম সুধিলে। মই ৰূপনগৰলৈ যাম বুলি কোৱাত সি আগৰ ৰিক্সাচালকজনক ধমকি দি মোক নামিবলৈ ক'লে। 'আহক ককা, ইয়াতে উঠক।' মই যন্ত্ৰৰ দৰে তাৰ ৰিক্সাখনত উঠিলো যদিও মনত কিছু ভয় লাগিল। 'তোক চাই ল'ম' বুলি কৈ আগৰ ৰিক্সাচালকজন ভোভোকৈ গুচি গ'ল।

'কোনো ভয় নকৰিব ককা। এওঁলোকৰ বাবে আজি আমি সমাজত বদনামৰভাগি হ'ব লগাত পৰিছোঁ। মই কোনো হা-না নকৰি ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখি গৈ আছো। গন্তব্য স্থান পোৱাত মই ভাড়া দিব খুজিলো। সি তৎক্ষণাৎ উত্তৰ দিলে-- 'নালাগে ককা। ৰাতিৰ মানুহ এই ফেৰা উপকাৰ কৰিবলৈ পাই মোৰ নিজকে ভাল লাগিল।' মই আচৰিত হ'লো এই যুৱকজনৰ মানৱতাবোধ দেখি আৱেগক বাধা দিব নোৱাৰি সুধি পেলালো-- 'তোমাৰ নাম কি বোপা।' 'মোৰ নাম জয়ন্ত দাস ককা।' মইও শঙ্কৰদেৱ সঙঘৰ এজন সাধাৰণ সঙ্গী। অলপ আগত থাকো। মই আহিলো ককা।'

গুচি গ'ল সি। দুখ লাগিল এনে এজন সঙ্গীৰ স'তে অলপো ধৰ্মৰ কথা আলোচনা কৰিব নোপোৱা বাবে। ৰিক্সাৱালা হৈ আহি ক্ষন্তেক সময়ৰ বাবে পৰিচয় দি অন্তৰত মুচিব নোৱাৰা স্মৃতি থৈ গ'ল এই সুদৰ্শন যুৱকজনে।

ৰূপনগৰত ভকতসৰৰ স'তে এইবোৰ কথাকে আলোচনা কৰি মহানন্দে ৰাতিটো কটাই পিছদিনা বাপসৰৰ পৰা বিদায় লৈ ফুটপাথৰ ওপৰেদি খোজকাঢ়ি গৈ আছো। গাটো কিছু অসুস্থ। ফুটপাথৰ কাষত সজাই ৰখা শিৱ-কালীৰ মূৰ্তিবোৰত বহুতো পথিকে পইচা দলিয়াই সেৱা কৰা কাৰ্যবোৰ দেখি মোৰ শৰণ লোৱা মনটোত চিন্তাৰ জোৱাৰ উঠে। মনলৈ আহে গণেশে গাখীৰ খোৱা কথা। ইমান অন্ধবিশ্বাসী মানুহবোৰ।

গাত থকা চাদৰখন ভালকৈ উৰিলৈ মই গৈ আছো। অসুস্থ গা আৰু অসুস্থ মনেৰে। অন্ধ বিক্ষাৰী এটাই হাতত এটা বাটি লৈ পইচা খুজি আছে ফুটপাথৰ কাষতে বহি অনুৰোধৰ সুৰেৰে।

'অলপ ভিক্ষা দিয়ক, অন্ধ মানুহ।' মোৰ আগে আগে নিজৰ ৮/৯ বছৰীয়া ল'ৰা এজনৰ স'তে যোৱা ভদ্ৰলোক এজনে বাটিটো ঠেলা মাৰি দি যাব খোজোঁতে ল'ৰাজনে দেউতাকক কিছু আক্ৰোশভাৱেৰে ক'লে-- 'দেউতা এই মাটিৰ মূৰ্তিবোৰত তুমি পইচা দি সেৱা কৰিলা আৰু অন্ধ মানুহ এজনক এটি টকা নিদিয়া। দিয়া দেউতা, চোৱাচোন সি কেনেকৈ হাত পাতি ৰৈ আছে।

ল'ৰাটোৰ কথাত মানুহজনে গৰ্জি উঠি ক'লে-

- 'গুচি আহ। এইবোৰৰ বাবে ৰাস্তা-ঘাটে খোজকাঢ়িব নোৱাৰি। ভিক্ষা কেৱল ভিক্ষা।' ল'ৰাটোক এৰি সি কিছুদূৰ আগবাঢ়ি গ'ল। 'নহয় দেউতা, আমাক শিক্ষকে কৈছে নহয়' ভিক্ষাৰীক অন্ধলোকক ভিক্ষা দিবলৈ।' ল'ৰাটোৱে ঠেহপাতি থিয়হৈ ভিক্ষাৰীজনৰ ফালে চাই দেউতাকে চক্লেত খাবলৈ দিয়া টকা এটা মোনাৰ পৰা উলিয়াই ভিক্ষাৰীজনৰ হাতত দি দেউতাকৰ পিচে পিচে যাব ধৰিলে।

পিতা-পুত্ৰৰ এই বাক্-বিতণ্ডা শুনি শুনি মই সেইখিনি পালোহি। চোলাৰ মোনাৰ পৰা খুচুৰা পইচা দুটা উলিয়াই দিলো, ভিক্ষাৰীজনৰ হাতত। মানুহজনে মোৰ ফালে কেৰাহিকৈ চাই অস্পষ্টভাৱে গুদগুদ কৈ কিবা কৈ গ'ল। মই বুজিব নোৱাৰিলো।

মই আচৰিত হ'লো। যিজন মানুহে নিজৰ ল'ৰাৰ বিবেচনা দেখিও ভিক্ষাৰী এজনক দহ পইচা এটিও দিবলৈ টান পায়, সেইজন মানুহে জড়মূৰ্তিৰ আগত এটকাৰ পৰা পাঁচ টকা পৰ্যন্ত দিবলৈ কুণ্ঠাবোধ নকৰে। ল'ৰাটিৰ মানৱতাত মই মুগ্ধ হৈ পৰিলো।

গৈ গৈ চিটি বাচ এখনত উঠিলো। গাড়ীখনত উঠিয়েই দেখিলো বহাতকৈ থিয়হোৱা যাত্ৰীয়েই সৰহ। এজনো চিনাকি মানুহ মোৰ চকুত নপৰিল। কোনোবাই যে বয়সস্থ মানুহ বুলি বহিবলৈ দিব। গাড়ীখনৰ সোঁফালে লিখা আছে 'বয়সস্থসকল আৰু পঙ্গুসকলৰ বাবে আসন সংৰক্ষণ। কিন্তু দেখা যায় সংৰক্ষণ নহয় ভৰ্তিহে। কোনোৱে বয়সস্থলোক বুলি বহিবলৈ নিদিয়ে। গাড়ীৰ পৰিচালকেও কোনো সঁহাৰি নেদেখুৱাই তেওঁলোকৰ ফালে কেৰাহিকৈ চালে মাথোন। মহিলাৰ ফালে কিন্তু কোনো বয়সস্থ লোক বহিলেও পৰিচালকে উঠিবলৈ ইংগিত দিয়ে।

ওপৰৰ লোহাডালত খামোচ মাৰি ধৰি গৈ আছো মই। ওচৰতে মহিলাৰ আসনত এজনী আদবয়সীয়া তিৰোতাৰ সৈতে বহি আছে এজনী ৮/৯ বছৰীয়া কিশোৰী। তাই মোৰ অৱস্থা দেখি থিয় হৈ মোক ক'লে-- 'ইয়াতে বহক ককা। এওঁ মোৰ সম্বন্ধীয় জেঠী।' মই আপত্তি কৰাত ছোৱালীজনীয়ে পুনৰ ক'লে-- 'বহক ককা। আমি অলপ দূৰত নামিমেই নহয়।' তাইৰ আন্তৰিকতা উপেক্ষা কৰিব নোৱাৰি মই বহি পৰিলো। সিহঁত কিন্তু অলপ দূৰত নানামিলে। বাচখন ৰখাত এজনী ভদ্ৰ মহিলা উঠি আহি মোক উঠিবলৈ ইংগিত দিলে। কাৰণ মই মহিলাৰ আসনত বহি আছো। তৎক্ষণাৎ সেই ছোৱালীজনীয়ে মাত দিলে-- 'এইটো আচলতে মোৰ চিট। মই ককাক বহিবলৈ দিছো।' তাইৰ কথাত ভদ্ৰ মহিলা গৰাকীয়ে কোনো প্ৰতিবাদ নকৰিলে।

কম বয়সীয়া ছোৱালীজনীৰ এনে সততা, ত্যাগ আৰু মানৱতা দেখি মই অভিভূত হৈ পৰিলো। মনৰ ইচ্ছাক দমাব নোৱাৰি স্বতঃস্ফুৰ্তভাৱে সুধি পেলালো মই। 'মাজনী তোমাৰ নামটো কি? ক'ত পঢ়ি আছা?'

প্ৰশ্ন অনুযায়ী উত্তৰ দিলে কিশোৰী ছোৱালীজনীয়ে-- 'মোৰ নাম শ্ৰীচন্দ্ৰীমা মহন্ত ককা। মই শঙ্কৰদেৱ বিদ্যালয়ৰ পঞ্চম শ্ৰেণীত পঢ়ি আছো।'

গাড়ীখন ৰখাৰ লগে লগে মোক মাত দি সিহঁত দুয়োজনে নামি গ'ল। মই তধা লাগি চাই থাকিলো। সেই মানৱতাবাদী অকণমানী ছোৱালীজনীৰ ফালে। মই যেন এই অচিনাকি ছোৱালীজনীৰ গা মূৰ পিহি দি সকলো খা-খবৰ ল'ম। ঘৰৰ ঠিকনা সুধিম। ঘৰলৈ গৈ চাই ল'ম যিজনী ছোৱালীৰ মোৰ দৰে অচিনাকি বয়সস্থ মানুহ এজনৰ প্ৰতি এনে ব্যৱহাৰ তাইৰ পিত-মাতায়ে আকৌ কিমান উদাৰ। নিষ্ঠুৰ গাড়ীখনে মোৰ আশা পূৰণ নকৰিলে। পাহৰি গ'লো, মই ইমান কম সময়ৰ ভিতৰতে তাই ঘৰৰ ঠিকনা সুধিবলৈ।

মনতে ভাবিলো আকৌ জানো কাহানিবা এই মৰমীয়াল ছোৱালীজনীক লগ পাম?

আকৌ ভাবো আমাৰ ছাত্ৰ-ছাত্ৰীসকল এনে আদৰ্শবান হ'ব জানো? পুনৰ মনলৈ আহে-- 'হ'ব নিশ্চয়। চৰিত্ৰ গঠনৰ বাবেইটো শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙঘই শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় স্থাপন কৰিছে।■

**(বাস্তৱতাৰ আলমলৈ লিখা)**

# অৰ্জুনৰ ধনুৰ্বিদ্যা পৰীক্ষা

অভিজিত বৰা

মহাভাৰতৰ কথা। কৌৰৱ আৰু পাণ্ডৱৰ গুৰু আছিল দ্ৰোণাচাৰ্য। তেওঁ আছিল যুদ্ধ বিদ্যা শিক্ষাগুৰু। সেয়ে তেওঁ 'আচাৰ্য' বুলি জনাজাত। ৰজা শান্তনুৰ পালিতা কন্যা কৃপীক তেওঁ বিয়া কৰায়। ধনু বিদ্যা বা অস্ত্ৰবিদ্যা শিক্ষা চলি থকা সময়তে মাজে সময়ে দ্ৰোণাচাৰ্যই কোঁৱৰসকলৰ পৰীক্ষা লয়।

এদিন এজোপা গছত পৰি থকা এটা চৰাই দেখি তেওঁ ৰাজকোঁৱৰসকলক মাতি আনি তেওঁলোকক শাৰী শাৰীকৈ থিয় কৰাই ল'লে। তাৰ পিছত তেওঁ কোঁৱৰসকলৰ ভিতৰত আটাইতকৈ ডাঙৰ কোঁৱৰ যুধিষ্ঠিৰক মাতি আনিলে আৰু ক'লে-- 'যুধিষ্ঠিৰ তোমাৰ আজি ধনুৰ্বিদ্যাৰ পৰীক্ষা লোৱা হ'ব। তুমি গছৰ ওপৰত থকা সৌ চৰাইটোলৈ চোৱা আৰু সেইটো লক্ষ্যভেদ কৰিব লাগিব। এতিয়া কোৱাচোন তুমি কি দেখিছা?

তেতিয়া যুধিষ্ঠিৰে ক'লে-- 'গুৰুদেৱ মই চৰাইটো, গছজোপা, আকাশখন আৰু পাহাৰখনৰ কিছু অংশ দেখা পাইছোঁ। দ্ৰোণাচাৰ্যই যুধিষ্ঠিৰৰ উত্তৰ শুনি ধনু-কাঁড় মাৰিবলৈ বাধা দিলে।

ইয়াৰ পিছত গুৰু দ্ৰোণাচাৰ্যই পাণ্ডৱ আৰু কৌৰৱসকলৰ আটাইকেইজন কোঁৱৰকে এজন এজনকৈ মাতি আনি যুধিষ্ঠিৰক যেনেদৰে প্ৰশ্ন কৰিছিল, সেইদৰে সুধিবলৈ ধৰিলে আটাইকেইজন কোঁৱৰে প্ৰায় যুধিষ্ঠিৰৰ লেখিয়াকৈ উত্তৰ দিলে। গুৰুৰে প্ৰশ্নৰ উত্তৰ মনে বিচৰামতে নাপায় কোনোজনক ধনু-কাঁড় মাৰিবলৈ নিদিলে।

তেতিয়াও এজন কোঁৱৰ বাকী আছিল, তেওঁ হ'ল অৰ্জুন। এইবাৰ অৰ্জুনৰ পাল পৰিল।

গুৰুৱে এইবাৰ অৰ্জুনক আহ্বান জনালে। অৰ্জুনে গুৰুক প্ৰণাম জনাই ধনু-কাঁড় তুলি ল'লে। দ্ৰোণাচাৰ্যই অৰ্জুনক সুধিলে-- 'বোপা অৰ্জুন তুমি কি দেখিছা?' অৰ্জুনে ক'লে-- 'গুৰুদেৱ মই কেৱল চৰাইটোৰ ডিঙিটোহে দেখিছো, তাৰ বাহিৰে মই আৰু একো দেখা নাই।'

তেতিয়া গুৰু দ্ৰোণাচাৰ্যই সন্তুষ্ট হৈ ক'লে-- 'বোপা অৰ্জুন, তুমি এতিয়া ধনু-কাঁড় মাৰি তোমাৰ ধনুবিদ্যাৰ প্ৰমাণ আমাৰ আগত দেখুৱাই দিয়া।'

দ্ৰোণাচাৰ্যৰ আদেশ শুনামাত্ৰকে অৰ্জুনে শৰ মাৰি চৰাইটোৰ ডিঙি কাটি মাটিত পেলাই দিলে। সকলো কেইজন ৰাজকোঁৱৰতকৈ অৰ্জুনে এই পৰীক্ষাত শ্ৰেষ্ঠ হ'ল।

গুৰু দ্ৰোণাচাৰ্যই তেওঁৰ আটাইবোৰ শিষ্যকে মাতি আনি বহুৱাই ল'লে আৰু ক'লে আজি তেওঁলোকৰ আটাইকেইজনৰ ভিতৰত একমাত্ৰ অৰ্জুনেহে পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হ'ব পাৰিছে। যিকোনো কামত সফলতা লাভ কৰিবলৈ হ'লে প্ৰথমে একাগ্ৰতা থাকিব লাগিব। কামটোৰ প্ৰতি শ্ৰদ্ধা, আগ্ৰহ আৰু একাগ্ৰতাইহে তোমালোকৰ বিদ্যা শিক্ষাৰ সফলতা আনিব। অৰ্জুনৰ এই গুণসমূহ আয়ত্ব হৈছে আৰু সেয়ে শিক্ষাত সফলতা অৰ্জন কৰিব পাৰিছে। ইয়াকে কৈ সেইদিনা শিষ্যসকলক বিদায় দিলে। গুৰু দ্ৰোণাচাৰ্যৰ দ্বাৰা সকলো বিদ্যা আয়ত্ব কৰি অৰ্জুনে যথা সময়ত ধনুৰ্বিদ্যাত পৃথিৱীৰ ভিতৰতে অদ্বিতীয় বীৰ হৈ পৰিল।■

# হাতী

**নিকুমণি ডেকা**

এখন গাঁৱত এহাল বুঢ়া-বুঢ়ী আছিল। তেওঁলোকে সদায় দিনে চাউল মাগিবলৈ যায়। কিন্তু বুঢ়াই চাউল মাগিবলৈ নগৈ আধা ৰাস্তাৰপৰা ঘূৰি আহিছিল। কিন্তু বুঢ়ীয়ে চাউল মাগি মাগি গধূলিহে আহে। বুঢ়াৰ এনেকুৱা কাৰ্য দেখি বুঢ়ীয়ে এদিন বুঢ়াক চাউল মাগিবলৈ পঠিয়াই বাটত খাবলৈ পিঠাগুৰিত বিহ সানি দিছিল। সেইদিনা বুঢ়াই চাউল মাগিবলৈ যাওঁতে পিঠাগুৰিৰ টোপোলাটো লৈ গৈছিল। এনেতে আধা বাটত বুঢ়াই পিঠাগুৰিৰ টোপোলাটো ৰাস্তাৰ কাষত থৈ শৌচ কৰিবলৈ গৈছিল। তাৰ পিছত সেই পিনে এটা হাতী আহি আছিল। হাতীটোৱে পিঠাগুৰিখিনি খাই পেলালে। বুঢ়া আহি দেখে যে, পিঠাগুৰিৰ টোপোলাটোৰ পৰা পিঠাগুৰি নাই। বুঢ়াই ভাবিলে যে, কোনোবাই পিঠাগুৰিখিনি খালে। কিছু দূৰ যোৱাৰ পিছত বুঢ়াই দেখে যে, হাতী এটা মৰি আছে। বুঢ়াই তেতিয়াহে গম পালে যে বুঢ়ীয়ে পিঠাগুৰিখিনিত বিহ সানি দিছিল। বুঢ়া তাৰ পৰা গুচি আহিল। চাউল মাগি আহোঁতে এজন মানুহে বুঢ়াক সুধিলে-- ‘হে আপুনি এতিয়া ক’ত যাব।’ বুঢ়াই ক’লে-- ‘সেইখন গাঁৱলৈ যাম।’ মানুহজনে আকৌ ক’লে- ‘সেইখন গাঁৱত বহুত হাতী ওলাইছে। কেইবাজনো মানুহবোৰ মাৰিছে। বুঢ়াই ক’লে-- ‘মই হাতীক ভয় নকৰো। সৌখন গাঁৱত মই এটা হাতী মাৰি থৈ আহিলো।’ আপুনি হাতী মাৰি থৈ আহিছে?, বুঢ়াই ক’লে-- হয়। বুঢ়াৰ কথা শুনি মানুহজন সাহসী বুলি ভাবি আচৰিত হ’ল আৰু ৰজাৰ খবৰ দিলে। ৰজাই বুঢ়াক ঘোঁৰা ৰখীয়া পাতিলে। সদায় বাঘে ৰজাৰ ঘোঁৰা এটা, এটা-দুটা মাৰে আৰু খাই সেই কাৰণে বুঢ়াক বৰ সাহসী বুলি ঘোঁৰা ৰখীয়া পাতিলে। বুঢ়াই সেইদিনা ৰাতি ভাবিলে ইয়াত মই থকাতকৈ ইয়াৰে এটা ঘোঁৰা নিয়াই ভাল বুলি বুঢ়াই যিটো ঘোঁৰা চোকা সেইটোৱেই ল’লে। সেইটোৱে আছিল বাঘ। কিছু দূৰ যোৱাৰ পিছত বাঘে হাবিৰ ফালে, বুঢ়াই ৰাস্তাৰ ফালে টানে। এনেতে বুঢ়াই বাঘটো কোবাই কোবাই আধামৰা কৰিলে। লাহে লাহে পোহৰো হ’বলৈ ধৰিলে। বুঢ়াই তেতিয়াহে বাঘ বুলি ভাবিলে আৰু বাঘে বুঢ়াক খাব বুলি বাঘটো মাৰি ৰজাৰ ওচৰত আনিলে। ৰজাই বুঢ়াক বহুত বলী আৰু সাহসী বুলি ভাবি এখন মল্লযুদ্ধ আহ্বান কৰিলে। ৰজাই ভাল দিন আৰু বাৰ চাই সভাখন পাতিলে। সভাত সকলো ৰাইজ উপস্থিত হ’ল। সকলো ৰাইজে মল্লযুদ্ধখন চাব পাব বুলি আনন্দ লাগিল। আন এজন বলী মানুহ ৰজাই বিচাৰি ল’লে। বুঢ়া চিন্তাত পৰিল। বুঢ়াই গাত কলৰ শুকান পাত মেৰিয়াই ওপৰত কাপোৰ পিন্ধি ল’লে। এনেতে আনজনে বুঢ়াক দেখি ভয় খাই ৰজাক এটা বুদ্ধি দি ক’লে- মই সোনকালে সৌখিনি ঠাইৰ পৰা আহোগৈ, আপুনি অলপ সময় ৰ’ব। বুঢ়াৰো মল্লযুদ্ধ কৰিবলৈ ভয় লাগে। কাৰণ বুঢ়াটো বলী আৰু সাহসী নহয়। ৰাইজে আনজন যুঁজাৰুক অপেক্ষা কৰি আছে। বুঢ়াৰো মনে মনে ভাল লাগি আছে। বুঢ়াই যুঁজাৰুজন নাহিলেই ভাল পায়। কাৰণ বুঢ়াৰ সাহস আৰু শক্তি নাই। শেষত মল্লযুদ্ধও নহ’ল আৰু ৰাইজসহ ঘৰলৈ গুচি গ’ল। বুঢ়াও ৰজাৰ ঘৰলৈ আহিল। কেইদিনমানৰ পিছত বুঢ়াজনৰ মৃত্যু হ’ল।■

# বড়ো ভাষা শিকোঁ আহা

মহিমাময়ী কছাৰী

| অসমীয়া | বড়ো | অসমীয়া | বড়ো | অসমীয়া | বড়ো |
|---|---|---|---|---|---|
| মই | আং | ভাগিন | বানাইছৈ | ঠাণ্ডা | গুচু |
| আমি | জোং | ভতিজা | বিয়াদৈ | কুহুমিয়া | দুমর্বুত |
| আমাৰ | জোংনৌ | শাহু | বিখুমজৌ | পানী | দৈ |
| তোমাৰ | নংনৌ | শহুৰ | বিহাওঁ | জুই | অৰ |
| মোৰ | আংনি | গিৰিয়েকৰ ভনী/ | | খৰি | বন |
| মোৰ লগত | আং জৌং | ভাইটী | বিধৈনাং | খেৰ | জিগাব |
| তেওঁলোকৰ | বিছৌৰণি | বোৱাৰী | বিহামজৌ | ঘৰ | ন |
| তেওঁলোক | বিছৌৰ | জোৱাই | জাৱাইছো | ৰুম | খঠা |
| তুমি | নং | ল'ৰা | হৌৱাছা | দুৱাৰ | দৰজা |
| মা | আই | ছোৱালী | হিনজাৰছা | খিৰিকী | খিৰকী |
| দেউতা | আফা | তিৰোতা | আইজো | দা | ছেখা |
| দাদা | আদা | যুৱতী | ছিথ্লা | কুঠাৰ | ৰুৱা |
| নবৌ | বাজৈ | যুৱক | লাইমৌন | কুৰ | খদাল |
| বাইদেউ | আব' | পুৰুষ | হৌৱা-মানছি | নাঙল | নাঙল |
| ভিনদেউ | গুমৈ | মানুহ | মানছি | জুৱলী | জুৱলী |
| ভাইটি | ফংবাই | কন্যা | হিনজাওঁ গোদান | কাচি | কাচি |
| ভণ্টি | বিনানাউ | আলহী | আলছি | লাহনী | খিছনী |
| খুৰা | আদৈ | যাম | থাংনি | বিৰিয়া | বিৰিয়া |
| খুৰী | মাদৈ | গ'ল | থাংনায় | ধুমুহা বতাহ | বাৰহঙখা |
| বৰদেউতা | আয়ং | গ'লগৈ | থাংবায় | ঘাম পানী | গোলোমদৈ |
| বৰমা | আয়ং | আহিল | ফৈবায় | নিঁয়ৰ | নিহিক |
| পেহি | আনৈ | আহিছে | ফৈদৌং | জোন | অখাকৌৰ |
| পেহা | আমাই | বহা | জিৰাই | বেলি | সান |
| মামা | আমাই | চৈয়াহুৱা | গছংনায় | ৰাতিপুৱা | ফুংবিলি |
| মামী | আনৈ | বৰষুণ | অখা | ৰাতি | হৰং |
| ককা | আবৌ | বতাহ | বাৰ | দিন | শান |
| আইতা | আবৈ | গৰম | গুদুং | তৰা | হাথৰখি |

| অসমীয়া | বড়ো | অসমীয়া | বড়ো | অসমীয়া | বড়ো |
|---|---|---|---|---|---|
| মেঘ | জৌমৈ | সভাপতি | আফাৎগিৰি | ভাত কেৰেলা | ভাত কেৰেলা |
| পূব | সানজা | সম্পাদক | নেহাথাৰী | পটল | পটল |
| পশ্চিম | সৌনাৰ | সদস্য | ছৌদ্রোমা | আলু | আলু |
| দক্ষিণ | খৌলা | উপদেষ্টা | বৌছৌনগিৰী | ভেণ্ডি | মৈথাছিখ্লা |
| উত্তৰ | সাহা | কঠাল | খাঠাল | জলকীয়া | ফান্লু |
| ভাল | মৌজাং | আম | থাইজৌং | বিলাহী | ফানথাও মৌথৈ |
| বেয়া | গাজ্রি | কল | থাইলিৰ | ফুলকবি | ফুলকবি |
| চোতাল | ছেথ্লা | লিচু | লিছ | বন্ধা কবি | বন্ধা কবি |
| ঝাড়ু | হাছিব | আপেল | আপেল | লাই | লাই |
| পথাৰ | দুল্লি | জাম | জাম | লফা | লফা |
| পুখুৰী | দৈখৰ | আঙ্গুৰ | আঙ্গুৰ | বেঙেনা | ফানথাও |
| পানী | দৈ | মধুৰীআম | ছুংফ্রেংফিথাই | পালে শাক | পালে বিলাই |
| নদী | দৈসা | অমিতা | মৌথ্রৌ | ধনিয়া শাক | ধনিয়া বিলাই |
| সাগৰ | লৈথৌমা | জলফাই | জলফাই | পিয়াজ | পিয়াছ |
| নদ-নদী | দৈমা দৈছা | তামোল | গয় | বাঁহ | ঔৱা |
| বানপানী | দৈবানা | পাণ | ফাথৈ | তামোল গছ | গয়দংফাং |
| খোজকঢ়া | দাউহা নাংনাই | অনাৰস | আনাৰস | গছ | দংফাং |
| থিয়হোৰা | গছংনাই | বৰগী | বগৰী | বৰ গছ | গেদেৰ দংফাং |
| ৰাস্তা | লামা | নাৰিকল | নাৰিকল | জন্তু | জুনাৰ |
| বহা | জিৰাইনাই | শিলিখা | শিলিখা | গৰু | মৌছৌ |
| ভাত | আৌংখাম | লেতেকু | লেতেকু | ছাগলী | বৌৰমা |
| তৰকাৰী | মৈগং | খেজুৰ | দালছিং | কুকুৰ | ছৈমা |
| ভাজি | ভাজা | কমলা | কমলা | ঘোঁৰা | গৰায় |
| ৰন্ধা | ছুংনাই | বেল | বেল | হাতী | মৈদেৰ |
| পুৰা | ছাউনাই | নাছপতি | নাছপতি | সিংহ | সিংহ |
| কাঁহি | ছৌৰছি | ৰঙালাও | জৌগৌনাৰ | শিয়াল | শিয়াল |
| বাটি | লথা | পানীলাও | পানীলাও | বান্দৰ | বান্দৰ |
| গাল্লা | গাল্লা | কোমোৰা | কোমোৰা (খুমব্রা) | হৰিণ | হৰিণ (মৈংভেলেংগি) |
| কৰচ | কৰচ | জিলা | জিকা | ম'হ | মৈছৌ |
| খন্তি | আৌংখামদো | ভোল | ভোল | নিগনি | এনজৰ |
| কেৰাহী | মৈগংদো | লেছেৰা | লেছেৰা | মেকুৰী | মাওজী |

■■■

কবিতা কানন

# সমানে সমানে কৰিবা কাজ....

বন্দনা দেৱী

মধুপুৰ বিদ্যালয়ৰ সৰু
এখনেই খেল পথাৰ
ল'ৰাই নে ছোৱালীয়ে
কোনে খেলিব খেল
সেই লৈয়ে সদায় বিচাৰ।
ল'ৰাহঁতে কয়--
ছোৱালীবোৰেও যদি
খেলিবলৈ ধৰে
চৌহদ শ্ৰেণীকোঠা কোনে
কৰিব পৰিস্কাৰ?
ঘৰতো ঘৰুৱা কাম
আমি ছোৱালীবোৰেই কৰো
নাই নেকি খেলিবৰ
আমাৰো অধিকাৰ?
আছে যদি খেলিবলৈ
আমাৰ লগত মন
'ফুটবল' খেলকে খেলো আহ
দুয়োপক্ষৰ মাজতে
কৰিলে এক পণ।
কল্পনা দেৱী 'ৰেফাৰী'
হুইছেল মাৰি
আৰম্ভ কৰি দিলে খেল
হুৰা-হুৰি, দৌৰা-দৌৰি
বলৰ পিছে পিছে
তৰ্কা-তৰ্কি কাজিয়া কৰাৰ
এতিয়া--
ওলাই যাব তেল।
হেই হেই হেই
পৰিল পৰিল পৰিল
ডুবিল ডুবিল ডুবিল
কাষতে থকা পুখুৰীটোত
'বল'টো পৰিল।
নহয় নহয় নহয়
'বল' আনিবলৈ গৈ
ৰবিনহে ডুবিল--
কক্‌বক্‌ কৰিব লাগিছে
ৰবিন পুখুৰীৰ পানীত
উত্তাল হ'ব ধৰিছে আকাশ
সমৱেত চিঞৰৰ ধ্বনিত।
কোনো সাঁতুৰিব জানে?
কোনে পাৰিব
ৰবিনক আনিব তুলি।
এনেতে ৰীতা হাজৰিকাই
পানীত দিলে জাপ
'হে কৃষ্ণ' বুলি।
সাঁতুৰি সাঁতুৰি
আনিলে পাৰলৈ
ৰবিনক চুলিত ধৰি
হেৰাই যোৱা ৰবিনক
চাওঁ বুলি
সকলোৱে ধৰিলে আৱৰি।
ছোৱালী হৈও ৰীতাই আজি
যি কাৰ্য সাধিলে
সকলোৱে একেমুখে
প্ৰশংসা কৰিলে।
বিদ্যা শিক্ষা খেলা-ধুলাত
সকলোৰে সমঅধিকাৰ,
ভেদাভেদ ক'তো নাই
ছোৱালী ল'ৰাৰ
কথাষাৰ নিশ্চয় হ'ল পৰিস্কাৰ।■

# মইনাৰ ধৰণী

**উষাৰাণী দত্ত মজুমদাৰ**

এইখন আমাৰ ধুনীয়া ধৰণী
ৰাতিপুৱা ওলাই ৰঙা বেলি
পোহৰ আহে আকাশ ফালি
জল্‌জল্‌ পট্‌পট্‌ গছলতা ফুল পাত
চৰাই চিৰিকতিৰ লগতে শুনো
মইনাৰ অমাতৰ মাত।
মইনাহঁতৰ চোতালত
বহুত ফল ৰমক জমককৈ ফুলে
সুবাসিত হৈ থাকে গোটেইখন
আমোল মোলোৱা গোন্ধে।
ধুনীয়া ধুনীয়া ৰঙীন পখিলা
আলাসতে উৰে
পখিলা ধৰিবলৈ মইনাই
পাক মাৰি মাৰি ঘূৰে।
জীঞাবোৰ হেলিকপ্তাৰৰ দৰে
ফিফিয়াই উৰে
পুখুৰীৰ পানীৰ ওপৰতহে
সিহঁতৰ ৰং চৰে।
পুখুৰীৰ পানীত ৰঙা পদুম বগা পদুম
হালি জালি নাচে।
মাছবোৰ পুখুৰীত
টুপটুপাই থাকে
এমুঠি মুড়ি দলিয়াই দিলে
লুকাভাকু খেলে।
পিউপিউ শব্দ শুনি
খিৰিকীৰে মইনাই চালে জুমি
শেৱালিজোপাৰ ডালত পৰি
আছে দুটি বুলবুলি
ইমান ধুনীয়া চৰাই দুটি
সিহঁতৰ ইমান মিলাপ্ৰীতি
কাউৰী আহিলে মইনাই খেদে
কাউৰী কা কা কা
দূৰলৈ উৰি যা যা যা
নাৰিকল গছৰ খোৰোঙত
চুতীয়া শালিকীৰ বাহ
ইয়াতে সিহঁতে উমলি জামলি
কটাই আছে, মাহৰ পিছত মাহ
টিয়া ভাটৌ পাটমাদৈ
হুলস্থূল লগাই থাকে
খাই পকা কৰ্দৈ।
আবেলি হ'লে
ৰঙা বেলিয়ে ফাঁকু ছটিয়াই
থৰ লাগে মইনা পশ্চিম আকাশলৈ চাই
মইনা আপোন ভাবত মগন
ইমান ধুনীয়া ধৰণীখন
কোনে বাৰু কৰিলে স্ৰজন।■



দীক্ষিতা ৰাই হাজং

# পুৱা

**নিহাৰ জ্যোতি চহৰীয়া**

ৰাতিপুৱাল সূৰুয ওলাল
আকাশৰ ৰং হেঙুলী
গছৰ ডালত নানাবিধ চৰায়ে
জুৰিছে গীতৰ কলি।
অকণিহঁতেও মুখ-হাত ধুই
পাঠ আগত ল'লে,
খেতিয়কসকলেও হাল কোৰ লৈ
পথাৰ গৈ পালে।
মা-দেউতাই গা পা ধুই
নাম ঘৰত সোমায়,
ধূপ ধুনাৰ গন্ধে চৌপাশ বিয়পাই
মন পৱিত্ৰ হৈ যায়।
ৰাতিপুৱাৰ মলয়া বতাহে
জগত পৱিত্ৰ কৰে,
নাম-কীৰ্ত্তনৰ ধ্বনি শুনি মন
আনন্দত উপচি পৰে।
আমি অকণি নাজানো মিনতি
আমাৰ কোমল মন,
সৎ পতেৰে যেন আগুৱাই নিয়া প্ৰভু
দিয়া মাত্ৰ এই ধন।■

# হে গুৰু তোমাক প্ৰণাম

**অংশুমান বৰা**

হে গুৰু তোমাক
শত শত প্ৰণাম,
তোমাৰ নীতি আদৰ্শই
ধুই নিকা কৰিলে
অমূল্য ধৰা ধাম।
ভূৰুকাত হাতী ভৰাই
বিশ্বকে চমক লগায়
মৃত্যুমুখী অসমীয়াক দিলা
ধৰ্মৰ জ্ঞান।
মাধৱক লগত লৈ
এক শৰণ নামধৰ্ম
কৰিলা প্ৰচাৰ।
দেখুৱালা মুক্তিৰ পথ
হে গুৰু তোমাৰ অবিহনে
থাকিবনে আমাৰ সংস্কৃতি?
তোমাৰ বাবেই আজি অসমীয়াই
দিব পাৰে চিনাকি
সংস্কৃতিবান জাতি বুলি।
তুমি অসমৰ প্ৰাণ
তোমাৰ উচ্চ আদৰ্শ আমি
সৰ্বতো প্ৰকাৰে কৰিম গ্ৰহণ।
হে গুৰু তোমাক পুনৰ
জনাওঁ কৌটি কৌটি নমস্কাৰ।■

# গুৰু শঙ্কৰদেৱ

লীজাৰাণী শইকীয়া

শঙ্কৰদেৱ
তুমি জগতৰ গুৰু
তুমি আমাৰ
চিৰ বিপ্লৱী পুৰুষ।
অসমীয়াৰ কাৰণে দিলা
তুমি অমৃতৰ বাণী
তোমাৰেই গীত-মাত
সাহিত্য সংস্কৃতি
অসমীয়া জাতিৰ কাৰণে
তুমি কৰিলা ভঁৰাল চহকী
নামঘৰ প্ৰতিষ্ঠা কৰি
সকলোকে একেডাল ডোলেৰে বান্ধিলা
নাটক লিখি, ভাওনা কৰিলা।
চিহ্নযাত্ৰা ভাওনাত
ন-টা খোল একেলগে বজায়
জগতত চমক দেখুৱালা
একে ৰাতিতে গুণমালা লিখি
ভূৰুকাত হাতী ভৰালা।
তোমাৰেই লীলা অনেক অপাৰ
পুনৰ এবাৰ জনম লোৱা এই পৃথিৱীত
দেখুৱাই দিয়াহি নামৰ মহিমা
তোমাক কৰিছোঁ আহ্বান।

# শঙ্কৰে স্বৰূপ হৰি

ডাঃ পুনিৰাম পাতৰ

১৩৭১ শকত (১৪৪৯ চন) আলিপুখুৰীত
শঙ্কৰ স্বৰূপে হৰি ভৈলা অৱতাৰ,
ভকতিৰ বিদিত কৰি
নামধৰ্ম কৰিলা প্ৰচাৰ।
কৃষ্ণসে পৰম দেৱ
তাকেসে কৰিয়ো সেৱ
আনদেৱক নকৰা সেৱ
দিলে সিদ্ধান্ত শঙ্কৰদেৱ।
ভকতক জিনিবাৰ মনে
বিৰচিলা ৰঙ্গমনে
নাট ভাওনা বৰগীত
পদ দিলা ভাগৱত কীৰ্ত্তনে।
সুৰত নাচি ৰসত মজি
সমস্ত ভকতে গায়
জয় জয় ধ্বনি তুমি
শঙ্কৰেসে পৰম গুৰু বুলি।
পাটবাউসী থান পাতি
বিৰুদ্ধবাদীক শাস্ত্ৰে জিনি
নৰনাৰায়ণো গুৰুক বুজি
ৰজা-প্ৰজাই ৰায় দিলে-
শঙ্কৰেসে শুদ্ধ বুলি।
হৰিনাম ধ্বজা উৰুৱাই
১৪৯০ শক (১৫৬৮ চন)
ভকতত ধৰ্ম থৈ
কোচ বেহাৰ ৰাজ্যতে
চলি গৈল বৈকুণ্ঠলৈ। ■

# নাৰদৰ শিশুকাল

**জয়ন্তী ডেকা**

ভকতৰ কল্পতৰু
ভগৱন্ত মূলসাৰ
ভকতেহে বুজি পাই
ঈশ্বৰৰ মূলাধাৰ।
যিজনে কৰে ভকতি
তেৰেঁই হয় ভকত
বাঞ্ছা কল্পতৰু হৰি
ৰক্ষা কৰে জগত।
পঞ্চ বছৰীয়া শিশু
ভাৰত বৰিষে
ভক্তিৰে ঈশ্বৰ লভে
পৰম হৰিষে।
ধ্ৰুৱ, প্ৰহ্লাদ, নাৰদ
তিনিওটি মহামানী
পৰম ভকতি বলে
অল্প বয়সে জ্ঞানী।
ধ্ৰুৱ প্ৰহ্লাদৰ কথা
এহিমানে থওঁ
নাৰদৰ জীৱন কথা
শিশু সৱক কওঁ।
জন্মতেই দুৰ্ভগীয়া
মাক ব্ৰাহ্মণৰ দাসী
দুবেলা দুমুঠি খাই
থাকে আধা উপবাসী।
সিবেলাত ব্ৰাহ্মণৰ গৃহে
আহিল চাৰিসিদ্ধ
সনক, সনন্দ, সনাতন,
সনত কুমাৰ চাৰি বৃদ্ধ।
ৰহিল ছমাহ কাল
ব্ৰাহ্মণৰ গৃহে
ধৰ্ম চৰ্চা কৰে বহু
পৰম আগ্ৰহে।
সাৱধানে শুনে নাৰদ
ঋষিৰ কাষত বহি
সাধু সৱে চিনি পায়
শিশু সাধাৰণ নহি।
লাচনি পাচনি কৰে
ৰন্ধন কালে আহি
শিশুটিকো খাবলৈ দিয়ে
যিখিনি হয় ৰাহি।
বাৰিষা কাল পূৰ্ণ হলত
ঋষি মাগিলে মেলানি।
নাৰদেও পিচে পিচে যায়
মোকো লৈ যোৱাহে গুণী।
নাৰদে নেৰে পাচ
সাধুসৱে দিয়ে হাক।
‘কষ্ট পাবা তুমি অতি
ইহ আছা শিশু মতি।
ঈশ্বৰক হৃদয়ে ধৰা
মনোযোগে শাস্ত্ৰ পঢ়া।
লভিবা তুমি পৰম জ্ঞান
কৃষ্ণক দিয়া হৃদয়ে স্থান।’
নাৰদে বুলি ক্ষীণ
আমি অতি দীন হীন।
কতে পাব শাস্ত্ৰ পুথি
কোনে দিব হিয়াত গাঁথি।
কাতৰ কৰিছোঁ চৰণত
বিষ্ণু তত্ত্ব দিবা মনত।
এই বুলি মৌন হই
শিশুটি বাগৰি ৰই।
তুলিলে ক্ৰন্দন ধ্বনি
আথে বেথে তুলি চাৰি জ্ঞানী।
বাৰ অক্ষৰী মন্ত্ৰ শিকায়
‘ঔ নমঃ ভগৱতে বাসুদেৱায়।’
পৰম অমৃত যেন পাই
পিব যেন দুনাই দুনাই।
একান্ত ভক্তিৰে জপি ৰ’ল
চাৰি সিদ্ধ এৰি গুচি গ’ল।
ঈশ্বৰে কৰিলে দৈৱবাণী
‘পাৰিষদ হোৱা জীৱন জিনি।
শ্ৰেষ্ঠ জন্ম মনুষ্য জীৱন
সৎ কৰ্মেৰে কৰা পূৰণ।
তেহে পাইবা বৈকুণ্ঠ ধাম
হৃদয়ত ল’বা নাৰায়ণ নাম।
তিনিও লোক বিচৰণ কৰিবা
নাৰদ নামেৰে পৰিচিত হ’বা।’
পাঁচ বছৰীয়া শিশু এটি
সৎ সঙ্গত হ’ল পৰম গতি।
ঢেঁকীত উঠি বীণা বজাই
ত্ৰিলোক ফুৰে ‘নাৰায়ণ’
নাম গাই।■

# সৌৰজগত

**নীলমণি বৰুৱা**

সৃষ্টিৰ ৰহস্যময় অসীম আকাশ
সীমাহীন দিগন্তত তাৰেই প্ৰকাশ,
অযুত নিযুত নিতে পোহৰৰ মেলা
ঈশ্বৰ সৃষ্টিৰ কিনো বিচিত্ৰময় লীলা।
কোটি কোটি বছৰৰ আলোক পথত
নিজ নিজ কক্ষপথে ঘূৰিছে জগত,
হাতীপতি ধূমকেতু কৰে চিক্‌মিক্
সপ্তৰ্ষি মণ্ডল কোটি নক্ষত্ৰৰ জ্যোতি।
গ্ৰহ নক্ষত্ৰৰ অবিৰাম বৃত্তাকাৰ গতিত
আকৰ্ষণ কৰি আছে ইটিয়ে সিটিক,
উত্তৰী পথত ৰৈ ধ্ৰুৱতৰাই
দিশৰ সন্ধান দিয়ে নিতে সৌঁৰৰাই।
জোনালী জ্যোতিৰ্ময় সৰু বৰ তৰাৰ ফুলনি
পথভ্ৰষ্ট পপীয়াৰ আচৰিত তৰিৎ গতি,
অগণন তৰালীয়ে চকু টুপিয়াই
সুনীল নিৰ্মল মহা আকাশে পৰাণ জুৰাই।
'সূৰ্য' কেন্দ্ৰ হ'ল আলোকময় সৌৰজগতৰ
অনন্ত গতিৰে চলিছে যুগযুগান্তৰ,
সুবিশাল পৃথিৱীৰ অসীম বিচিত্ৰ আকাশ
যুগে যুগে ঈশ্বৰৰ বিভূতি প্ৰকাশ।।■

# সত্য সনাতন

**অৰুণা কলিতা শইকীয়া**

তুমি চিৰ শাশ্বত
সত্য সনাতন।
সগুণ সাকাৰ হৈও
নিৰ্গুণ নিৰাকাৰ
সমস্ত ভূতত তুমি
কৰিছা বিৰাজমান।
সৃষ্টি স্থিতি প্ৰলয়
তোমাৰেই কাৰ্যকৰণ।
নাহি জন্ম তোমাৰ
তথাপি জন্ম ধৰা
তুমি জগন্নাথ
তুমিয়েই মায়া নিবাৰণ কৰা।
আমি মায়াত মোহিত
নাপাওঁ তোমাক চিনি
নাজানো কৰিব প্ৰণতি।
ধন-জন, জীৱন, যৌৱন
সকলো অনিত্য
কেৱল হৰি নাম সত্য।
কৃষ্ণ কৃষ্ণ হৰি ৰাম
সবে মুখে লৈয়া
ভৱসাগৰ তৰি যাওঁ
কলিত ভকতি
বিনে নাই গতি
জানিয়া সম্প্ৰতি
আহা হৰি নাম গাঁও
আন যত সবে মিছা
কেৱল তুমিহে মাত্ৰ
সত্য সনাতন।■

# কেং বুঢ়া

**বাবুমণি হীৰা**

আমাৰ গাঁৱত আছে এজন বুঢ়া
নাম হ'ল তেওঁৰ কেং
ল'ৰাবোৰে জোকালে তেওঁ
কৰি উঠে খেং খেং।

মূৰত জাপি হাতত এচাৰি
তেওঁ যায় গৰু বিচাৰি
উভতি আহে ভাগৰে জুগৰে
পদূলিৰ পৰাই বুঢ়ীক চিঞৰে
'বোলো ভাত হ'ল নে নাই?'
ভাতেৰে ভৰাই দে কাঁহি ভৰাই দে টৌ।

দেখাত বুঢ়া দীঘল
দাঁতকেইটা উজলা
ৰূপত নহয় ৰূপেশ্বৰ
গুণতহে কিন্তু গুণেশ্বৰ।
কেঙৰ আছে এখন ধুনীয়া ফুলনি
ৰঙা বগা ফুলেৰে হৈ আছে শুৱনি
ফুলনিখন চাই চাই বুঢ়াই পায় ৰং
কোনোবাই ফুল ছিঙিলেহে উঠি যায় খং।

বুঢ়াৰ বাৰীত আছে পকা মধুৰিআম
ল'ৰাহঁতে ভাবি থাকে সুযোগ পালেই খাম
পকা পকা ফলবোৰ ল'ৰাহঁতক দিয়ে বিলাই
খাবলৈ পাই বোপাহঁতৰো আনন্দৰ সীমা নাই।

মাটিৰ মানুহ কেং বুঢ়া সহজ-সৰল
সকলোকে সমান দেখে পেটত নাই গৰল
সততে এনে মানুহ পাবলৈ নাই
সামৰিলো কেঙৰ কাহিনী মাগিলো বিদায়।■

# প্ৰাণৰ প্ৰিয়তম

**ইলাৰতী ডেকা**

তোমাৰ নামে মোৰ হৃদয়ত
শিহৰণ তোলে
কৃষ্ণ প্ৰেম এইটো মাত্ৰ
জানিছোঁ নিশ্চয়
মোৰ হৃদয়ত কেৱল তোমাৰ নাম
আছে লুকাভাকু খেলি
প্ৰেমৰ জৰীৰে ৰাখিছোঁ বান্ধি
উগুল-থুগুল আঁতৰি গ'ল
হেৰোৱা মানিক হাততেই পাই
হে পৰমানন্দ-- তুমিয়েই
এই পাপৰ কালিমা
এই সাগৰৰ পৰা উদ্ধাৰ কৰা
তোমাৰ অসীম মহিমা শক্তিৰে
যুগে যুগে আমাক
জাগৃত কৰা।■



বৰষা বৰা

স্বাস্থ্য শিতান

# শিশুৰ অপুষ্টি আৰু সংক্ৰামক ৰোগ

**ডাঃ জীৱন চন্দ্ৰ ডেকা**

আয়ুৰ্বেদ শাস্ত্ৰই কৈছে-- 'ঔষধ নহ'লেও কেৱল পথ্যৰ দ্বাৰা ৰোগ আৰোগ্য কৰিব পাৰি। কিন্তু পথ্য নোহোৱাকৈ শ শ বিধৰ ঔষধ সেৱন কৰিলেও ৰোগ আৰোগ্য নহয়। গতিকে জন্মৰ পিছৰ পৰাই শিশুসকলৰ দেহৰ বৃদ্ধি, গঠন আৰু সুস্বাস্থ্য নিৰ্ভৰ কৰে খোৱা আহাৰ আৰু পুষ্টিৰ ওপৰত। বয়স অনুপাতে আৰু সময়মতে শিশুয়ে আহাৰৰ উপাদানসমূহ গ্ৰহণ নকৰিলে নানা ধৰণৰ পুষ্টিহীনতা ৰোগত ভুগিব পাৰে। ইয়াৰ ভিতৰত মাৰাছমাছ, কোৱাছিঅ'ৰ্কৰ, ৰিকেটছ, স্কাৰ্ভি, ইনফেনটাইল, হেপাটিকছিৰছিচ আদি উল্লেখযোগ্য।

**মাৰাছমাছ ৰোগ আৰু ইয়াৰ কাৰণ ঃ**

শিশুৰ দেহত দেখা দিয়া এই বিধ ৰোগৰ একমাত্ৰ কাৰণ হ'ল প্ৰ'টিনৰ অভাৱ আৰু দেহৰ শক্তি বা কেলৰিমান কমি যোৱা। এনে ৰোগ হ'লে শিশুৰ দেহৰ বৃদ্ধি সম্পূৰ্ণ ৰোধ হৈ পৰে। এনে শিশুৰ দেহ সম্পূৰ্ণ হাড়ে-ছালে লগা, ছাল সোতোৰা পৰা, নিৰ্জল আৰু বুঢ়া মানুহৰ দৰে মুখ, পেট ডাঙৰ, ভোকাতুৰ আৰু সকলো সময়তে খাবলৈ বিচাৰে। এই সকল শিশুৰ মূৰৰ চুলি কম, চুলি কাটিলেও সোনকালে নগজে। এনে শিশুয়ে এঠাইত জুপুকা মাৰি বহি থাকে। শেষৰ পিনে এনে ৰোগত ভোগা শিশুয়ে কোনো বস্তু খাবলৈ মন নকৰা হয়। চকুহাল কোটৰত সোমাই পৰে; ভৰিৰ তলৰ অংশ চেচা আৰু অতি সহজে ৰোগৰ দ্বাৰা আক্ৰান্ত হয়।

এনে ৰোগৰ পৰা হাত সাৰিবলৈ শিশুসকলৰ দেহত কেলৰিমান বঢ়োৱা আৰু প্ৰ'টিনযুক্ত আহাৰ নিয়মীয়াভাৱে খাবলৈ দিয়া প্ৰয়োজন। এক কিলোগ্ৰাম ওজনৰ শিশু এজনৰ বাবে প্ৰতিদিনে প্ৰায় ১২০ কেলৰি শক্তিৰ প্ৰয়োজন। এবছৰ বয়সৰ পৰা দুবছৰ বয়সলৈ নিতৌ গড়ে ১০০০ কেলৰি, ৫ বছৰ বয়সৰ বাবে ১৪০০ কেলৰি প্ৰ'টিনৰ প্ৰয়োজন। প্ৰ'টিনৰ পৰিমাণ বঢ়াবলৈ শিশুসকলক গাখীৰ মাহজাতীয় শস্য, ছয়াবীন আৰু সেউজীয়া শাক পাচলি যথেষ্ট পৰিমাণে খুৱাব লাগে।

**কোৱাছিঅ'ৰ্কৰ ৰোগ ঃ** প্ৰ'টিন আৰু ভিটামিনৰ অভাৱত দেখা দিয়া ই এক প্ৰকাৰ সজল পুষ্টিহীনতা ৰোগ। ইয়াক কোৱাছিঅ'ৰ্কৰ (Kwashiorkor) বা Protein Energy malnutrition চমুকৈ PEM বোলা হয়। ঘাইকৈ এই ৰোগবিধ হয় প্ৰ'টিন আৰু ভিটামিনৰ অভাৱত। ইয়াৰ উপৰিও এছকাৰিছ বা কোনো পেলুৰ সংক্ৰমন মাকৰ গাখীৰৰ পৰিৱৰ্তে কৃত্ৰিম গাখীৰ খুওৱা ছিফিলিছ কিম্বা মেনিঞ্জাইটিছৰ দৰে ৰোগৰ সংক্ৰমন ঘটিলে এই বিধ ৰোগ হয়। কোৱাছিঅ'ৰ্কৰ ৰোগত ভোগা শিশুয়ে খাবলৈ মন নকৰে, চকু, মুখ, হাত, ভৰি আনকি সমস্ত

দেহ ফুলা দেখা যায়। ছাল শুকান আৰু খহতা হয়। ছালৰ কমনীয়তা নাথাকে, চুলিৰ বৰণ কপিলা বা ৰঙচুৰা হয়। দেহৰ বৃদ্ধি আৰু ওজনকমি আহে। লিভাৰ বাঢ়ে, এনে হোৱাৰ ফলত ভোক নলগা হয়। বমি ভাৱ হয় আৰু অৱশেষত পনীয়া শৌচ, ৰক্তহীনতা বা এনিমীয়া, হাওঁফাও আদি সংক্ৰমণ হয়। এনে ৰোগৰ পৰা হাত সাৰিবলৈ শিশুক প্ৰ'টিনযুক্ত আহাৰৰ লগতে পকা ফলমূল, শাক-পাচলি প্ৰচুৰ পৰিমাণে খুৱাব লাগে।

**মাৰাছমাছিক কোৱাছিঅ'ৰ্কৰ** (Marasmasic Kwashiorkor) ঃ কোনো কোনো শিশুয়ে মাৰাছমাছ আৰু কোৱাছিঅ'ৰ্কৰ এই দুয়োবিধ ৰোগত একেলগে ভোগা দেখা যায়। ইয়াকে মাৰাছমাছিক কোৱাছিঅ'ৰ্কৰ বোলে। এনে ৰোগত শিশুৰ দুয়োখন ভৰি উখহি ফুলি উঠে আৰু হাতৰ বাউসী চিঞা হৈ পৰে। শিশুৰ এনে ৰোগ নহ'বলৈ গৰু আৰু ছাগলীৰ গাখীৰ, ছয়াবীন, লেছেৰামাহ বা মাহজাতীয় শষ্য সিজাই খুৱাব লাগে। এইবোৰৰ পৰা পৰ্যাপ্ত পৰিমাণে প্ৰ'টিন পাব পাৰি। ঘেঁহুৰ পৰা ১২ শতাংশ, মাহজাতীয় শস্যৰ পৰা ২০-২৫ শতাংশ, ছয়াবীনৰ পৰা ৪০ শতাংশ আৰু চাউলৰ পৰা ৫০ শতাংশ প্ৰ'টিন পাব পাৰি।

**বেৰি বেৰি ৰোগ** (Beri-Beri) ঃ শিশুৰ দেহত যেতিয়া $B_1$ ভিটামিনৰ অভাৱ হয় তেতিয়াই বেৰি বেৰি ৰোগৰ প্ৰাদুৰ্ভাৱ হয়। এনে ৰোগত ভোগা শিশুয়ে অস্থিৰ হৈ কান্দি থাকে। উশাহ নিশাহ লোৱাত কষ্ট পায়। এনে শিশুয়ে প্ৰায়ে হাৰ্টৰ ৰোগত ভোগে, হৃদপিণ্ডৰ ব্যাঘাত ঘটে, হৃদপিণ্ডৰ স্ফিত হোৱা বাবে প্ৰস্ৰাৱ কমকৈ হয়, ফলত ভৰি ফুলে। ভিটামিন $B_1$ কমি যোৱাই হ'ল বেৰি বেৰি ৰোগৰ প্ৰধান কাৰণ। $B_1$ ভিটামিনৰ উপাদান হ'ল থায়েমিন (Thiamin আৰু Ancurin) ইয়াক সাধাৰণতে ফলমূল আলু, শ্বেতসাৰ জাতীয় খাদ্য আৰু লিভাৰত পোৱা যায়। ইয়াৰ উপৰিও ধান, গোমধান, লেছেৰা, উৰহী আৰু সেউজীয়া শাক-পাচলিত পোৱা যায়। ইয়াত প্ৰচুৰপৰিমাণে $B_1$ ভিটামিন থাকে।

গৰ্ভৱতী মাতৃয়ে যেতিয়া এনে প্ৰকাৰৰ খাদ্য প্ৰচুৰ পৰিমাণে খাবলৈ নাপায়, তেতিয়া মাতৃ দুগ্ধত $B_1$ ভিটামিন কমকৈ জমা হয় ফলত শিশুয়ে এনে ৰোগত ভোগা দেখা যায়।

**শিশুৰ স্কাৰ্ভি** (Scurvy) ঃ শিশুৰ দেহত যেতিয়া ভিটামিন C বা এছকৰবিক এছিড (Ascorbic acid)ৰ নাটনি হয় তেতিয়া শিশুয়ে কথা ক'বলৈ মন নকৰা হয়। হাত আৰু ভৰিৰ দীঘল অংশসমূহত বিষ হয়। দাঁত আৰু চকুৰ পতাৰ পৰা ৰক্তপাত হয়। কটাছিঙা হ'লে ঠাইডোখৰ শুকাবলৈ দেৰি লাগে।

কমলা, বিলাহী, পালেং, বন্ধাকবি, কেচা জলকীয়াৰ বাকলি আৰু সেউজীয়া শাক-পাচলিত চি ভিটামিন থাকে। সেইবাবে এনেবোৰ খাদ্য নিয়মিতভাৱে খুৱালে শিশুৰ স্কাৰ্ভি ৰোগ নহয়।

**পয়ালগা বা ৰিকেট** (Ricket) ঃ শিশুসকলৰ দেহত বিশেষকৈ D ভিটামিনৰ অভাৱত যিবোৰ ৰোগৰ লক্ষণে দেখা দিয়ে তেনেবোৰ লক্ষণৰ ৰোগ বিধেই হ'ল পয়ালগা বা Ricket। এনে ৰোগত ভোগা শিশুৰ দাঁত পলমকৈ গজে, তালুৰ কোমল অংশ পুৰঠ হ'বলৈ দেৰি লাগে। বিশেষকৈ ভৰি দুখনৰ হাড়বোৰ ধেনুভেৰিয়া হৈ পৰে। ইয়াৰ ফলত খোজ

কাঢ়িলে আঠু দুটা মেল খায়। হাতৰ হাড়বোৰো বেঁকা হৈ যায়। গাঁঠিবোৰ ফুলে, বুকুৰ হাড়বোৰ ওলাই পৰে। এনে শিশুৰ দেহৰ পৰা প্ৰচুৰ ঘাম ওলায়। সাধাৰণতে আন্ধাৰ কোঠাত বাস কৰা, দেহত পোহৰ বা ৰ'দ নপৰা কেলছিয়াম আৰু ফছফৰাছযুক্ত আহাৰ নোখোৱা বা কমকৈ খোৱাৰ ফলত এইবোৰ ৰোগৰ লক্ষণে দেখা দিয়ে। D ভিটামিনৰ অভাৱ হ'লে তেনে শিশুৰ দাঁত খহতা, শিৰলু থকা হয়। দাঁতবোৰ নিমজ নহয় আৰু দাঁতৰ শিৰলুবোৰ স্থায়ীভাৱে থাকি যায়।

**চকুৰ ৰোগ (কুকুৰী কণা) ঃ** কেৱল সন্ধিয়া পৰত দেখা নোপোৱা ৰোগবিধেই হ'ল কুকুৰী কণা। প্ৰধানকৈ A ভিটামিনৰ অভাৱত এই বিধ ৰোগ হয়। ইয়াৰ কাৰণ হ'ল চকুৰ মনিৰ পিছপিনে অৱস্থিত পোহৰ উত্তেজনাকাৰী অংশ ৰেটিনাৰ কোষসমূহত বেঙুনীয়া ৰং সংশ্লেষিত হয়। ৰেটিনাৰ বাবে বেঙুনীয়া ৰশ্মি অতি প্ৰয়োজন। দৃষ্টিৰ সহায়ক এই বেঙুনীয়া ৰং গঠন কৰে A ভিটামিনে। বেঙুনীয়া ৰশ্মিৰ সংশ্লেষণৰ সময়ত আন্ধাৰত A ভিটামিনৰ এটা অংশ ভাঙি যোৱাৰ বাবে A ভিটামিনৰ নাটনি হয়।

**জন্মগত ছিফিলিছ** (Congenited Syphillis) ঃ কোনো মাতৃয়ে গৰ্ভধাৰণ কৰাৰ পিছত শেষৰ ফালে গৰ্ভস্থ শিশুৰ দেহত স্পাইৰ'কীটা বা ত্ৰিপনিমা নামৰ জীৱানুৰ সংক্ৰমনৰ ফলত ছিফিলিছ নামৰ ৰোগৰ সংক্ৰমন হয়। এনে ৰোগৰ সংক্ৰমন হ'লে কেতিয়াবা গৰ্ভস্থ অৱস্থাতেই শিশুৰ মৃত্যু হয়। কেতিয়াবা আকৌ দ্বিতীয়বাৰ দাঁত সৰাৰ সময়তহে ৰোগৰ লক্ষণ প্ৰকাশ পায়। কোনো কোনো শিশুৰ জন্মৰ সময়ত সুস্থ দেখা যায়, কিন্তু কিছুদিন পিছত শুকাই ক্ষীণাই যায়। মুখত তাম বৰণীয়া দাগ পৰে। কেতিয়াবা চকুৰ ভ্ৰু সৰি নাইকিয়া হয়। কেতিয়াবা শিশুৰ মূৰৰ কোনো অংশত চুলি বেছিকৈ গজে। নাক বিকৃত হয় বা উশাহ লোৱাৰ সময়ত শব্দ হয়। শৌচৰ দ্বাৰত কন্দেলোমেটা, কৰঙত আৰু ওঁঠত ঘাঁ হয়। মুখৰ কোণত ঘাঁ (Angular Stomatitis) আদি ৰোগ হয়। জন্মৰ পিছত পলমকৈ এইৰোগৰ সংক্ৰমন হ'লে খৰা নাক, কপাল ওখ বা উঠা, আঠু ফুলা, চকুৰ ৰোগ, দাঁত হাটচিনচন আদি ৰোগ হয়।

**শিশুৰ ভালভা ভেজিনাইটিছ ঃ** এক বছৰ বয়সৰ পৰা পাঁচ বছৰ বয়সৰ শিশুৰ ক্ষেত্ৰত যোনিদ্বাৰৰ খজুৰতী, জ্বালা পোৰা কৰা বা বিষ অনুভূত এক ৰোগৰ উৎপত্তি হয়। এনে ৰোগক ভালভা ভেজিনাইটিছ বোলে। এনে বয়সৰ শিশুসকলৰ যোনিদ্বাৰৰ বেৰখন অতিশয় কোমল অৱস্থাত থাকে। দ্বিতীয়তে এনে বয়সত Sex hormone কমি থকা বাবে শিশুসকলৰ ৰোগ প্ৰতিৰোধৰ ক্ষমতা কমি থাকে। ইয়াৰ ফলতেই ট্ৰাইক'ম'নাছ, কেনডিডিয়াছিচ, শ্লেমাইডিয়েল আদি প্ৰ'টজোৱাৰ সংক্ৰমন ঘটি ভালভা ভেজিনাইটিছ ৰোগত আক্ৰান্ত হয়।

ইয়াৰ বাবে পৰিষ্কাৰ পৰিচ্ছন্নতাৰ অতি প্ৰয়োজন। জাঙিয়া, টাৱেল, গামোচা আদিৰ ব্যৱহাৰৰ বেলিকা এইবোৰ যাতে লেতেৰা নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

**শিশুৰ পাইল'নৈফ্ৰাইটিছ** (Pylonephritis) ঃ ল'ৰা-ছোৱালীসকলৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱত বৃক্কৰ পেলভিছ আৰু ৰেনেল পেৰেন'কাইমাসমূহত কোলন বেচিলাছ, ষ্ট্ৰেপ্টককাছ-বেচিলাছ আৰু ষ্টেফিলককাছ বেছি লাছৰ দ্বাৰা সংক্ৰমন ঘটি পাইল'নৈফ্ৰাইটিছ ৰোগ

বিধ হয়। এনে ৰোগত শিশুৰ প্ৰস্ৰাৱ জ্বালা, প্ৰস্ৰাৱৰ সতে তেজ বা তেজৰ চাট, চকুমুখ ফুলা, জ্বৰ, বমিভাৱ আদি লক্ষণ থাকে।

**মূৰত হোৱা খৰ বা স্কেপ্ল** (Timea Captitis)ঃ সাধাৰণতে সৰু ল'ৰা-ছোৱালীসকলৰ মূৰত ঘূৰণীয়া, কেতিয়াবা অৰ্ধ ঘূৰণীয়া আকাৰৰ হালধীয়া চোকোৰাযুক্ত ঘাঁ হোৱা দেখা যায়। টিনিয়া কেপটিটিছ নামৰ মূৰত হোৱা এই খৰ বিধ সাধাৰণতে মাইক্ৰ'স্প'ৰাম আৰু ট্ৰাইক'ফাইটন নামৰ দুবিধ ভেঁকুৰৰ পৰা হয়। এই ৰোগৰ সংক্ৰমন হোৱা ঠাই টুকুৰাৰ পৰা চুলি সৰি যায়। খোৱা আৰু স্থানিক প্ৰয়োগৰ মলম পোৱা যায়। Undercylenic acid oint; Tolnaflate cream, salicylic acid, clotrifulvin আৰু Griseofulvin) বড়ি খোৱাৰ বাবে ব্যৱহাৰ কৰা হয়। এনে ৰোগীয়ে মূৰত কোনো ধৰণৰ তেল ঘঁহিব নালাগে। হেক্সাক্লোৰোফিন থকা চাবোন ব্যৱহাৰ কৰিব লাগে।

**হুপিং কাঁহ** (Hooping Cough)ঃ হুপিং কাঁহ হ'ল এবিধ সংক্ৰামক ৰোগ। এনে ৰোগীয়ে কাঁহ মাৰিলে হু-উ-প কৈ শব্দ হয় বাবে এই কাঁহবিধৰ নাম হ'ল হুপিং কাঁহ। প্ৰথমতে পানীলগা কাঁহৰ পৰাই গৈ এই কাঁহ শুকান হৈ পৰে আৰু ইয়েই হুপিং কাঁহত পৰিণত হয়।

ৰোগৰ মুখ্য কাৰণ ঃ হুপিং কাঁহৰ মুখ্য কাৰণ হ'ল- হেম'ফিলাছ পাটুছিচ (Haemophilus Partusis) নামৰ এক প্ৰকাৰ জীৱাণু। ইয়াৰ উপৰি ভৰ্ডেটিলা ব্ৰঙ্কিচেপ্টিকা নামৰ আন এক প্ৰকাৰ জীৱাণুৰ দ্বাৰাও এই ৰোগ হয়। দেখা যায় যে দুই বছৰ বয়সৰ পৰা পাঁচ বছৰ বয়সৰ শিশুসকলৰ এইৰোগ বেছিকৈ হয়। তাৰ ভিতৰত আকৌ ছোৱালীৰ সাধাৰণতে এই ৰোগ বেছি। শীত আৰু বসন্ত কালত এই ৰোগৰ সংক্ৰমন বেছি।

এইৰোগ আৰম্ভণিতে পানীলগা কাঁহ, চৰ্দি, জ্বৰ আদিৰ লক্ষণ থাকে। নাকৰ পৰা পানী ওলায় আৰু চকু ৰঙা পৰে। বহুদিন ধৰি এনেদৰে প্ৰায় পানী লগা স্তৰতে থাকে। এই স্তৰতেই ৰোগৰ সংক্ৰমন হয় যদিও এই পৰ্যায়ত লিউক'চাইট দেখা নাযায়। সংক্ৰমনৰ পিচতেই ৰোগীৰ দীৰ্ঘ প্ৰশ্বাস আৰু তাৰ পিচতে ঘন ঘন নিশ্বাসৰ স'তে কাঁহিবলৈ ধৰে। কাঁহৰ স'তে হু-উ-প কৈ শব্দ হয়। শিশুৰ চকু-মুখ ৰঙা পৰে আৰু ঘাম নিসৰণ হয়। কেতিয়াবা শিশুয়ে কাঁহি কাঁহি বমি কৰি দিয়ে। আৰু বমি কৰাৰ পিছতে কিছুপৰলৈ ৰোগীয়ে আৰাম পায়। ৰোগীয়ে দিনত প্ৰায় ৩০-৪০ বাৰ এনে কাঁহ মৰা দেখা যায়। কন্দাৰ সময়ত শিশুৰ নাড়ীৰ স্পন্দন বাঢ়ে। চকু মুখ ৰঙা পৰে আৰু চকুৰ পতা ফুলাৰ দৰে হয়। প্ৰায় ২৮দিন অতিক্ৰম কৰাৰ পিচতহে ক্ৰমাৎ কমি আহিবলৈ ধৰে।

এই ৰোগৰ ফলত নিউমোনিয়া হ'ব পাৰে। অধিক বমি হোৱাৰ ফলত পুষ্টিহীনতাই দেখা দিব পাৰে। চকুৰ কনজাস্পটিভা বানাক আদিৰে ৰক্তপাত হ'ব পাৰে। হাৰ্নিয়া থাকিলে হাৰ্নিয়া ৰোগ বাঢ়ে। কাণ পকা বা অটিটিঠ মেডিয়া ৰোগ হ'ব পাৰে। কাঁহৰ সময়ত জিভা কটা গলে ঘাঁ লাগিব পাৰে।■

# বিজ্ঞানৰ দৃষ্টিৰে শংকৰী আদৰ্শত খাদ্য সংস্কৃতি

**অজয় বৰুৱা**

শৰীৰ সুস্থ, সবল আৰু শক্তিশালী কৰা আটাইতকৈ লক্ষ্য ৰাখিবলগীয়া দিশটো হৈছে আমি খোৱা খাদ্য বা আহাৰ। অতি প্ৰাচীন কালৰ পৰা স্বাস্থ্য সুৰক্ষাৰ কাৰণে বিভিন্ন ধৰ্মশাস্ত্ৰবিলাকত অনেক কথা লিপিবদ্ধ আছে। আমি নিৰোগী হৈ থাকি স্বাস্থ্য ৰক্ষা কৰাটোৰেই আমাৰ সৰ্বপ্ৰথম আৰু মূল উদ্দেশ্য হোৱা উচিত। স্বাস্থ্য অবিহনে কৰ্তব্য, দায়িত্ব পালন আৰু জীৱনৰ লক্ষ্য পথত উপনীত হ'ব নোৱাৰোঁ। এই আহাৰ হ'ব লাগিব বিভিন্ন উপাদানযুক্ত আৰু খাদ্যপ্ৰাণযুক্ত (সুষম আহাৰ)। শৰীৰ বিজ্ঞানীসকলৰ মতে মানুহৰ সুস্থ শৰীৰৰ বাবে নিতৌ সুষম আহাৰ খোৱাটো বাঞ্ছনীয়।

বিজ্ঞানৰ আমূল পৰিৱৰ্তনৰ লগে লগে খোৱা খাদ্য বা খাদ্যসংস্কৃতিৰ পৰিৱৰ্তন হৈছে। আমিষজাতীয় খাদ্যৰ প্ৰভাৱ দিনে দিনে উন্নয়নশীল দেশবোৰত বেছি হৈ গৈছে কিন্তু সেই অনুপাতে উন্নত দেশবোৰত হ্ৰাস হৈ গৈছে। মানুহৰ মন, শৰীৰত বিজ্ঞানৰ প্ৰভাৱ নপৰাৰ আগতেই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে স্থূলশৰীৰ আৰু মনোজগতত খাদ্যৰ পোনপটিয়া প্ৰভাৱ উপলব্ধি কৰি খাদ্য বিচাৰ, ধৰ্মচাৰণৰ অন্তৰ্ভুক্ত কৰিছিল। যিটো আজিৰ বিজ্ঞানে সেইবোৰ অনুধাৱনক পৰীক্ষা নিৰীক্ষাৰ দ্বাৰা প্ৰমাণ কৰি স্বীকৃতি দিবলৈ বাধ্য হৈছে।

প্ৰতিনিয়ত বিজ্ঞান আগবাঢ়িছে । সলনি হৈছে মানুহৰ জীৱন ধাৰণৰ প্ৰণালী। সলনি হৈছে খাদ্যসম্ভাৰ। খাদ্যৰ তালিকাত নিতৌ সংযোজন হৈছে এবিধ এবিধকৈ নতুন খাদ্যৰ। খাদ্যৰ সম্ভাৰ বাঢ়িছে সঁচা, বঢ়া নাই খাদ্যৰ মান, খাদ্য গ্ৰহণ, খাদ্য বিতৰণ, খাদ্য উৎপাদন। কিয়নো বিজ্ঞানৰ লগে লগে মানুহে নিজক পৰিপূৰ্ণ কৰি তুলিব পৰা নাই খাদ্য উৎপাদন, বিতৰণ আৰু গ্ৰহণ কাৰ্যত নৈতিকতা সাত্বিকতা তথা আধ্যাত্মিকতাত। শৰীৰ, মন, সমাজ, আধ্যাত্মিকতা, মানৰ ধৰ্মৰ এই চাৰিস্তম্ভৰ সতে খাদ্যৰ প্ৰভাৱ বিসংগতি হোৱা বাবে মহাপুৰুষজনাৰ আদৰ্শত খাদ্য বিচাৰ প্ৰাসঙ্গিক হৈ পৰিছে।

স্বাস্থ্যই পৰম ধন। দেহা থাকিলে বেহা। আমি পাই আহিছোঁ বা জানো। স্বাস্থ্য হ'ল শৰীৰৰ অঙ্গ প্ৰত্যঙ্গ স্বাভাৱিকভাৱে আন অঙ্গ অপকাৰ নোহোৱাকৈ নিয়মিতভাৱে চলাচল কৰা অৱস্থা। শাৰীৰিক আৰু মানসিক সন্ধিয়েই স্বাস্থ্য। স্বাভাৱিক শ্বাস-প্ৰশ্বাস, স্বাভাৱিক মলমূত্ৰ ত্যাগ, ইন্দ্ৰিয়ৰ যথোচিত কৰ্মপ্ৰবৃত্তি, সুদৃষ্টি শক্তি, ভোক-পিয়াহ, ৰতি শক্তি স্বাভাৱিক উত্তাপ, সহিষ্ণুতা, লোভহীনতা পৰিপাক শক্তি আদি অটুট থকা অৱস্থাই স্বাস্থ্য। ইয়াৰ ব্যতিক্ৰম মানেই ৰোগ।

খাদ্য হ'ল জীৱনী শক্তিৰ আধাৰ। জীৱই যিবোৰ দ্ৰব্য ভক্ষণ কৰি জীয়াই থাকে সেয়াই হ'ল খাদ্য। ইয়াক ভক্ষণীয় আৰু অভক্ষণীয় দুই ভাগত ভগোৱা হৈছে। সুস্থ শৰীৰৰ আৰু মানসিকতাৰে জীয়াই থাকিব পৰা যিবোৰ পুষ্টিযুক্ত আহাৰ গ্ৰহণ কৰা হয় সেইবোৰেই হ'ল খাদ্য। মানুহৰ দেহত ৰস, তেজ, মঙহ, হাড়, চৰ্বি আৰু শুক্ৰ আদি ধাতু সমভাৱে থাকি দেহক সুৰক্ষা দিয়ে। শৰীৰত পুষ্টি সাধন খাদ্যই কৰে। পুষ্টিযুক্ত খাদ্যই শৰীৰত লাগতিয়াল উপাদানসমূহ যোগান ধৰে। বিজ্ঞানত খাদ্য উপাদান শৰ্কৰা, স্নেহ

পদাৰ্থ, চৰ্বি ভিটামিন, মনিক, এণ্টি অক্সিজেন পানী আদি।

"আহাৰ শুদ্ধেই সত্ব শুদ্ধি, সত্ব শুদ্ধেই ধ্ৰুৱা স্মৃতি"

সুস্থ দেহ আৰু সুস্থমনৰ বাবে খাদ্য নিৰ্বাচন এক বৌদ্ধিক আৰু তাত্ত্বিক প্ৰক্ৰিয়া। খাদ্যৰ বুনিয়াদী উপাদানবোৰ বয়স, শাৰীৰিক শ্ৰম ভিন্ন অৱস্থাত শৰীৰৰ দাবী আৰু ৰোগত পথ্য হিচাপে সঠিক পৰিমাণত যোগান ধৰাকে সুষম খাদ্য বোলে। গীতাত আহাৰক সাত্ত্বিক, ৰাজসিক, তামসিক এই তিনিভাগত ভগাইছে। সাত্ত্বিক আহাৰে মানুহৰ আয়ুস, উৎসাহ, বল, আৰোগ্য, সুখ, ৰুচি পুষ্টিকৰ আৰু তৃপ্তিদায়ক কৰে।

অতি টেঙা, অতি লুণীয়া, অতি তপত, অতি জ্বলা, অতি টান, গুৰুপাকী আৰু দুখ-শোক আদি ৰোগ উৎপাদন কৰা আহাৰেই হ'ল ৰাজসিক আহাৰ। সেইদৰে বাহী বস্তু, ৰসহীন, দুৰ্গন্ধময় উচ্ছিষ্ট অপৱিত্ৰ আদি আহাৰেই হ'ল তামসিক আহাৰ।

শঙ্কৰী আদৰ্শত মহাপুৰুষীয়া প্ৰসাদক মিশ্ৰণ আহাৰ হিচাপে লোৱা হৈছে। ই দেহলৈ শ্ৰী আৰু মনলৈ সন্তোষ আনন্দ আনে। মহাপুৰুষ শঙ্কৰদেৱ আৱিষ্কৃত মাহ-প্ৰসাদ আধ্যাত্মিক নীতি-নিয়মেৰে ভগৱানৰ চৰণত কৰা উচৰ্গা আৰু উচৰ্গাৰ পিছত ভক্ষণ কৰিলে কেৱল ভগৱত পৱিত্ৰতাই নহয়, প্ৰসাদৰ প্ৰতিবিধ দ্ৰব্য আমাৰ দেহৰ কাৰণে প্ৰয়োজনীয় নানা গুণেৰে ভৰপূৰ। মাহ-প্ৰসাদ সাত্ত্বিক আহাৰত অন্তৰ্ভুক্ত। ইয়াত কেঁচা বুটমাহ, মগুমাহ, নাৰিকল, আদা, পকা অমিতা, মাটি কঁঠাল, কুঁহিয়াৰ, তিয়ঁহ, আপেল, সুমথিৰা টেঙা, নিমখ, ৰবাব টেঙা, নাচপতি, মধুৰী আদি থাকে। এইবোৰে আমাৰ দেহত হোৱা সৰু-বৰ বহুৰোগ প্ৰতিৰোধ আৰু নিৰাময় কৰে। বিশেষকৈ বুট-মগুৱে শৰীৰত যথেষ্ট শক্তি যোগান ধৰে, প্ৰজনন শক্তি বঢ়ায়, পকা কল চকু দৃষ্টিশক্তি বৰ্ধক, বলকাৰক, হৃদৰোগ প্ৰতিৰোধক, শুক্ৰবৰ্ধক, চেনিকল হজমি কাৰক। নাৰিকলে শৰীৰত যথেষ্ট শক্তি যোগান ধৰে। কুঁহিয়াৰে প্ৰস্ৰাৱ পৰিষ্কাৰ কৰে দাঁত পৰিষ্কাৰ কৰি ৰাখে। আপেলে তেজ বৃদ্ধি আৰু সুমথিৰাই ছাল সুন্দৰ কৰে। পকা অমিতা, হজমি কাৰক, চকুৰ কাৰণে ভাল ইত্যাদি।

শঙ্কৰী আদৰ্শত অন্নভোজন এক প্ৰকাৰৰ ঈশ্বৰ উপাসনা। নিৰামিষ খাদ্যই ভগৱানৰ প্ৰসাদ বুলি গ্ৰহণ কৰা হয়। তৰু-বৃক্ষৰ সকলো খাদ্যৰ লগতে গাখীৰ আৰু গাখীৰৰ বিভিন্ন দ্ৰব্য শঙ্কৰী সংস্কৃতিত খাদ্য হিচাপে লোৱা হয়। এই আদৰ্শত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল খাদ্য ৰখাতকৈ খাদ্য আহৰণ প্ৰক্ৰিয়া আৰু খাদ্য গ্ৰহণৰ পৰিবেশ। ভিটামিনযুক্ত খাদ্যৰ লেখীয়া খাদ্য আমি খাদ্য সন্তোষমনেৰে ভোজন কৰো। খাদ্য গ্ৰহণ কৰোতে পৰিষ্কাৰ পৰিচ্ছন্নতা পবিত্ৰতা আধ্যাত্মিকতাহে খাদ্যৰ গুণতকৈ বেছি আৱশ্যক। বহুবোৰ নিৰামিষ খাদ্য দ্ৰব্য ঔষধি গুণেৰে কৰা। নিৰামিষভোজীজনে অজানিতে বহুবোৰ বেমাৰৰ পৰা বাচি থাকে। মুঠতে মহাপুৰুষীয়া প্ৰসাদ, বিজ্ঞানসন্মত পৰিপূৰক খাদ্য। বিজ্ঞানৰ দৃষ্টিত নিৰামিষ খাদ্য উত্তম খাদ্য।

মহাপুৰুষীয়া আদৰ্শত শাৰীৰিক সৰলতাতকৈ মানসিক সুস্থতাত বেছি গুৰুত্ব দিয়া হয়। মন যেতিয়া ভাল থাকে সকলো ভাল থাকে। আধ্যাত্মিক চেতনা, উচ্চস্তৰীয় কল্যাণকামী শক্তি, উচ্চস্তৰীয় ধ্যানৰ সময়ত খাদ্যৰ আৱশ্যক বহু পৰিমাণে কমি যায়। যাৰ বাবে আগৰ কালৰ ঋষি-মুনি সকলে বিশেষ একো নোখোৱাকৈয়ে বহুদিন ধ্যান কৰি থাকিব পাৰিছিল অৰ্থাৎ স্বাস্থ্যৰো বিশেষ ক্ষতি সাধন হোৱা নাছিল।■

---

পাদটীকা ঃ

ডাঃ নোমল চন্দ্ৰ দাস — বিজ্ঞানৰ দৃষ্টিৰে শঙ্কৰী আদৰ্শত খাদ্যবিচাৰ আৰু স্বাস্থ্য।

ডঃ গুণাৰাম খনিকৰ — স্বাস্থ্য সুৰক্ষাত আধ্যাত্মিকতাবাদ।